● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

৭ পুনৰ চাৰি বেংকৰ বেচৰকাৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ
১৫ ৰিয়াল মাদ্ৰিদৰ দখলত চেম্পিয়নছ লীগ
৪ বটদ্ৰৱাৰ দৰে ঘটনাই টিউনিচিয়াত চৰকাৰৰ পতন ঘটাইছিল

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২৯তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৫ জেঠ ১৪২৯ ভাস্কৰাব্দ ৩০ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 30 May 2022 মূল্য ঃ ৯.০০ টকা

## দিগ্‌দৰ্শন

পৃথিৱীৰ সকলোতে ৰাজনীতিকসকলৰ চৰিত্ৰ একেই। তেওঁলোকে তাতো দলং নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে য'ত নদীয়েই নাই।

নিকিতা খ্ৰুছচেভ
*ৰুছ প্ৰধানমন্ত্ৰী*



## এক পাৰ্চেণ্ট আৰু শূন্য সহনশীলতাৰ শ্ল'গান

■ প্ৰাঞ্জলসেন ডেকা

**কামাল** কৰি দিলে ভগৱন্ত মানে। পঞ্জাবৰ মুখ্যমন্ত্ৰীৰূপে দায়িত্বভাৰ গ্ৰহণৰ এশদিন নৌহওঁতেই দুৰ্নীতিৰ অভিযোগত নিজৰ স্বাস্থ্যমন্ত্ৰী ডাঃ বিজয় সিংলাক যোৱা মঙলবাৰে বৰ্খাস্ত কৰি এক নতুন দৃষ্টান্ত গঢ়িলে মানে। যোৱা মাৰ্চত ঘোষিত নিৰ্বাচনী ফলাফল অনুসৰি পঞ্জাৰ বিধানসভাৰ ১১৭খন আসনৰ ৯২খনতে জয়লাভ কৰি আম আদমী পাৰ্টিয়ে প্ৰথমবাৰলৈ ৰাজ্যখনত চৰকাৰ গঠনৰ সুযোগ ১০ পৃষ্ঠাত চাওক

পুৱা সন্ধানহীন হোৱা বিমানৰ সন্ধান ওলাল দুৰ্গম অঞ্চলত ■ আছিল ভাৰতৰ চাৰি যাত্ৰীও

পাইলটৰ ম'বাইল ফোনৰ জৰিয়তে সন্ধান পালে ■ বেয়া বতৰৰ বাবে উদ্ধাৰ অভিযান বাধাগ্ৰস্ত

# নেপালত ২২ যাত্ৰীসহ ভূপতিত বিমান



ভাৰতে প্ৰেৰণ কৰিলে সেনাৰ দুখন হেলিকপ্টাৰ

■ নিউজ ব্যুৰ'

**কাঠমাণ্ডু/নতুন দিল্লী, ২৯ মে' ঃ** পুনৰ বিমান দুৰ্ঘটনা সংঘটিত হ'ল নেপালত। আজি পুৱা সংঘটিত এই দুৰ্ঘটনাত এক স্থানীয় বিমান পৰিবহণ সংস্থাৰ সৰু বিমানখনত থকা ২২জন যাত্ৰীৰে মৃত্যুৰ আশংকা কৰা হৈছে। দীৰ্ঘ সময় ধৰি সন্ধানহীন হৈ থকা বিমানখনৰ অৱশেষত সন্ধান ওলালেও অতিশয় দুৰ্গম অঞ্চল তথা মাত্ৰাধিক বেয়া বতৰৰ বাবে এই পৰ্যন্ত উদ্ধাৰকাৰী দলে দুৰ্ঘটনাস্থলীত উপস্থিত হ'ব পৰা নাই। উল্লেখ্য যে উক্ত বিমানখনত চাৰিজন ভাৰতীয় যাত্ৰীও আছিল।

স্থানীয় সূত্ৰই জনোৱা মতে, আজি পুৱা ৯-৫৫ বজাত তাৰা এয়াৰলাইন্সৰ সৰু বিমানখনে পোখৰা বিমানকোঠৰ পৰা জমছম ১০ পৃষ্ঠাত চাওক

■ মৃত্যু ৰোধৰ আপ্ৰাণ চেষ্টা চলায়ো ব্যৰ্থ ৰাজ্য চৰকাৰ ■ উচ্চতা-প্ৰচণ্ড শীতৰে মোকাবিলা কৰিব পৰা নাই সদ্য ক'ভিডমুক্তৰ শৰীৰে

# চাৰিধাম যাত্ৰাত আতংক, ২৫ দিনত প্ৰাণ হেৰুৱালে ৯৯ তীৰ্থযাত্ৰীয়ে

ইতিমধ্যে মৃতকৰ সংখ্যাই এশ অতিক্ৰম কৰাৰ আশংকা



■ নিউজ ব্যুৰ'

**দেৰাদুন, ২৯ মে' ঃ** আকস্মিক বানৰ আশংকাৰ মাজতে এক নতুন আতংকই গ্ৰাস কৰিছে উত্তৰাখণ্ডক। পাহাৰীয়া ৰাজ্যখনৰ প্ৰখ্যাত চাৰি ধাম যাত্ৰা ইতিমধ্যে আৰম্ভ হৈছে। এই চাৰি ধাম যাত্ৰা ১০ পৃষ্ঠাত চাওক

■ ৰাজ্যিক কেবিনেটৰ সিদ্ধান্ত ■ অনুসূচিত জাতি-জনজাতিৰ দৰে সংখ্যালঘু ছয় সম্প্ৰদায়েও লাভ কৰিব পৰিচয় পত্ৰ ■ বাগিচাৰ ভূমি অধিগ্ৰহণ কৰিলে শ্ৰমিকক ক্ষতিপূৰণৰো সিদ্ধান্ত

# অসমত সংখ্যালঘুক দিব পৰিচয়পত্ৰ



*'আছিয়ান কনফ্লুয়েন্স ৰিভাৰ কনক্লেভ'ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ স'তে মুখ্যমন্ত্ৰী, দেওবাৰে।*

অসম আন্দোলনত নিৰ্যাতিতা ৫৭ গৰাকী মহিলা-২৮৮ নিৰ্যাতিতক দুই লাখকৈ সাহায্য

চাহৰ কেঁচাপাতৰ কৰ ৰেহাই তিনি বছৰলৈ বৃদ্ধি ■ ২৬ জানুৱাৰীৰ পূৰ্বে ৩,০০৭ টা অমৃত সৰোবৰ নিৰ্মাণৰ লক্ষ্য নিৰ্ধাৰণ

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ২৯ মে' ঃ অসমত প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰে সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলক পৰিচয়পত্ৰ প্ৰদান কৰিব। অনুসূচিত জাতি-অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আদিৰ দৰেই সংখ্যালঘুৰ অন্তৰ্গত ছটা সম্প্ৰদায়ৰ লোকক পৰিচয়পত্ৰ প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আজি অনুষ্ঠিত ৰাজ্যিক কেবিনেটৰ এক বৈঠকত। এই সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই বৈঠকৰ পাছত এক সংবাদমেলত কয়, 'ভাৰত চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া মুছলমান, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চীসকলক এই প্ৰমাণপত্ৰ প্ৰদান কৰা হ'ব। প্ৰথমবাৰৰ বাবে অসম চৰকাৰে এনে এক সিদ্ধান্ত গ্ৰহণ কৰাটো উল্লেখযোগ্য।' অৱশ্যে কেবিনেটৰ এই সিদ্ধান্তৰ অন্তৰালৰ কাৰণ সদৰী কৰাৰ পৰা মন্ত্ৰী মহন্ত বিৰত থাকে।

জনতা ভৱনত আয়োজিত আজিৰ কেবিনেট বৈঠকত ছবছৰীয়া অসম আন্দোলনৰ নিৰ্যাতিতক সাহায্য প্ৰদান, চাহ ১০ পৃষ্ঠাত চাওক

মন্ত্ৰীৰ কাৰ্যত কটাক্ষ কংগ্ৰেছ সভাপতি বৰাৰ

## কৈফিয়তৰ উত্তৰ দিলেও প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই কিষাণে



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মে' ঃ** মন্ত্ৰী হৈয়ো ভাৰতীয় সংবিধান উলংঘা কৰি নিষিদ্ধ সংগঠন আলফা (স্বাধীন)ৰ ওচৰত ক্ষমা ভিক্ষা বিচৰা সঞ্জয় কিষাণক লৈ যথেষ্ট আহুকালত পৰিছে ১০ পৃষ্ঠাত চাওক

■ চৰকাৰৰ দাবীৰ বিপৰীতে বিমুদ্ৰাকৰণৰ পাছত দেশত জালনোটৰ প্ৰচলন অধিক বৃদ্ধি ■ ১০১.৯ শতাংশ বৃদ্ধি পাঁচশ টকীয়া জালনোট ■ চৰকাৰক তীব্ৰ সমালোচনা বিৰোধী নেতাৰ

# দেশত এশ শতাংশ পৰ্যন্ত বৃদ্ধি জালনোট

দুহেজাৰ টকীয়া ৫৪.৬ শতাংশ বৃদ্ধি জালনোট ■ ডিজিটেল লেনদেনো ব্যৰ্থ হোৱাৰ ইংগিত স্বয়ং ভাৰতীয় ৰিজাৰ্ভ বেংকৰ প্ৰতিবেদনত



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৯ মে' ঃ** জালনোট ধ্বংস কৰাৰ লগতে ক'লা ধন নিৰ্মূলৰ উদ্দেশ্যে বিগত ২০১৬ৰ আঠ নৱেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমুদ্ৰাকৰণ ঘোষণা কৰিছিল। ইয়াৰ জৰিয়তে সেই সময়ত প্ৰচলিত পাঁচশ আৰু এহেজাৰটকীয়া নোট নিষিদ্ধ কৰা হৈছিল। তাৰ পৰিৱৰ্তে নতুন পাঁচশটকীয়া আৰু এহেজাৰৰ ঠাইত দুহেজাৰটকীয়া নতুন নোট ভাৰতীয় ৰিজাৰ্ভ বেংকে ছপা কৰি বজাৰত উলিয়াই দিছিল; কিন্তু ৰিজাৰ্ভ বেংকৰ শেহতীয়াকৈ প্ৰকাশিত ২০২১-২২ৰ বাৰ্ষিক প্ৰতিবেদনত পোহৰলৈ আহিছে যে বিমুদ্ৰাকৰণৰ পাছত দেশত জাল নোটৰ প্ৰচলন এশ শতাংশৰো অধিক বৃদ্ধিহে হৈছে। প্ৰতিটো মূল্যৰ জালনোট বজাৰত ভৰি পৰিছে। ১০ পৃষ্ঠাত চাওক

প্ৰথম মহিলা ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক

## প্ৰবীণ সাংবাদিক সাহিত্যিক যাদৱ সেন ডেকাৰ বিয়োগ



**অগ্ৰদূত বাৰ্তা**

**চামতা, ২৯ মে' ঃ** প্ৰবীণ সাহিত্যিক, শিক্ষাবিদ, জ্যেষ্ঠ সাংবাদিক, অসমৰ প্ৰথমখন মহিলা ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজক, সমাজকৰ্মী যাদৱ সেন ডেকা (৮২)ৰ আজি নিশা ৮-৪৫ বজাত বেলশৰৰ নিজ গৃহত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁ আজি কিছুদিন ধৰি অসুস্থ হৈ আছিল। উল্লেখ্য যে পশ্চিম নলবাৰীৰ বেলশৰৰ প্ৰয়াত কাশী সেন ডেকা আৰু ১০ পৃষ্ঠাত চাওক

■ অবৈধ বিদেশীৰ চৰণীয়া পথাৰত পৰিণত হৈছে অসম ■ জম্মুত দীৰ্ঘদিন বাস কৰি উভতিছিল ■ আভ্যন্তৰীণ সুৰক্ষাৰ ব্যৰ্থতা প্ৰকট

## গুৱাহাটীৰ পৰা যোৱা শিশু-মহিলাসহ ৰহিংগীয়াৰ ২৬ জনীয়া দল শিলচৰত

**বিশেষ সংবাদদাতা**

**কৰিমগঞ্জ, ২৯ মে' ঃ** সমগ্ৰ ভাৰতবৰ্ষত পিয়াপি দি ফুৰিছে ৰহিংগীয়া মুছলমানে। তদুপৰি অসম হৈ পৰিছে অন্যতম ট্ৰেনজিত পইণ্ট তথা আশ্ৰয়স্থলী। তাৰে একাংশ লোক মাজে সময়ে আৰক্ষীৰ জালত পৰি আহিছে।



আজি পুৱা কাছাৰ আৰক্ষীয়ে শিলচৰত গুৱাহাটীৰ পৰা যোৱা শিশুসহ পুৰুষ-মহিলাৰ ২৬ জনীয়া এটা ৰহিংগীয়া দলক আটক কৰে। তিনিটা পৰিয়ালৰ এই লোকসকলৰ ১২ টি শিশু, ছজন পুৰুষ আৰু আঠগৰাকী মহিলা। আৰক্ষীয়ে সদৰী কৰা ১০ পৃষ্ঠাত চাওক

মৃত্যুদণ্ড কাৰ্যকৰী হোৱাৰ পূৰ্বে ম্যানমাৰৰ পৰা পলায়ন সুৰজিৎ-শ্যামলৰ

## সংগঠন বিৰোধী 'গুৰুতৰ অপৰাধ'ত লিপ্ত দুই সদস্যক হত্যাৰ নিৰ্দেশ আলফা (স্বাঃ)ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মে' ঃ** চোৰাংচোৰাগিৰি কৰাৰ লগতে সংগঠন বিৰোধী 'গুৰুতৰ অপৰাধ'ৰ বাবে আলফা (স্বাধীন)ই বিভিন্ন সময়ত সতীৰ্থক মৃত্যুদণ্ড দি আহিছে। শেহতীয়াকৈ আৰক্ষীৰ হৈ চোৰাংচোৰাগিৰি কৰাৰ অপৰাধত দুজন সদস্যক মৃত্যুদণ্ড দিয়াৰ ঘটনাই সৃষ্টি কৰা চাঞ্চল্যৰ মাজতে পুনৰ আন ১০ পৃষ্ঠাত চাওক

বিশেষ সাংগঠনিক সভা মুখ্য কাৰ্যালয়ত

## পহিলা জুনৰ পৰা অগপৰ তৃণমূলৰ সংগঠনত ধাৰাবাহিক সভাৰ আয়োজন



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ মে' ঃ** আজি অগপৰ আমবাৰীস্থ মুখ্য কাৰ্যালয়ত অসম গণ পৰিষদৰ এখন বিশেষ সাংগঠনিক সভা সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। দলৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া-সদস্য, জিলা, বিধান পৰিষদ আৰু ভ্ৰাতৃ-ভগ্নী সংগঠনৰ সভাপতি-সম্পাদকসহ শতাধিক বিভিন্ন স্তৰৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই সভাই ৰাজ্যখনত আঞ্চলিকতাবাদী শক্তি অসম গণ পৰিষদক অধিক জনমুখী কৰাৰ লগতে সৰ্বস্তৰত শক্তিশালী কৰাৰ লক্ষ্যৰে ব্যাপক সদস্যভৰ্তি অভিযান আৰম্ভ দুই পৃষ্ঠাত চাওক

## ডিফু আৰক্ষীৰ গুলিত আহত হ'ল ধৰ্ষণত অভিযুক্ত, চিকিৎসালয়ৰ পৰা পলায়ন

**বিশেষ সংবাদদাতা**

**বকলীয়াঘাট, ২৯ মে' ঃ** কাৰ্বি আংলঙত আৰক্ষীৰ গুলিত আহত হ'ল এজন নাবালিকা ধৰ্ষণত অভিযুক্ত। হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাৰ পৰা পলায়নৰ পাছত আজি বিয়লি অভিযুক্তজনক আৰক্ষীয়ে গুলিবিদ্ধ কৰে। পাৰ্বত্য জিলাখনৰ সাতমাইলত সংঘটিত এক নাবালিকা ধৰ্ষণৰ ঘটনাত আৰক্ষীয়ে ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৮° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৪° |
| দিল্লী | ৪১° | ২৯° |
| কলকাতা | ৩৫° | ২৮° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ৩০° | ২০° |
| শ্বিলং | ২২° | ১৭° |

২৯ মে', ২০২২

## বটদ্ৰৱা কাণ্ডৰ আৰু এজন মূল অভিযুক্তক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৭ মে' ঃ** পলাই তৎ নোপোৱা হৈছে বটদ্ৰৱা আৰক্ষী থানা জ্বলাই ছাৰখাৰ কৰা, কৰ্তব্যৰত আৰক্ষীক আৰক্ষী থানা চৌহদতে গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰা ঘটনাৰ লগত জড়িত ১০ পৃষ্ঠাত চাওক

নেতাৰ ভাবুকিতহে শিক্ষক নিযুক্তি ঃ পত্নী

## শিৱসাগৰৰ বহু বিতৰ্কিত প্ৰাক্তন শিক্ষা বিষয়া আনোৱাৰ হুছেইনক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৯ মে' ঃ** শিক্ষক নিযুক্তিৰ কেলেংকাৰীত জড়িত থকাৰ অভিযোগত যোৱা নিশা আৰক্ষীয়ে শিৱসাগৰৰ বহু বিতৰ্কিত প্ৰাক্তন শিক্ষা বিষয়া আনোৱাৰ হুছেইনক ভাৰতীয় দণ্ডবিধিৰ ১২০ (বি), ৪২০, ৪৬৫, ৪৬৮ ধাৰাত গ্ৰেপ্তাৰ কৰে। অসম নৱ নিৰ্মাণ সেনাই গৌৰীসাগৰ থানাত জিলাখনত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত হোৱা অনিয়মৰ সন্দৰ্ভত দাখিল কৰা এক এজাহাৰৰ ভিত্তিত ১৩৬৯/১৯ গোচৰত বিষয়াজনক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ইয়াৰ পূৰ্বে ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*দৰিদ্ৰ লোকৰ বাবেই আমাৰ আঁচনি! তাকেই মুকলি কৰিবলৈ আমাৰ এই কোটিটকীয়া অনুষ্ঠান!*

■ অৰ্ধেক মটৰ চাইকেল-অৰ্ধেক গাড়ীৰ সামঞ্জস্যৰে নতুন কাৰ উদ্ভাৱন অসমৰ দম্পতী-অভিযন্তাৰ ■ প্ৰত্যক্ষ কৰি অভিভূত বৈদেশিক মন্ত্ৰী জয়শংকৰ ■ যান-জঁটৰ সমস্যা দূৰ কৰিব

# তিনি লাখ টকাতে বজাৰলৈ জি-১১ কাৰ



**অগ্ৰদূত বাৰ্তা**

**উত্তৰ গুৱাহাটী, ২৯ মে' ঃ** অসমৰ এক উদ্ভাৱক দম্পতী আৰু এজন অভিযন্তাৰ এক চমকপ্ৰদ উদ্ভাৱনে খলকনি লগাইছে আইআইটি গুৱাহাটীত। মটৰ চাইকেলৰ অসুবিধা আৰু গাড়ীৰ অসুবিধা আঁতৰাই তেওঁলোকে এক সুন্দৰ আৰ্হিৰে সাজি উলিয়াইছে এখন ১০ পৃষ্ঠাত চাওক





# ডিগবৈত বনজ সম্পদৰ ৰমৰমীয়া বেহা

**বন বিভাগে জব্দ কৰিলে চাৰিখনকৈ ডাম্পাৰ**

**ডিগবৈ, ২৯ মে’ ঃ** বন আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিগবৈতো অব্যাহত আছে বনজ সম্পদৰ ৰমৰমীয়া অবৈধ বেহা। একাংশ বন মাফিয়াই ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ লালসাত এফালৰ পৰা বনজ সম্পদৰ ধ্বংস লীলা অব্যাহত ৰাখিছে। যোৱা নিশা ডিগবৈ বন বিভাগে অবৈধভাৱে বনজ সম্পদ সৰবৰাহ কৰাৰ অভিযোগত নথিপত্ৰবিহীন শিল আৰু বালি কঢ়িয়াই অনা চাৰিখন ডাম্পাৰ জব্দ কৰিবলৈ সক্ষম হয়। বিশেষ সূত্ৰৰ তথ্যৰ ভিত্তিত জব্দ কৰিবলৈ সক্ষম হোৱা ডাম্পাৰ চাৰিখনৰ নম্বৰ ক্ৰমে এএছ- ২৩ এচি-৩৩৪৪, এএছ-০৫ চি- ৯৯৯৭, এএছ-২৩ চিচি-৬২৭২ আৰু এখন নম্বৰ প্লেটবিহীন। ডিগবৈ বন বিভাগে সদৰী

*ছয় পৃষ্ঠাত চাওক*

# কাজিয়াৰ সময়ত মাৰণাস্ত্ৰ প্ৰদৰ্শন কৰাত আটক কৰিলে স্থানীয় লোকে

# মৰিয়নিত পিষ্টলসহ ধৃত তিনি



অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২৯ মে’ ঃ** কম দিনৰ ভিতৰতে সংঘটিত ইটোৰ পাছত সিটোকৈ অপৰাধজনিত ঘটনা সংঘটিত হৈছে মৰিয়নিত। ৰাজহুৱা স্থানত মাৰণাস্ত্ৰ প্ৰদৰ্শন কৰি যোৱা নিশা গ্ৰেপ্তাৰ হ’ল তিনিজন যুৱক। ঘটনাৰ সন্দৰ্ভত আৰক্ষী সূত্ৰই জনোৱা মতে, যোৱা নিশা প্ৰায় ৯-৪৫ বজাত মৰিয়নি নগৰৰ পুৰণা চিনেমা হলৰ সমীপত ৰেলপথৰ দাঁতিত দুজনমান যুৱকে কিবা কাৰণত তৰ্কাতৰ্কিত লিপ্ত হয়। এটা সময়ত তৰ্কাতৰ্কিয়ে চূড়ান্ত ৰূপ লয় আৰু তেতিয়াই এজনে কঁকালৰ খোচনিত

*ছয় পৃষ্ঠাত চাওক*

# শ্ৰীৰামপুৰ-সাপকাটাত বহিঃৰাজ্যৰ ৩৮ টা ম’হসহ ট্ৰাক জব্দ



অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৯ মে’ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শ্ৰীৰামপুৰত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই বহিঃৰাজ্যৰ ৩৮ টা ম’হসহ ইউপি-২১ এএন- ৩১৯৪ নম্বৰৰ এখন ট্ৰাক জব্দ কৰে। আনহাতে, সাপকাটা আৰক্ষী চকীৰ আৰক্ষীয়ে অভিযান চলাই নটা গৰু জব্দ কৰে। অসম-বংগ সীমন্তস্থিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে যোৱা নিশা শ্ৰীৰামপুৰত ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথত নিয়মীয়া তালাচী চলাওঁতে বহিঃ ৰাজ্যৰ পৰা পৰ্যাপ্ত নথি নোহোৱাকৈ অসমত প্ৰৱেশ কৰাৰ সময়তে ম’হ ভৰ্তি ট্ৰাকখন জব্দ কৰে। কিন্তু ট্ৰাকৰ চালক আৰু ট্ৰাকখনত থকা লোককেইজনে নিশাৰ অন্ধকাৰত পলাই যাবলৈ সক্ষম হয়। সম্প্ৰতি জব্দকৃত ম’হসমূহ শ্ৰীৰামপুৰত খোৱাৰত ৰখা হৈছে আৰু সাপকাটাত জব্দকৃত গৰুসমূহ এতিয়াও আৰক্ষীৰ জিম্মাত আছে।

**জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই তদন্ত কৰিবলৈ দিয়া নিৰ্দেশৰ পাছতো উন্নয়ন খণ্ডই দাখিল নকৰিলে প্ৰতিবেদন**

# চৰকাৰী ভূমিৰ সলনি ব্যক্তিগত ভূমিত চৰকাৰী আঁচনি ৰূপায়ণ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৯ মে’ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰছলা গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় পুঁজিত ব্যাপক অনিয়ম সংঘটিত কৰাৰ এক অভিযোগ উত্থাপন হৈছে। বিশেষকৈ পঞ্চায়তখনৰ সচিব আৰু সভাপতিয়ে অতি কৌশলেৰে চৰকাৰী ভূমিৰ সলনি ব্যক্তিগত ভূমিত চৰকাৰী আঁচনি ৰূপায়ণ কৰা অভিযোগৰ সন্দৰ্ভত পঞ্চায়তৰ একাংশ লোকে মৰিগাঁও জিলা উপায়ুক্তৰ লগতে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক লিখিত অভিযোগ দাখিল কৰাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই লাহৰীঘাট উন্নয়ন খণ্ডক এসপ্তাহৰ ভিতৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিবলৈ দিয়া সময় সীমা অতিক্ৰম কৰাৰ পাছতো লাহৰীঘাট উন্নয়ন খণ্ডই উৰ্দ্ধতম কৰ্তৃপক্ষক তদন্তৰ প্ৰতিবেদন দাখিল নকৰাত ক্ষুব্ধ কৰি তুলিছে পঞ্চায়তবাসীক। প্ৰাপ্ত অভিযোগ অনুসৰি বৰছলা গাঁও পঞ্চায়তৰ সভাপতি আবু হানিফ, সচিব হবিবুৰ ৰহমানে পঞ্চায়তলৈ আবণ্টিত চতুৰ্দশ বিত্তীয় পুঁজিয়ে লাহৰীঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ বৰছলাগাঁও

*ছয় পৃষ্ঠাত চাওক*

# চামতাত নলবাৰী জিলা বাৰ্তাজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন

**বিধানসভাত সাংবাদিকৰ সমস্যা উত্থাপনৰ প্ৰতিশ্ৰুতি বিধায়ক দিগন্ত বৰ্মনৰ**

অগ্ৰদূত বাৰ্তা

**চামতা, ২৯ মে’ ঃ** নলবাৰী জিলা বাৰ্তজীৱী সংঘৰ তৃতীয় দ্বি-বাৰ্ষিক অধিবেশন আজি নলবাৰী জিলাৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ মঞ্চসূৰ্য ধৰণী বৰ্মন সোঁৱৰণী প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সহকাৰী সম্পাদক তপন কুমাৰ শৰ্মাই পতাকা উত্তোলন কৰাৰ পাছতে ছহিদ তৰ্পণ অনুষ্ঠানত পশ্চিম নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সুভাষ বৰ্মন আৰু পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সম্পাদক প্ৰদীপ কুমাৰ বৰ্মনে ক্ৰমে ছহিদ তৰ্পণ আৰু মাল্যাৰ্পণ কৰে। পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি গণেশ বৰ্মন আৰু সাংবাদিক জোন কুমাৰ

*ছয় পৃষ্ঠাত চাওক*

**শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁৱৰ জাগীয়ালত মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন**

# মহাপুৰুষ দুজনা এজন আনজনৰ পৰিপূৰক, অভিন্ন পৰম বান্ধৱ



বিশেষ সংবাদদাতা

**নগাঁও, ২৯মে’ঃ** ‘অসামন্য প্ৰতিভাৰ আকৰ সৰ্ব গুণাকৰ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান সহযোগী মাধৱদেৱ আছিল অনেক গুণৰ সমন্বয়ৰে গুণবান আৰু অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী। দুয়োজনা মহাপুৰুষ এজন আনজনৰ পৰিপূৰক। শংকৰ-মাধৱ অভিন্ন পৰম বান্ধৱ।’ শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নগাঁও জিলাৰ পুৰুষোত্তম আঞ্চলিক শাখাৰ উদ্যোগত, নিজ জাগীয়াল প্ৰাথমিক শাখাৰ আতিথ্যত আৰু নিকটৱৰ্তী প্ৰাথমিক শাখাৰ সহযোগত কালিৰে পৰা উদ্‌যাপিত ৫৩৪ সংখ্যক মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ মুকলি ধৰ্মালোচনী সভাত আজি এই মন্তব্য কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক প্ৰফুল্ল চন্দ্ৰ বৰাই। পুৰুষোত্তম আঞ্চলিকৰ সভাপতি যোগেন চন্দ্ৰ বৰাৰ

*ছয় পৃষ্ঠাত চাওক*

# কচুৱাত ড্ৰাগছসহ দুজনক আটক

অগ্ৰদূত বাৰ্তা

**কচুৱা, ২৯ মে’ ঃ** কচুৱাত আজি দুজন ড্ৰাগছ সৰবৰাহকাৰীক বুজন পৰিমাণৰ ড্ৰাগছসহ আৰক্ষীয়ে আটক কৰে। ধৃত যুৱক দুজন ক্ৰমে মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ গায়েন গাঁৱৰ ফুৰকান আলী (৩৬) আৰু কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত শিঙিমাৰীৰ ৰছিদুল ইছলাম। যুৱক দুজনৰ পৰা আৰক্ষীয়ে ৬০ গ্ৰাম ওজনৰ পাঁচ পেকেট ড্ৰাগছ, দুটা দামী ম’বাইল, এটা পাৱাৰ বেংক আৰু এ এছ-০২ এ এইছ ৫৩৮৯ নম্বৰৰ এখন নতুন পালচাৰ মটৰ চাইকেল জব্দ কৰে। যুৱক দুজনৰ পৰা উদ্ধাৰ হোৱা ড্ৰাগছখিনিৰ বজাৰ মূল্য আনুমানিক সাত লাখ হ’ব বুল আৰক্ষীয়ে সদৰী কৰিছে। যুৱক দুজনে কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ ফাকলিত ড্ৰাগছখিনি

*ছয় পৃষ্ঠাত চাওক*







দৈনিক অগ্ৰদূত

# সাহিত্য আৰু জীৱন

যোৰহাট, ৩০ মে', ২০২২ সোমবাৰ পৃষ্ঠা ৫

# ট্ৰেজেডি নাটকৰ বিষয়ে দুআষাৰ

## ড° আনন্দ বৰমুদৈ

**নাটকৰ** ফটো শিল্প ৰূপক শিথিলভাৱে ট্ৰেজেডি বুলি কোৱা হয়। সেই ৰূপৰ নাটকে জটিল আনুভূতিক যোগাযোগৰ ঐশ্চৰ্যক ব্যৱহাৰ কৰে। ট্ৰেজেডি নাটকৰ বিষয়ে যিকোনো অনুসন্ধান এৰিষ্টটলৰ পয়েটিক্‌ছৰ পৰাই সাধাৰণতে আৰম্ভ হয়। খ্ৰীষ্টপূৰ্ব ৩৩৫ আৰু ৩২৩ৰ মাজত ৰচনা কৰা এই কাব্যতত্ত্বৰ প্ৰতি পাছৰ যুগৰ মানুহৰ আগ্ৰহ বৃদ্ধি পাইছিল ট্ৰেজেডি নাটকৰ শিল্পৰূপটোক পুনঃনিৰ্মাণ কৰাৰ আগ্ৰহৰ বাবে। মধ্যযুগত ট্ৰেজেডিৰ বিষয়ে বোধহয় বৰ বেছি আলোচনা হোৱা নাছিল জীৱন আৰু সাহিত্যত ট্ৰেজেডিৰ ধাৰণা এটা গঢ় দিয়াত পয়েটিক্‌ছৰ বৰঙণি বহুত। এৰিষ্টটলে ট্ৰেজেডি আৰু মহাকাব্যক সাহিত্যৰ দুটা উচ্চৰূপ বুলি গণ্য কৰিছিল। এৰিষ্টটলে পয়েটিক্‌ছ লিখোতে কেতবোৰ সাহিত্য কৃতি তেওঁৰ মনত আছিল আৰু সিবিলাকৰ অধ্যয়নৰ ভিত্তিতে তেওঁ কেতবোৰ সাধাৰণ সূত্ৰ তৈয়াৰ কৰিছিল। হোমাৰৰ ইলিয়াড আৰু ওডিচী মহাকাব্য দুখনৰ তেওঁ প্ৰশংসা কৰিছে আৰু চফক্লিজৰ ইডিপাছ ৰেক্স নাটকক আদৰ্শ ট্ৰেজেডি নাটক হিচাপে গ্ৰহণ কৰিছে।

পয়েটিক্‌ছত এৰিষ্টটলে ট্ৰেজেডি নাটকৰ নন্দনতাত্ত্বিক আৰু কাৰিকৰী দিশৰ আলোচনা কৰিছে। তেওঁ ট্ৰেজেডি নাটকৰ সংজ্ঞা দাঙি ধৰি কৈছে যে ই গহীন, সম্পূৰ্ণ, মৰ্যাদাসম্পন্ন কাৰ্যৰ অনুকৰণ; ইয়াৰ ভাষা কলাসুলভ অলংকাৰেৰে সুশোভিত; ই কাৰ্যহে বৰ্ণনা নহয়, ই পুতৌ আৰু ত্ৰাস উদ্ৰেক কৰি অনুভূতিৰ শোধন ঘটায়। Tragedy is an imitation of an action that is serious,complete and of a certain magnitude, in language embellished with each kind of artistic ornament. --in the form of action, not of narrative, through pity and fear effecting the proper purgation of those emotions. ইয়াত পোনতে অনুকৰণৰ কথা উল্লেখ কৰা হৈছে। এই অনুকৰণে কোনো গোলামৰ দৰে কৰা নকলৰ কথা বুজোৱা নাই। কলাই প্ৰাকৃতিক অনুসৰণ কৰে আৰু প্ৰকৃতি বোলোতে প্ৰকৃতি জগতত দেখা পোৱা ক্ৰম, গঢ় অথবা সংহতি এটাৰ কথা বুজোৱা হৈছে। নাট্যকাৰে এই সংহতিক (অৰ্ডাৰ) হিচাপে দেখা পাব লাগিব আৰু অনুকৰণ উদ্দেশ্যৰ পৰিসীমাৰ মাজত তাক নাটকত প্ৰকাশ কৰিব লাগিব। কাৰ্যৰ অনুকৰণৰ বিষয়ে এৰিষ্টটলে কৈছে যে ট্ৰেজেডি মানুহৰ অনুকৰণ নহয়, কাৰ্যৰ অনুকৰণ, জীৱনৰ অনুকৰণ আৰু জীৱন কাৰ্যৰে সমষ্টি আৰু ইয়াৰ পৰিসমাপ্তিৰ কাৰ্যৰে ধৰণ, কোনো গুণ নহয়। (not of men, but of action and of life and life consists in action, and its end is a made of action, mot a quality).

নাটকীয় কাৰ্যক তাৰ গুণৰ আধাৰত সংজ্ঞায়িত কৰা হৈছে। ইয়াৰ আৰম্ভণি, মধ্যভাগ আৰু অন্ত আছে। ই স্বয়ং সম্পূৰ্ণ আৰু নিজৰ অধিকাৰতেই বৰ্তি থাকে। আৰম্ভণিয়ে আন কাকো অনুসৰণ নকৰে। কিন্তু ইয়াৰ পৰা আন ঘটনাৰ ফালে নাটকীয় কাহিনী স্বাভাৱিকভাৱে আগবাঢ়ি যায়। অন্ত বা পৰিসমাপ্তিয়ে আনক অনুসৰণ কৰে, কিন্তু তাক আৰু কোনেও অনুসৰণ নকৰে। মধ্যভাগে আনকো অনুসৰণ কৰে আৰু আনেও ইয়াক অনুসৰণ কৰে। নাটকীয় কাহিনী এটা নিৰ্দিষ্ট গঢ় লৈ আগবাঢ়িব লাগিব। ই দৈৱিক বা আকস্মিক হ'লে নহ'ব। ট্ৰেজেডি নিজৰ তথ্যৰ পৰাই আৰম্ভ হয় আৰু ই শূন্যত শেষ নহয়। নাটকীয় কাৰ্যই চৰিত্ৰ এটাক প্ৰতিনিধিত্ব কৰাক লক্ষ্য নকৰে। চৰিত্ৰ নাটকীয় কাৰ্যৰ সহায়কহে।



নাটকীয় কাৰ্যৰ মৰ্যাদা এক নন্দনতাত্ত্বিক প্ৰশ্ন। যি কোনো বস্তু এটা নান্দনিক দিশৰ পৰা সন্তোষজনক হ'বলৈ হ'লে পৰিমাণ বিশিষ্ট আৰু সুগঢ়ী হ'ব লাগিব। ই বৰ ডাঙৰো হ'ব নালাগিব আৰু নিচেই সৰু হ'বও নালাগিব। নাটক এখনৰ দৈৰ্ঘ্যৰ লগত ট্ৰেজিক গতিবেগ সৃষ্টিৰ সম্পৰ্ক আছে। নাটকীয় কাৰ্যত উপসংহাৰ বা সৰ্বশেষৰ সুৰ এটাও থাকিব লাগিব।

পুতৌ আৰু ত্ৰাস বোধহয় ট্ৰেজেডিৰ আটাইতকৈ বেছি আলোচনা হোৱা পৰিভাষা। নন্দনতাত্ত্বিক অনেক চিন্তা চৰ্চা ইয়াৰ পৰাই আৰম্ভ হয়। এৰিষ্টটলৰ মতে চমৎকাৰ উপায়েৰেও পুতৌ আৰু ত্ৰাস উদ্ৰেক কৰিব পাৰি অথবা নাটকৰ আভ্যন্তৰীণ গাঁথনিৰ মাজৰ পৰাও পুতৌ আৰু ত্ৰাসৰ উদ্ৰেক হ'ব পাৰে। এৰিষ্টটলে কৈছে, 'কাহিনী এনেদৰে নিৰ্মাণ কৰা হ'ব লাগিব যে চকুৰে ঘটনা নেদেখাকৈও যি কাহিনীটো কৈ যোৱাও শুনিব, তেৰোঁ ত্ৰস্ত হৈ পৰিব আৰু ঘটি যোৱা ঘটনাৰ প্ৰতি তেওঁৰ পুতৌ হ'ব।' (The plat aught to be so constructed that even without the aid of the eye, he who hears the tale told with thrill with horror and melt to pity at what takes Place.)

এৰিষ্টটলৰ মতে ৰজা ইডিপাছৰ কাহিনীটো কোনোবাই কাৰোবাক কৈ গ'লেও শ্ৰোতাৰ মনত পুতৌ আৰু ত্ৰাসৰ উদ্ৰেক হ'ব। এৰিষ্টটলে এই প্ৰসংগত বিকটক ভয়ানকৰ পৰা পৃথক কৰিছে যিসকলে দৰ্শকৰ দৃষ্টি আকৰ্ষণৰ উপায় অৱলম্বন কৰি কেৱল বিকটৰ ভাব সৃষ্টি কৰে তেওঁলোক ট্ৰেজেডিৰ বাবে আচহুৱা ব্যক্তি। এই প্ৰসংগতে প্ৰখ্যাত সমালোচক টিআৰ হেনে তেওঁৰ The harvest of tragedy গ্ৰন্থত আলোচনা কৰা পুতৌ আৰু ত্ৰাস সম্পৰ্কীয় নটা তত্ত্বৰ কথা আলোচনা কৰিব পাৰি। এই তত্ত্বসমূহে পুতৌ আৰু ত্ৰাসৰ ধাৰণাক বিভিন্ন ধৰণেৰে ব্যাখ্যা কৰিছে। এই তত্ত্বসমূহ হ'ল আনন্দকৰ নিৰাপত্তা তত্ত্ব, সন্তুলিত শক্তিৰ তত্ত্ব, জেইমছ জয়চৰ তত্ত্ব, প্ৰতিষেধক তত্ত্ব, প্ৰকৃত পৰিমাণলৈ হ্ৰাসকৰণ তত্ত্ব, চেডিষ্টিক মেছকিষ্টিক তত্ত্ব, পুৰাণকথা-আচাৰপালন তত্ত্ব আৰু লুকাছৰ তত্ত্ব।

আনন্দকৰ নিৰাপত্তা তত্ত্ব মতে ট্ৰেজেডি নাটক এখন চাই থাকোতে দৰ্শকৰ অবাধে চকুপানী ওলাই আহিব পাৰে। দৰ্শকৰ এই দুখ বা যন্ত্ৰণাৰ সমানে আনন্দ প্ৰাপ্তিও ঘটে। উত্তেজনাৰ অন্তত তেওঁ আনন্দ আৰু নিৰাপত্তা অনুভৱ কৰে। সমালোচক আই এ. ৰিছাৰ্ডচৰ মতে পুতৌ হ'ল দৰ্শকৰ পৰা ট্ৰেজিক নায়ক বা নায়িকাৰ ফালে আগবাঢ়ি যোৱা এক অনুভূতি আৰু ত্ৰাস হ'ল নিজৰ ফালে পিছুৱাই অহা অনুভূতি। ট্ৰেজেডি নাটক চাই থকা দৰ্শকৰ মনত এই ধৰণৰ আবেগ-অনুভূতিৰ উদ্ৰেক হয় আৰু আবেগ-অনুভূতিয়ে এইদৰে অগাপিছা কৰি থকাৰ অন্তত দৰ্শকৰ মনত আবেগ-অনুভূতিৰ আতিশয্যৰ ঠাইত সন্তুলিত অৱস্থা এটাই ঠাই পায়। জেইমছ জয়চৰ তত্ত্ব মতে পুতৌৱে মানুহৰ যন্ত্ৰণাত যি গম্ভীৰ আৰু অপৰিৱৰ্তনীয় তাৰ উপস্থিতিত মনটোক বন্দী কৰি যন্ত্ৰণা কাতৰ মানুহজনৰ লগত একত্ৰিত কৰে আৰু ত্ৰাসৰ অনুভূতিয়ে মানুহৰ যন্ত্ৰণাত যি গম্ভীৰ আৰু অপৰিৱৰ্তনীয় তাৰ উপস্থিতিত মনটোক বন্দী কৰি যন্ত্ৰণাৰ গোপন কাৰণৰ লগত সংযুক্ত কৰে। (Pity is the feeling which arrests the mind in the presence of what soever is grave and constant in human suffering and unites it with the human sufferer and terror is the feeling which arrcsts the mind in the pressence of whatsoever is grave and constant in human suffering and unites it with the secret cause). প্ৰতিষেধক তত্ত্বৰ মতে ট্ৰেজেডিয়ে দৰ্শকক কম পৰিমাণত অপকাৰবিহীন অনুভূতিৰ যোগান ধৰে, ই প্ৰতিষেধকৰ কাম কৰে। থিয়েটাৰত দৰ্শকে প্ৰতিষেধক ঔষধৰ দৰে আবেগৰ পালি গ্ৰহণ কৰিব পাৰে। কিন্তু বাস্তৱ জীৱনত তেনে আবেগ বিপজ্জনক বদ্ধসংস্কাৰ হৈ যাব পাৰে। এই ক্ষেত্ৰত ট্ৰেজেডিক ৰোগ প্ৰতিষেধক আনুষ্ঠানিকতা হিচাপে ধৰা হয়। ইয়াৰ ভিত্তিত থকা বিশ্বাসটো হ'ল অমংগলক ঘনাই মঞ্চস্থ কৰি থাকিলে অমংগল নঘটে। প্ৰকৃত পৰিমাণলৈ হ্ৰাস কৰণ তত্ত্ব মতে মানুহে নিজৰ দুখ-যন্ত্ৰণাক অতিৰঞ্জিত কৰি চোৱাৰ প্ৰৱণতা এটা আছে। ট্ৰেজেডি নাটকৰ নায়ক বা নায়িকাৰ যন্ত্ৰণাক যেতিয়া বিপুল হাৰত মানুহে মঞ্চত দেখা পায়, তেতিয়া সেই দুখ যন্ত্ৰণাক নিজৰ দুখ-যন্ত্ৰণাৰ লগত তুলনা কৰি নিজৰ দুখক প্ৰকৃত পৰিমাণত উপলব্ধি কৰিব পাৰে।

আনৰ যন্ত্ৰণা দেখি মানুহ এজনে পোৱা আনন্দ চেডিজম। আনৰ যন্ত্ৰণাত পোনপটীয়াকৈ চেডিজমৰ অভিজ্ঞতা লাভ কৰা হয়। বহল অৰ্থত ইয়াত সংজ্ঞা এইদৰে দাঙি ধৰিব পাৰি যে ই হ'ল যে নিপীক্ষকজনে নিৰীক্ষণ কৰা বাহিৰৰ জগতখনত দেখা পোৱা সংশোধনৰ পৰা লাভ কৰা আনন্দ। (The pleasure felt from the observed modification and the external world produced by the observer) যন্ত্ৰণাৰ ওচৰত স্বেচ্ছাই কৰা সমৰ্পণৰ পৰা পোৱা আনন্দই মেছকিজম। চেডিজম আৰু মেছকিজমক প্ৰায়েই যৌন বিকৃতিৰ লগত সংযুক্ত বুলি কোৱা হয়। অৱশ্যে স্বাভাৱিক অনুভূতিক বাদ দি সিবিলাকৰ ওপৰত জোৰ দিলেহে তেনে হয়। নিয়ন্ত্ৰিত বা সহনীয় পৰিমাণত সিবিলাক যৌন কাৰ্যৰ স্বাভাৱিকতাৰ লগত মিলি থাকে।



পুৰাণ কথা-আনুষ্ঠানিকতা তত্ত্বৰ মতে ট্ৰেজেডিৰ পৰা লাভ কৰা আনন্দক আংশিকভাৱে অচেতন মনৰ ওপৰত ইয়াৰ অভিঘাত হিচাপেও ব্যাখ্যা কৰিব পাৰি। য়ুং আৰু কেৰেণয়ীৰ Introduction to a Science of mythology গ্ৰন্থৰ পৰা উদ্ধৃতি দি T.R Henn-এ কৈছে পুৰণি কথা গঠনৰ উপাদানসমূহ মানুহৰ অচেতন মনৰ মাজত নিশ্চয় উপস্থিত থাকিব লাগিব। অচেতন মনৰ উৎপাদনসমূহৰ নিৰ্দিষ্ট ৰূপ পৰিগ্ৰহ কৰা পুৰাণকথা বুলি ক'ব নোৱাৰি। সিবিলাকক বিষয় বা উপাদান, আদিৰূপ, অথবা আদিম চিত্ৰকল্প বুলি ক'ব পাৰি। এই আদিৰূপবিলাক পৰম্পৰাৰ পৰা মুক্ত আৰু আনহাতে পুৰাণকথাবোৰে ঐতিহাসে ঢুকি নোপোৱা কালৰে পৰা পৰম্পৰাগত ৰূপৰ লগত সম্পৰ্ক ৰক্ষা কৰি আহিছে। হেনে এই কথাও আঙুলিয়াই দেখুৱাইছে যে ট্ৰেজেডিৰ এটা আচাৰগত দিশো আছে, যিটো সময়ৰ সোঁতত তল পৰিবলৈ ধৰিছে। এই দিশটোৰ অচেতন মনত থকা পুৰাণ-কথা সৃষ্টি কৰিব পৰা উপাদানৰ লগত সম্পৰ্ক। আদিম কালত ৰজাৰ মৃত্যুৰ লগত অনেক মূল্য জড়িত আছিল। গোষ্ঠীটোৰ বাবে তাত ছাগলীৰ ওপৰত পাপৰ বোজা জাপি দি গোষ্ঠীটোৰ মংগল কামনা কৰা বলি সংক্ৰান্তীয় মূল্য আৰু উৰ্বৰা শক্তিৰ পূজা জড়িত আছিল। ব্যক্তিজনৰ ইতিমধ্যে মনস্বাত্ত্বিক দিশত কম-বেছি পৰিমাণে যি স্থানান্তৰণ হয়, সেই কথাও গুৰুত্বপূৰ্ণ। ট্ৰেজেডিৰ লগত জড়িত আদিম ৰূপ সাব্যস্তকৰণ আৰু সমৰ্পণৰ মাজত এক ধৰণৰ দ্বন্দ্ব। এই দুই প্ৰৱণতাৰ মাজত সৃষ্টি হোৱা আততি আৰু এটাৰ আনটোৰ ওপৰত হোৱা প্ৰতিক্ৰিয়াৰ পৰা ট্ৰেজিক দৃষ্টিকোণ অনুভূতিৰ উদয় হয়। টি আৰ হেনে অৱশ্যে এই কথাও পৰিষ্কাৰকৈ কৈছে যে সকলো নাটকীয় চিত্ৰকল্পৰ আদিমৰূপৰ চিত্ৰকল্পৰ লগত সম্পৰ্ক নাই আৰু সিবিলাকৰ ফলাফলো সদায় বিশেষ মনস্তাত্ত্বিক উপশমৰ ফালে নহয়।

লুকাছৰ তত্ত্বটো এফএল লুকাছৰ ট্ৰেজেডি শীৰ্ষক গ্ৰন্থৰ তৃতীয় অধ্যায়ত আলোচনা কৰা হৈছে। ট্ৰেজেডিৰ আনুভূতিক অভিঘাতৰ বিষয়ে ইয়াত এইদৰে কোৱা হৈছে। 'অনুভূতিৰ পৰা পৰিত্ৰাণ পাবলৈ আমি ট্ৰেজেডি নাটক চাবলৈ নাযাওঁ, আমি যাওঁ অনুভূতিৰ ভোজ উৎসৱত যোগ দিবলৈ। অনুভূতিক পৰিশোধন কৰিবলৈ নহয়। আমাৰ জীৱন প্ৰায়েই নিৰস, জীৱন চুটি আৰু ইয়াৰ পৰিসীমাও সীমিত। নাটক বা গল্প-উপন্যাসত আমি কিছু বেছি বদলি স্বৰূপ উপভোগ কৰিব পাৰো। ট্ৰেজিক হ'বলৈ হ'লে অৱশ্যে অভিজ্ঞতাত নিৰ্দিষ্ট বিশেষ গুণ থাকিব লাগিব। আন কলা কেৱল ঘূণীয়া হ'লেও হয়, কিন্তু ট্ৰেজেডি বুলি কৈ জীৱনৰ প্ৰতি মৌলিকভাৱে সত্য হৈ থকা কলাকহে বুজাও। ই সম্পূৰ্ণ সত্য হোৱাৰ প্ৰয়োজন নাই, কিন্তু ই সত্য হ'বই লাগিব।'

ট্ৰেজিক কেথাৰচিছৰ ওপৰত মন্তব্য দি বুচ্ছাৰে কৈছে যে পৰিভাষাটোৱে ৰোগ বিদ্যা বা মনস্বত্ত্বৰ তথ্যকে কেৱল প্ৰকাশ কৰে, ই এটা কলাৰো নীতি। হিপ'ক্ৰেটচ স্কুলৰ চিকিৎসা বিজ্ঞান পৰিভাষাত কেথাৰচিছ পৰিভাষাটোৱে শৰীৰৰ পৰা বেদনাদায়ক অথবা আমনি কৰি থকা উপাদানক আঁতৰাই পেলোৱাৰ কথা বুজায়। এতেকে বাহিৰা বস্তুক আঁতৰাই থকাখিনিক শোধন কৰাৰ কথা বুজায়। ট্ৰেজেডিৰ ক্ষেত্ৰত এই পৰিভাষাটোক প্ৰয়োগ কৰি তেওঁ দেখা পাইছে যে বাস্তৱ জীৱনত পুতৌ আৰু ত্ৰাসৰ মাজত কেতবোৰ অস্বাস্থ্যকৰ আৰু ৰোগগ্ৰস্ত উপাদান সোমাই থাকে। ট্ৰেজেডি নাটকে সৃষ্টি কৰা উত্তেজনাত সেইবিলাকৰ পৰা উপশম পোৱা যায় আৰু ৰোগগ্ৰস্ত উপাদানবোৰক আঁতৰাই পেলোৱা হয়। তেওঁ আৰু কৈছে যে ট্ৰেজেডি কেৱল পুতৌ আৰু ত্ৰাসৰ বাবেই ওলাই যোৱাৰ বাট নিৰ্ধাৰণ নকৰে, তাৰ মাজেদি বৈশিষ্ট্যসূচক নান্দনিক আনন্দও দান কৰে আৰু কলাৰ মাধ্যমেৰে যাওঁতে অনুভূতিবোৰক শোধন কৰে। (আগলৈ)

ফোন ঃ ৯৮৬৪২৩২০৮৬

# থমাছ মানৰ লিটল লিজি

## এটা চৰিত্ৰৰ 'অপমৃত্যু'



**সমাজত** বিভিন্ন শ্ৰেণীৰ মানুহ আছে। সেইদৰে বিভিন্ন শ্ৰেণীৰ মানুহৰ ব্যক্তিত্বও ভিন ভিন হয়। লেখকসকলে নিজৰ সৃষ্টিত ভিন্নধৰ্মী চৰিত্ৰসমূহক লৈয়েই 'খেলা' কৰে আৰু একোটা অনবদ্য সৃষ্টি নিৰ্মাণ কৰে। থমাছ মানৰ গল্প সৃষ্টিসমূহতো এই বৈশিষ্ট্য পৰিলক্ষিত হয়। তেওঁৰ গল্পৰ সৰহভাগ চৰিত্ৰ জীৱনক লৈ মোহভংগ হোৱা চৰিত্ৰ। সেই চৰিত্ৰসমূহ জীৱনপথৰ কোনোবা নহয় কোনোবা এটা কেঁকুৰিত উজুটি খোৱা চৰিত্ৰ। জীৱনৰ বিফলতাই সিবিলাকক বিধ্বস্ত কৰিছে। মানুহ আৰু ব্যক্তি হিচাপে নিজক অন্যৰ তুলনাত অযোগ্য, অজ্ঞানী, পৃথিৱীৰ অলাগতিয়াল বোজাৰূপে জ্ঞান কৰা সিবিলাকৰ স্বভাৱ হৈ পৰে। এই হীনাত্মিক মনোভাৱৰ বাবে সেই চৰিত্ৰসমূহ উধাব নোৱাৰে। থমাছ মানৰ 'লিটল লিজি' গল্পটোৰ পাত্ৰ অধিবক্তা জেকবি এনে এক মানসিকতাৰ বলি হৈছিল।

প্ৰাত্যহিক জীৱনত, সামাজিক আদান-প্ৰদান কৰোতে আমি বিভিন্ন প্ৰকৃতি আৰু ভিন্ন অৱয়বৰ ব্যক্তিৰ সংস্পৰ্শলৈ আহো। সেই সংস্পৰ্শই আমাৰ মনত বিভিন্ন ভাৱনাৰ সৃষ্টি কৰে, প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰে। আমি বিবেকবান, জীৱশ্ৰেষ্ঠ। তাৰ সূত্ৰ ধৰিয়েই আমাৰ মনত অহৰহ এটা ভাবে ক্ৰিয়া কৰি থাকে। সেয়া হৈছে যে সকলো মানুহেই সমান। এই 'সমান' পদটোৰ অৰ্থ বুজাবলৈ গ'লে বহুত প্ৰসংগই আমাক জুমুৰি দি ধৰিব পাৰে। আমি মাথোন 'আৱয়বিক' দৃষ্টিকোণৰ পৰা এই পদটো বিচাৰ কৰিলে কিছুমান বিশেষ লক্ষণ দৃষ্টিগোচৰ হ'ব। নিজৰ শাৰীৰিক অৱয়বৰ গতিক লৈ সমাজৰ এচাম লোক হীনাত্মিক মনোভাৱত ভোগা পৰিলক্ষিত হয়। তেওঁলোকৰ লগ-সমনীয়াসকলে ধেমালিৰ ছলেৰে হওক বা ইতিকিং কৰাৰ মানসেৰে হওক তেওঁলোকৰ শাৰীৰিক ত্ৰুটি বা সীমাবদ্ধতাৰ কথা মনত পেলাই দিলে তেনে লোকৰ

## সাহিত্যৰ ৰূপৰেখা

## ড° নিভাৰাণী ফুকন



সংবেদনশীল মনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। কিন্তু তেনে ব্যক্তিক তেনেদৰে মানসিক আঘাত দিয়াজনে সেই কথা চিন্তা নকৰে। ফলত দুৰ্ভগীয়াজনৰ মানসিক যাতনা বৃদ্ধি পোৱাৰ পূৰ্ণ অৱকাশ থাকে। কেৱল সিমানেই নহয়, তেওঁ ভোগ কৰি থকা হীনাত্মিক মনোভাৱৰ স্তৰ বৃদ্ধি হ'ব পাৰে। তাৰ পৰিণতি ভয়ংকৰ অথবা মৰ্মান্তিক হ'ব পাৰে। জীৱশ্ৰেষ্ঠ মানুহ এচামৰ বিবেকশূন্য, হৃদয়হীন আচৰণৰ বাবে তেওঁলোকৰ মাজৰ একাংশৰ জীৱন কিদৰে তিলতিলকৈ নিঃশেষ হৈ যায় তাৰ এক মাৰ্মিক চিত্ৰ থমাছ মানৰ 'লিটল লিজি' গল্পটোৰ মাজেদি প্ৰকাশ পাইছে।

চল্লিশ বছৰ বয়সীয়া এজন স্থূলকায় ব্যক্তি জেকবি। তেওঁৰ দুভৰি যেন প্ৰাপ্তবয়স্ক হাতী এটাৰ ভৰি। তেওঁৰ মধ্যদেহ আৱৰি থকা কোটচোলাটোৰ বুটাম খুলি দিলে যেন হেঁচা খাই থকা ভাঁজ লগা তাঁৰৰ দৰে পেটটো সন্মুখলৈ ওলাই পৰিব! আহল-বহল পিঠিখন যেন এটা প্ৰকাণ্ড ভালুকৰ পিঠিহে। গলধনৰ চিন-ছাব নাই। মেদবহুলতাৰ বাবে পিঠিৰ ওপৰত মূৰটো লাগি থকা যেন দেখি। মেদবহুল মুখমণ্ডললৈ দৃষ্টি ঘূৰালে থুতৰিত দুডালমান শুকান ঘাঁহৰ দৰে দুই-এডাল ডাড়ি সিঁচৰতি হৈ আছে। সেইদৰে টপা মূৰটোতো দুই-এডাল চুলিৰ বাহিৰে বাকী পৃষ্ঠদেহ মুকলি, চকচকীয়া। তাৰ পৰা সহজেই অনুমেয় জেকবিৰ অৱয়বটো কেনেকুৱা হ'ব পাৰে।

তাৰ বিপৰীতে, তেওঁৰ ত্ৰিশ বছৰ বয়সীয়া পত্নী আম্ৰা দেখিবলৈ শুৱনি, সুস্বাস্থ্যৰ অধিকাৰিণী আছিল। পতি-পত্নী হিচাপে তেওঁলোক দুয়োৰে কোনো মিল নাছিল। দুয়ো ফুৰিবলৈ গ'লে পথচাৰীয়ে কেৰাহীকৈ হ'লেও তেওঁলোকলৈ চাইছিল। কোনো কোনোৱে সেই অদ্ভুত বিযুৰীয়া যোৰা দেখি পুতৌৰ দৃষ্টিৰে প্ৰত্যক্ষ কৰিছিল। জুখি-মাখি কথা কোৱা সাৱধানী অথচ অধিক চতুৰ আম্ৰাৰ মনোভাৱ বুজা টান। পিছে জেকবিয়ে তেনে দৃষ্টি দেখি অধোমুখ হৈছিল-- যেন তেওঁ এজন ডাঙৰ অপৰাধীহে। সম্ভৱতঃ তেওঁ এটা দিশতে সৌভাগ্যৱান আছিল যাৰ বাবে তেওঁ আম্ৰাৰ নিচিনা সুন্দৰী পত্নীৰ পতি হোৱাৰ গৌৰৱ লাভ কৰিছিল। তেওঁ এগৰাকী অৱস্থাপন্ন উকীল আছিল। ঐশ্বৰ্যশালী হোৱাৰ বাবেই যেন তেওঁ আম্ৰাৰ নিচিনা সুন্দৰী স্ত্ৰীৰ 'অধিকাৰী' হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল।

হীনমন্যতাত ভোগা এই জেকবি নামৰ চৰিত্ৰটো ধন-সম্পদেৰে ঐশ্বৰ্যশালী আছিল যদিও নিজৰ মানসিক দুৰ্বলতাৰ বাবে আনন্দ-উল্লাসৰ মাজত থাকি জীৱনটো উপভোগ কৰিব জনা নাছিল। নিজৰ ভীৰুতাৰ বাবেই হওক বা কাপুৰুষালিৰ বাবেই হওক নিজৰ পত্নীৰ ওচৰত তেওঁ নিজকে এজন 'সক্ষম পতি' ৰূপেও দাঙি ধৰিব পৰা নাছিল। গতিকে এগৰাকী স্বাস্থ্যৱতী, জীৱনটো ভোগ কৰিব জনা যুৱতী নাৰীৰ দৃষ্টিত তেওঁ পুতৌৰ পাত্ৰ হোৱাটো স্বাভাৱিক। অৱশ্যে আম্ৰায়ো নিজৰ পত্নীধৰ্ম পালন কৰা নাছিল। এই ৰহস্যময়ী, ছলনাময়ী নাৰীয়ে জেকবিৰ নিচিনা সহজ-সৰল অথচ নিৰসমনা পতিক প্ৰতাৰণা কৰি এজন কম বয়সীয়া শিল্পীৰ লগত দৈহিক সম্পৰ্ক ৰক্ষা কৰিছিল। জেকবিৰ বাহিৰে গোটেই চহৰখনেই আম্ৰা আৰু সেই তৰুণ শিল্পী আলফ্ৰেড লট্‌নাৰৰ সম্বন্ধৰ কথা জানিছিল। পিছে কোনেও মুখ ফুটাই সেই কথাযাৰ কোৱা নাছিল।

গল্পটোত গল্পকাৰে এনে এখন উদাসীন সমাজৰ চিত্ৰণ কৰিছে য'ত কোনো সদাশয় ব্যক্তি জেকবিৰ নিচিনা আপচু বাহ্যিক অৱয়বৰ মাজত লুকাই থকা সৰল মনটোৰ কথা জানিবলৈ বা বুজিবলৈ আগ্ৰহী নহয়। জেকবি কাপুৰুষ হ'ব পাৰে, তেওঁ ভীৰু, হীনমন্যতাত ভোগা ব্যক্তি হ'ব পাৰে। কিন্তু আম্ৰাৰ প্ৰতি থকা তেওঁৰ প্ৰেম আৰু আকৰ্ষণবোধ আছিল নিভাঁজ। গল্পটোৰ আৰম্ভণিতে গল্পকাৰে দুয়োৰে পাৰিবাৰিক জীৱনৰ তেনে এক মাৰ্মিক চিত্ৰ অংকন কৰিছে য'ত তেওঁৰ পত্নীৰ বিশ্বাসঘাতকতা আৰু উদাসীনতাৰ মাৰ্মিক ৰূপ পৰিস্ফূট হৈছে।

সন্ধিয়াবেলিকা তেওঁ তেওঁৰ পত্নীৰ শোৱনি কোঠাত প্ৰৱেশ কৰি শয্যাত বিশ্ৰাম লৈ থকা পত্নীৰ লৱণু কোমল হাত এখনত স্পৰ্শ কৰি চুমা যাচিছে আৰু আধা পোহৰ আধা ছাঁই খেলা কৰি থকা ৰহস্যময় পোহৰত তেওঁৰ পত্নীৰ মুখ আৰু চকুত গিৰীয়েকৰ প্ৰতি ঘৃণা আৰু যৌন আবেদনমিশ্ৰিত চাৱনিয়ে খেলা কৰি আছিল। সেই ৰহস্যময় আৱেশত কঁপা কঁপা কণ্ঠৰে জেকবিয়ে আঁতুৰভাৱে পত্নীক কৈছিল -

"Amra, my dear Amra! I beg you to listen, for it is so very hard to express what I feel : I love you so much that sometimes my heart contracts and I do not know where to turn. I love you beyond my strength..."

সেই ছলনাময়ী নাৰীয়ে খুব সুন্দৰ অভিনয় কৰি জেকবিক সন্তুষ্ট কৰিছিল। কিন্তু সৰলমনা অথচ নিৰ্বোধ ব্যক্তিগৰাকীয়ে এইটো তেওঁৰ লগত শ্লেষপূৰ্ণ ব্যৱহাৰহে কৰিছিল। গল্পকাৰৰ ভাষাত--

"Amra would feel moved; she would stroke her husband's bristles and say over and over, in the soothing, contemptuous singing one uses to a dog who comes to kick one's feet: Yes, yes, good doggy, good doggy."

নিজৰ প্ৰেমিকৰ সংগ সুখ লাভ কৰাৰ বাবেই হওক বা নিজৰ সামাজিক মৰ্যাদা বৃদ্ধিৰ বাবেই হওক আম্ৰাই এটা ভোজমেলৰ আয়োজন কৰিলে য'ত সংগীত-নৃত্যৰ সমাহাৰ ঘটিব। সেয়ে নিজৰ প্ৰেমিক শিল্পীক অনুষ্ঠানটিৰ বাবে সংগীত ৰচনা কৰিবলৈ দিলে আৰু নিজৰ পতিক এটা বিশেষ আমোদজনক নৃত্য প্ৰদৰ্শন কৰিবলৈ সৈমান কৰালে। আম্ৰা অতি দৃঢ়মনা আছিল। দুৰ্বলমনা জেকবিয়ে অনিচ্ছাস্বত্বেও পত্নীৰ আজ্ঞা শিৰোধাৰ্য কৰি সেই শিল্পীয়ে সুৰবদ্ধ কৰা সংগীতৰ তালে তালে "Little Lizzy" শীৰ্ষক নৃত্য প্ৰদৰ্শন কৰিলে। তেওঁৰ পিন্ধনত আছিল এটা চুটি ফ্ৰক আৰু অন্যান্য আনুষংগিক সাজপাৰ। সেই চুটি-চাপৰ, স্থূলকায় পুৰুষজনে নৃত্য কৰিলে কেনে পৰিস্থিতি হ'ব পাৰে সেয়া সহজেই অনুমেয়। তদুপৰি তেওঁৰ সংগীত বা নৃত্যৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাছিল। তেওঁৰ নৃত্যটো তাত উপস্থিত দৰ্শকে শিলপৰা কপৌৰ দৰে থৰ লাগি চাইছিল। অৱশ্যে সেই চকুৰ চাৱনিৰ ভাষা নৃত্যৰ শেষতো নৃত্য কৰি থকা জেকবিয়ে বুজি পাইছিল। সেই চৰম মুহূৰ্তত তেওঁৰ বোধোদয় হ'ল। তেওঁৰ বুজিবলৈ বাকী নাথাকিল যে তেওঁৰ হীনমন্যতা আৰু নিৰ্বোধিতাৰ সুযোগ ইমানদিনে লৈ অহাৰ পাছত আম্ৰাই সিদিনা মোক্ষম আঘাত হানি তেওঁৰ আত্মসন্মানবোধত প্ৰৱল আঘাত কৰিলে। তেতিয়াহে আচলতে নিজৰ বাস্তৱ স্থিতিৰ বিষয়ে তেওঁৰ জ্ঞান হ'ল। সেই আঘাত মৰ্মস্পৰ্শী আছিল। আৰু তাৰ ফলতে তেওঁৰ মৃত্যু ঘটিল।

মন কৰিবলগীয়া যে গল্পটোৰ আৰম্ভণিতে পাঠকৰ মনত জেকবি চৰিত্ৰটোৰ প্ৰতি পুতৌ জন্মে আৰু লগতে চৰিত্ৰটোৰ হীনাত্মিকতাবোধৰ প্ৰতি কেতিয়াবা বিৰক্তিবোধো জন্মিব পাৰে। কিন্তু গল্পটোৰ পৰিণতিত সেই একেটা চৰিত্ৰৰ 'অপমৃত্যু'ত পাঠকৰ মন আৰ্দ্ৰ হৈ পৰে। গল্পকাৰৰ সাৰ্থকতা তাতেই; পাঠক তেওঁৰ কাহিনী আৰু চৰিত্ৰৰ স'তে একাত্ম হৈ আগবাঢ়ে। গল্পকাৰ থমাছ মানৰ অতুলনীয় দক্ষতাৰ উমান পাবলৈ হ'লে এনেধৰণৰ তেওঁৰ এটা গল্পই যথেষ্ট যদিও ৰসগ্ৰাহী পাঠকক তাতে বান্ধি ৰাখিব নোৱাৰে।

neevarani11@gmail.com

## হিতাধিকাৰী

### অৰূপজ্যোতি হাজৰিকা

হিতাধিকাৰীৰ তালিকা প্ৰস্তুতৰ বেলিকা
কাঠ বুলি ভৰি নিদিব
ঘঁৰিয়ালৰ পিঠিত
তাৰ পাছত সন্ধ্যা বতাহৰ হোঁ-হোঁৱনি
আৰু দেখিব জোনাকীৰ চকুপানী।

মুখামুখিকৈ কথাবোৰ কোনেও নকয়
মূলৰ পৰা আঁতৰিলেই পৰচৰ্চা হয়
সৰগ-খেৰৰ জুইয়ে তাকেই কয়।

দিলেই ভাল নিদিলেই বদনাম
কথাষাৰ কৈ
মানুহবোৰ মিলি যাব খোজে ৰ'দৰ লগত।



## বতাহ

### ড° নিৰূপা ৰয় বৰুৱা

তোমাৰ কবিতাৰ ছন্দত
বৰষুণ সৰে

তিতি-বুৰি যাওঁ
শান্তিৰ কপৌ
বিচাৰি

সোমাই আহে
হালধীয়া বতাহ।

## জীৱনৰ নাট

### ড° অৰুণজ্যোতি দত্ত



জীৱনৰ নাট কিমান চাম আৰু কিমান অনুভৱ কৰিম?
কেতিয়াবা হাঁহো, কেতিয়াবা কান্দো
এক অবুজ বেদনা লৈ।
অনুভৱ হিচাপে আছে কেৱল
হুমুনিয়াহ হুমুনিয়াহ হুমুনিয়াহ।

মানুহ মাত্ৰেই হাঁহি-কান্দোনৰ খেল
বিবেক আছে কিন্তু আবেগ নাই,
আবেগ আছে কিন্তু বিবেক বন্ধ কোঠালীত
এয়া কেৱল কিয়?
নিজস্বতা নাথাকিলে একোতে জয় হ'ব নোৱাৰে,
দম্ভ, খেয়াল কেৱল দুদিনৰ বাবে,
নিজেই বিলুপ্তিৰ পথত চিৰ জীৱনৰ বাবে।

## দুখ নিদিবা আৰু মোক

### কল্যাণ কুমাৰ পহুকটীয়া



সোমাই নাহিবা এতিয়াই
যদিওবা খোলা আছে দুৱাৰ
অৱশ্যে ঘৰটোৰ ভিতৰত কোনো নাই মোৰ বাহিৰে
মইতো ভিতৰত অকলে থাকো
দুখক সংগী কৰি অনবৰত
আৰু নিশাবোৰ পাৰ কৰো
চকুপানী লৈ দুগালত
তথাপি অনুভূতি নাই মোৰ মনত।
কাৰণ—
দুখকেই যেতিয়া আহিছো লৈ
এই জীৱনত।

## এখন অনন্য গল্প সংকলন নিগ্ৰোসত্তা

### প্ৰমোদ কাকতি

**কাব্যিক** অনুভৱ আৰু মনোৰম শব্দচয়নৰ সমাহাৰ হ'লে চুটিগল্পক কৌশলী কথাশিল্পৰূপে সাহিত্যৰ নৱতম সৃষ্টি বুলি কোৱা হয়। একোটা চুটিগল্পত কাহিনীৰ এটা বিশেষ মুহূৰ্ত অথবা কোনো বিশেষ চৰিত্ৰৰ বৈচিত্ৰ্যময় দিশ এটাৰ চিত্ৰ অংকন কৰা হয়। সাধাৰণভাৱে কাহিনী চৰিত্ৰ বা এটা পৰিৱেশ বৰ্ণনাত্মক কৰাৰ সলনি চুটিগল্পত অভিনৱ কৌশলেৰে ঘটনাপ্ৰবাহ দাঙি ধৰা হয়। ক'ৰ পৰা আৰম্ভ কৰি ক'ত শেষ কৰিব তাক চুটি গল্পকাৰে চিন্তা-পৰিকল্পনাৰে ৰূপদান কৰাৰ্থে কলম হাতত তুলি লয়। বক্তব্য প্ৰকাশত বুদ্ধি আৰু চাতুৰীৰ প্ৰয়োগে চুটি গল্পৰ আকৰ্ষণ বৃদ্ধি কৰে। চুটি গল্পত এটা নাটকীয় মুহূৰ্তৰ সৃষ্টি কৰি সামৰণিবিহীনভাৱে যৱনিকা পেলাব পাৰিলে ই সফলতা অৰ্জন কৰে। কিয়নো সৃষ্টিকাৰে আঁতিগুৰি মাৰি সকলো কথা কৈ দিয়াতকৈ এটা ইংগিত বহন কৰিলে বুধিয়ক পাঠক সমাজে চিন্তা কৰি অংকৰ উত্তৰ উলিওৱাৰ দৰে সমাধান সূত্ৰ বিচাৰি উলিয়াব পাৰিব। কবিতাৰ লেখীয়াকৈ চুটিগল্পতো প্ৰতীকী শব্দ, কলাত্মক, বাক্য আদিৰে ৰস সৃষ্টি কৰাৰ লগতে নিতান্তই অপৰিহাৰ্য শব্দ-বাক্যৰে ঘটনাক্ৰম আগবঢ়াই নিয়াতোহে কাম্য। অৰ্থাৎ চুটিগল্পৰ সীমাবদ্ধতাৰ কথা বিবেচনা কৰি কৃপণালিৰে অদৰকাৰী কথা পৰিহাৰ কৰাতোহে বাঞ্ছনীয়। এনেবোৰ কথা মনত ৰাখি চুটিগল্প লিখিলে স্বাভাৱিকতে ই মসৃণ, শ্ৰুতিমধুৰ, ৰসাল, মনোৰম আৰু আমোদদায়ক হৈ পৰে।

বিহংগম দৃষ্টিৰে ওপৰত উনুকিওৱা কথাৰ আঁত ধৰি পঢ়ি চোৱাৰ সৌভাগ্য হোৱা গল্পকাৰ মুনীন্দ্ৰ নাথ পাঠকৰ 'নিগ্ৰোসত্তা' নামৰ গল্পপুথিখনৰ ওপৰত এগৰাকী সাধাৰণ পাঠক হিচাপে অনুভৱ ব্যক্ত কৰা হ'ল। ইতিমধ্যে আমাৰ হাতত পৰা আৰু মতামত আগবঢ়োৱা গল্প সংকলনসমূহৰ তুলনাত 'নিগ্ৰোসত্তা' এক ব্যতিক্ৰম বুলি ধাৰণা হৈছে। নিগ্ৰোসত্তা নামটোৱেই পাঠকৰ মন সুদূৰলৈ টানি নিয়ে। চুটিগল্পসমূহ পঢ়ি যোৱাৰ লগে লগে গল্পকাৰ পাঠকৰ অধ্যয়নপুষ্ট মনৰ খবৰ পোৱা যায়। মানুহৰ সমাজ আৰু মানুহৰ চৰিত্ৰক তেওঁ গভীৰভাৱে উপলব্ধি কৰা কথা গল্পসমূহৰ গৰ্ভত প্ৰতিভাত হৈছে। তেওঁৰ ভাষা সাৱলীল শব্দই হৃদয় ছুই যায়। গল্প সজোৱাৰ ধৰণেই অনন্য। আনে নোকোৱা বা ক'বলৈ সাহস নকৰা বা শালিনতাৰ খাতিৰত বৰ্জন কৰা বিষয়ৰ প্ৰতি পাঠকৰ মোহ অপাৰ আৰু সেইসমূহক সংস্কৃত ৰূপত গল্প সাহিত্যত সুন্দৰৰ প্ৰলেপ সানি ৰসদান অৱস্থালৈ নিয়াৰ বাবে সততে আগ্ৰহী। নিগ্ৰোৰ জীৱনৰ সকৰুণ মৰ্ম কথা, শোকাৰ্ত ৰেফাৰীৰ কৰ্তব্য পৰায়ণতা, সন্তানহীনাৰ যন্ত্ৰণা, ভ্ৰূণখাদকৰ বীভৎস মানসিকতা, নাৰী ভক্ষকৰ পৈশাচিক কামনা, সম্পাদিকাৰ ভণ্ডামি, অপৰাধী বৃদ্ধৰ মৰ্মবেদনা, আধুনিক আদিমতাৰ বিলাপ, সন্ন্যাসীৰ কৌতূহলী মুহূৰ্ত আদি কথা বস্তুৰে গল্পকাৰ পাঠকে সমাজ আৰু জীৱনৰ মন-মগজু জুকিয়াই চাইছে। কোনো কোনো গল্পত বীভৎস আৰু শৃংগাৰ ৰসে ঠাই পালেও আদি ৰসে কিন্তু প্ৰায়বোৰ গল্পকে জোঁকাৰি গৈছে। চুটিগল্প হিচাপে প্ৰায়বোৰ গল্পই সাৰ্থক হোৱাৰ বিপৰীতে সংকলনখনত 'যযাতি'ৰ প্ৰয়োজন খাপখোৱা হোৱা-নোহোৱাটো পাঠক সমাজে বিচাৰ কৰি চাব।



গল্পকাৰ পাঠকৰ 'নিগ্ৰোসত্তা' গল্পৰ সংকলনটোত সৰ্বমুঠ ২৪টা গল্পক স্থান দিয়া হৈছে। ২১৬ পৃষ্ঠাৰ পুথিখন পাঠক সমাজে পুথিখন আদৰি ল'ব বুলি আমাৰ বিশ্বাস।

ফোন ঃ ৬০০৩২৬২৩৩০

## এখন অণু গল্পৰ সংকলন চাইকেলেৰে চন্দ্ৰত ভ্ৰমণ

### ড° দেবেন চন্দ্ৰ দাস

**সাহিত্যত** পুৰণি কালৰে পৰা নানা প্ৰকাৰে পৰীক্ষা-নিৰীক্ষা চলি আহিছে। মানুহ যিমানেই কৰ্মব্যস্ত হৈছে, সেই অনুযায়ী সাহিত্যৰ কিছুমান বিষয় চুটি কৰিবলগীয়া হৈছে। গল্পৰ ক্ষেত্ৰতো তেনেধৰণৰ পৰীক্ষা চলি আছে। অতি কম সময়তে, তিনি-চাৰি মিনিটতে পঢ়ি শেষ কৰিব পৰা চুটি চুটি গল্পৰ প্ৰচলন পৃথিৱীৰ বহুতো ভাষাত জনপ্ৰিয় হৈছে, বিশেষকৈ হিন্দী ভাষাত এইবিধ সাহিত্যৰ সৃষ্টি খৰতকীয়া হৈছে। অসমীয়া ভাষাত এইবিধ সাহিত্য বৰ বেছি প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰা দেখা নাই। অৱশ্যে পৰীক্ষামূলকভাৱে দুই-চাৰিজনে লিখাৰ চেষ্টা কৰিছে।



বঙাইগাঁৱৰ এজন শিক্ষক ময়দান আলী আহমেদ এজন নতুন লেখক হিচাপে সাহিত্য সৃষ্টিত মনোনিৱেশ কৰিছে। ইতিমধ্যে তেওঁৰ চাৰিখন পুথি প্ৰকাশ হৈছে। পঞ্চমখন পুথি হৈছে ৫০টা অণুগল্পৰ সংকলন 'চাইকেলেৰে চন্দ্ৰত ভ্ৰমণ'। পুথিখনৰ নামকৰণত তেওঁৰ বিনম্ৰতা প্ৰকাশ পাইছে। অসমীয়াত এষাৰ প্ৰবাদ বাক্য আছে 'বাওনা হৈ চন্দ্ৰলৈ হাত মেলা।'

ময়দান আলী আহমেদৰ অণুগল্পবিলাকৰ বেছিভাগেই আধা পৃষ্ঠাৰ। তেওঁৰ প্ৰতিটো গল্পতে ব্যঞ্জনা আছে। অণুগল্পত ব্যঞ্জনা থকাতো অনিবাৰ্য। তেওঁৰ গল্পবিলাকৰ নামকৰণো একেবাৰে সাধাৰণ সকলোৱে বুজি পোৱা। যেনে শৰদেহৰ বিলৈ, শ্ব'ৰুম, নতুন বেমাৰ, হৰ্ণ, ওলোমা কলম, কোমোৰা, চেক পোষ্ট, দগা-পাল্লা, পানচিং মেচিন, ঘুঘনী আদি।

তেওঁৰ এটা আধামিনিটীয়া গল্প এনে ধৰণৰ— 'চৌখিন মানুহসকলে এলছেছিয়ান কুকুৰবোৰক গলত ৰছী লগাই সুন্দৰ পানাহাৰ খুৱাই অফিচৰ চাকৰি কৰা বাবুৰ দৰে আৰামী চকী এখনত শুৱাই ৰাখে। এটা কুকুৰৰ বাবে পাঁচজনীকৈ পৰিচাৰিকা।

যত বিলাই ৰাস্তাৰ ভতুৱা কুকুৰহঁতৰ। য'ত যায় তাতে লাঠি-ঠেংৰা। ক'তো থিতাপি নাপায়। নিগাজি ঘৰো নাই ইহঁতৰ। এটাই আনটোৰ লগ পালে মহাভাৰতৰ কুৰুক্ষেত্ৰতকৈ কম নহয়। এই গল্পটোৰ নাম ভতুৱা কুকুৰ।

ময়দান আলী আহমেদৰ কল্পনা আৰু প্ৰকাশ ভংগী ভাল, কিন্তু ভাষা অলপ উন্নত কৰাৰ থল আছে। এনে গল্পৰ সূক্ষ্ম সমীক্ষাৰো প্ৰয়োজন আছে। ৫০টা গল্পৰ ৫৬ পৃষ্ঠাৰ কিতাপখন প্ৰকাশ কৰিছে নগাঁৱৰ আনন্দ প্ৰকাশে।

আহমেদৰ কলম নিৰন্তৰ চলি থাকক, তাকেই কামনা কৰিলো।

## এইবাৰ আৰ্জেণ্টিনাত প্ৰথম মংকীপক্স আক্ৰান্তক চিনাক্ত

**নিউজ ব্যুৰ', বুয়েনছ এয়াৰ্ছ, ২৯ মে' ঃ** আৰ্জেণ্টিনাত দুজন লোকৰ শৰীৰত মংকীপক্সৰ ভাইৰাছৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। অলপতে স্পেইনৰ পৰা আৰ্জেণ্টিনালৈ উভতি অহা লোক দুজনৰ শৰীৰত মংকীপক্সৰ উপসৰ্গই দেখা দিছে। ফলত লেটিন আমেৰিকাত প্ৰৱেশ কৰিলে মংকীপক্সে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি বৰ্তমানলৈকে বিশ্বৰ ২০ খনৰো অধিক দেশলৈ মংকীপক্সৰ সংক্ৰমণ বিয়পিছে। ব্ৰিটেইন, কানাডা, স্পেইন, জাৰ্মানী, ছুইডেন, অষ্ট্ৰেলিয়া আৰু আমেৰিকাৰ দৰে দেশত মংকীপক্সৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই প্ৰকাশ কৰা মতে, বৰ্তমানলৈকে বিশ্বত ২০০ৰো অধিক লোক মংকীপক্সত আক্ৰান্ত হৈছে।



## বিশ্বৰ সবাতোকৈ বয়স্ক নাগৰিকে পালন কৰিলে ১১৩ সংখ্যক জন্মদিন

**নিউজ ব্যুৰ', কাৰাকাছ, ২৯ মে' ঃ** বিশ্বৰ সাম্প্ৰতিক সময়ৰ সবাতোকৈ বয়স্ক নাগৰিক পেৰেজ ম'ৰাই যোৱা ২৭ মে'ত ১১৩ সংখ্যক জন্মদিন পালন কৰিলে। ভেনিজুৱেলাৰ নিবাসী পেৰেজৰ জন্মদিনত তেওঁৰ কেইজনমান বন্ধু আৰু আত্মীয়ই অংশ লয়। কেক কাটি পেৰেজে এই বিশেষ ওপজা দিন পালন কৰে। পেৰেজে প্ৰকাশ কৰা মতে, তেওঁ দৈনিক কুঁহিয়াৰৰ পৰা তৈয়াৰ কৰা এক বিশেষ সুৰা পান কৰি আহিছে। পুৱা সদায় তেওঁ একাপ কফি পানৰে দিনটো আৰম্ভ কৰে। কফি পানৰ কিছু সময় পাছতে পেৰেজে কুঁহিয়াৰৰ পৰা তৈয়াৰ কৰা সুৰাপান কৰে। উল্লেখ্য যে পেৰেজক গিনিজ ৱৰ্ল্ড ৰেকৰ্ডে অলপতে বিশ্বৰ সবাতোকৈ বয়স্ক জীৱিত ব্যক্তি হিচাপে স্বীকৃত দিছিল। চিকিৎসকে প্ৰকাশ কৰা অনুসৰি পেৰেজ শাৰীৰিকভাৱে যথেষ্ট সক্ৰিয় আৰু তেওঁ কেতিয়াও কোনো দৰৱ গ্ৰহণ কৰা নাই। অৱশ্যে পেৰেজ উচ্চ ৰক্তচাপ আৰু শ্ৰৱণ সমস্যাত আক্ৰান্ত হৈছে।



### বি পি চি এলৰ বেচৰকাৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ ঃ ইণ্ডিয়ান অভাৰচীজ বেংক-চেণ্ট্ৰেল বেংকৰ সৰহসংখ্যক শ্বেয়াৰ বিক্ৰী কৰিব

# পুনৰ চাৰি বেংকৰ বেচৰকাৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ, বিক্ৰী কৰিব বৃহৎ শ্বেয়াৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৯ মে' ঃ** ভাৰত পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেড (বি পি চি এল)ৰ বেচৰকাৰীকৰণ প্ৰক্ৰিয়া ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে আৰম্ভ কৰিছে। বি পি চি এলৰ লগতে কেন্দ্ৰীয় চৰকাৰে দেশৰ চাৰিটা ৰাষ্ট্ৰীয়কৃত বেচৰকাৰীকৰণৰ সিদ্ধান্ত লৈছে। অৱশ্যে এতিয়াও কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিকভাৱে বেচৰকাৰীকৰণৰ এই সিদ্ধান্তৰ কথা প্ৰকাশ কৰা নাই। কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী চৰকাৰে পূৰ্বে ৰাষ্ট্ৰীয়কৃত বেংকত ব্যক্তিগত বিনিয়োগৰ পথ প্ৰশস্ত কৰিবলৈ বেংকিং নিয়ন্ত্ৰণ আইন সংশোধন কৰিছিল। প্ৰকাশিত বাতৰি অনুসৰি সংসদৰ আগন্তুক বৰ্ষাকালীন অধিবেশনতে এখন বিধেয়ক গৃহীত কৰিব বিচাৰিছে কেন্দ্ৰৰ চৰকাৰে।

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে যোৱা বছৰত কৈছিল কেন্দ্ৰই কিছুমান ৰাষ্ট্ৰীয়কৃত বেংকৰ বেচৰকাৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব বিচাৰিছে। শেহতীয়া খবৰ অনুসৰি দেশৰ চাৰিটা মধ্যমীয়া পৰ্যায়ৰ বেংকৰ বেচৰকাৰীকৰণ কৰিব বিচাৰিছে মোদী চৰকাৰে। বেচৰকাৰীকৰণ কৰিবৰ বাবে প্ৰাথমিক তালিকাত স্থান লাভ কৰা বেংককেইটা হৈছে বেংক অব্ মহাৰাষ্ট্ৰ, বেংক অব্ ইণ্ডিয়া, ইণ্ডিয়ান অভাৰচীজ বেংক আৰু চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়া। অৱশ্যে নিটি আয়োগে আগবঢ়োৱা প্ৰস্তাৱ অনুসৰি ইণ্ডিয়ান অভাৰচীজ বেংক আৰু চেণ্ট্ৰেল বেংক অব্ ইণ্ডিয়াৰ সৰহসংখ্যক শ্বেয়াৰ বিক্ৰী কৰা হ'ব। মোদী চৰকাৰে নিটি আয়োগৰ এই প্ৰস্তাৱ স্বীকাৰ কৰিব পাৰে।






## কাশ্মীৰত পাকিস্তানী ড্ৰ'নক ভূপতিত কৰিলে ভাৰতীয় সেনাই

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২৯ মে' ঃ** জম্মু-কাশ্মীৰৰ কঠোৱা জিলাত অনুপ্ৰৱেশ কৰা এখন পাকিস্তানী ড্ৰ'ন গুলিয়াই ভূপতিত কৰিলে ভাৰতীয় সেনাই। কাশ্মীৰ আৰক্ষীয়ে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি এই ঘটনা সংঘটিত হ'ল ৰাজবাগ থানা অধীনস্থ তল্লি হৰিয়া চ'ক অঞ্চলত। পাকিস্তানৰ পৰা এখন ড্ৰ'নে ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল আৰু এই ঘটনা ধৰা পেলোৱাৰ পাছতে ভাৰতীয় সেনাই গুলিবৰ্ষণ কৰি ড্ৰ'নখন ধ্বংস কৰে।



## ২৪ ঘণ্টাত দেশত ২,৮২৮ জন হ'ল ক'ভিড আক্ৰান্ত, ১৪ জনৰ মৃত্যু

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৯ মে' ঃ** ভাৰতত যোৱা ২৪ ঘণ্টাত পুনৰ ক'ভিড সংক্ৰমণ বৃদ্ধি পালে। বিগত এদিনত দেশখনৰ বিভিন্ন ৰাজ্যত ২,৮২৮ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। বৰ্তমানে দেশত ১৭,০৮৭ জন সক্ৰিয় কৰ'না ৰোগী আছে। প্ৰকাশিত বাতৰি অনুসৰি বিগত এদিনত দেশত পুনৰ ১৪ জন লোকৰ প্ৰাণ কাঢ়িলে ক'ভিডৰ সংক্ৰমণে। ইফালে, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২,০৩৫ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিল।

## অৱশেষত উত্তৰ কোৰিয়াত ক'ভিড টিকাকৰণ আৰম্ভ, কৰ'নাৰ আগত সেও মানিলে কীমে

**নিউজ ব্যুৰ' পিয়ংইয়ং, ২৯ মে' ঃ** কৰ'না ভাইৰাছৰ শেহতীয়া ব্যাপক সংক্ৰমণৰ পাছত উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে দেশখনত ক'ভিড টিকাকৰণ আৰম্ভ কৰিলে। ক'ভিডৰ টিকাকৰণক স্বেচ্ছাচাৰী শাসকজনে 'প্ৰেমৰ অমৰ ঔষধী' নাম দিছে। দেশবাসীক ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰিবলৈ কীমে বিভিন্ন স্থানত নিজে মাইকযোগে আহ্বান জনাইছে। প্ৰাথমিক পৰ্যায়ত উত্তৰ কোৰিয়াই সৈনিকসকলৰ টিকাকৰণত গুৰুত্ব আৰোপ কৰিছে। এজন মহান শাসকৰ কৃপাত এইদৰে নাগৰিকক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে বুলি কীমে দেশবাসীক অৱগত কৰিছে। উল্লেখ্য যে আঢ়ৈ বছৰ পূৰ্বে যেতিয়া বিশ্বত প্ৰথম ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল তেতিয়া উত্তৰ কোৰিয়াই আন দেশৰ স'তে সীমান্ত বন্ধ ৰাখি ক'ভিড নিয়ন্ত্ৰণৰ চেষ্টা চলাইছিল। পৰৱৰ্তী সময়ত ক'ভিডৰ প্ৰতিষেধক উপলব্ধ হ'ল যদিও কীমে তেওঁৰ দেশত টিকাকৰণৰ বাবে অনুমতি দিয়া নাছিল। চীন প্ৰভৃতি বন্ধু দেশে উত্তৰ কোৰিয়াক প্ৰয়োজনীয় ক'ভিড প্ৰতিষেধক যোগান ধৰাৰ বাবে প্ৰস্তাৱ দিছিল যদিও কীমে বিদেশৰ পৰা সেই সময়ত প্ৰতিষেধক গ্ৰহণ নকৰিলে। কিন্তু শেহতীয়াভাৱে উত্তৰ কোৰিয়াত ক'ভিডৰ সংক্ৰমণ যথেষ্ট বৃদ্ধি পাইছে আৰু অৱশেষত স্বেচ্ছাচাৰী কীমে ক'ভিড প্ৰতিৰোধৰ স্বাৰ্থত টিকাকৰণৰ প্ৰতি সঁহাৰি জনাবলৈ বাধ্য হ'ল। স্বয়ং কীমৰ নেতৃত্বতে সম্প্ৰতি উত্তৰ কোৰিয়াত টিকাকৰণ অভিযান ব্যাপক কৰি তোলা হৈছে। উত্তৰ কোৰিয়াবাসীক কীমে চীনত তৈয়াৰ কৰা ক'ভিড প্ৰতিষেধক প্ৰদান কৰিছে।



## ইণ্ডোনেছিয়াত নৌকা ডুবি ২৫ জন লোক সন্ধানহীন

**নিউজ ব্যুৰ', জাকাৰ্টা, ২৯ মে' ঃ** ইণ্ডোনেছিয়াৰ মধ্য চুলাবেচি প্ৰদেশত নৌকা ডুবি ২৫ জন সন্ধানহীন হ'ল।



স্থানীয় প্ৰশাসনে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি এটা বন্দৰৰ পৰা কলমাছ দ্বীপলৈ যাত্ৰা কৰাৰ সময়ত প্ৰতিকূল বতৰৰ কাৰণত এখন নাও ডুব গৈছিল। নাওখনত ৪২ খন যাত্ৰী আছিল। এইসকল যাত্ৰীৰ ১৭ জনৰ প্ৰাণৰক্ষা সম্ভৱ হ'ল যদিও সম্প্ৰতি ২৫ জন যাত্ৰী সন্ধানহীন হৈ আছে। নৌকা দুৰ্ঘটনাত সন্ধানহীন হোৱা লোকসকলৰ সন্ধানত উদ্ধাৰ অভিযান অব্যাহত আছে।

## মাত্ৰ আঠ শতাংশ ভাৰতীয় পৰিয়ালৰ আছে গাড়ী, ৫০ শতাংশ দুচকা নিৰ্ভৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ মে' ঃ** দেশৰ বিভিন্ন বৃহৎ চহৰৰ ৰাজপথত যান-জঁট প্ৰত্যক্ষ কৰিলে ধাৰণা হ'ব যে দেশ সম্প্ৰতি যান-বাহনৰে ভৰি পৰিছে। কিন্তু বাস্তৱত ইয়াৰ সম্পূৰ্ণ বিপৰীত তথ্যহে পোহৰলৈ আনিলে ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ তথ্যই। এই সমীক্ষাৰ তথ্য অনুসৰি ভাৰতত মাত্ৰ আঠ শতাংশ পৰিয়ালৰহে নিজাববীয়া যানবাহন আছে। দেশৰ মাত্ৰ আঠ শতাংশ পৰিয়ালৰ গাড়ী থকাৰ বিপৰীতে প্ৰায় ৫০ শতাংশ পৰিয়ালে যাতায়াতৰ ক্ষেত্ৰত ব্যক্তিগত দুচকীয়া বাহন ব্যৱহাৰ কৰি আহিছে। আনহাতে, দেশৰ ৫৫ শতাংশ পৰিয়ালৰ আছে একোখন চাইকেল। একেদৰে ৫৪ শতাংশ পৰিয়ালত আছে স্কুটাৰ। ভাৰতৰ প্ৰায় সাত লাখ পৰিয়ালক সামৰি ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষাৰ অধীনত এই তথ্য সংগ্ৰহ কৰা হৈছিল। সমীক্ষাটোত ৩.৭ শতাংশ পৰিয়ালে প্ৰকাশ কৰা অনুসৰি তেওঁলোকৰ গৰুৰ গাড়ী আছে। ২০ শতাংশ লোকে প্ৰকাশ কৰা মতে, তেওঁলোকৰ নিজস্ব কোনো পৰিবহণ ব্যৱস্থা নাই।

## ই-শ্ৰম প'ৰ্টেলত পঞ্জীকৃত দেশৰ অসংগঠিত খণ্ডৰ ৯৪ শতাংশ শ্ৰমিকৰ উপাৰ্জন মাহে ১০ হেজাৰ টকাতকৈ কম

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ মে' ঃ** ই-শ্ৰম প'ৰ্টেলত পঞ্জীকৃত ২৭.৬৯ কোটি অসংগঠিত খণ্ডৰ শ্ৰমিকৰ ৯৪ শতাংশৰ মাহেকীয়া উপাৰ্জন ১০,০০০ টকাতকৈ কম। ই-শ্ৰম প'ৰ্টেলৰ শেহতীয়া পৰিসংখ্যাত এই তথ্য প্ৰকাশ পাইছে। এই প'ৰ্টেলত নাম পঞ্জীয়ন কৰা ৭৪ শতাংশ শ্ৰমিক অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছ পৰা সম্প্ৰদায়ৰ লোক। নৱেম্বৰ ২০২১ত এই প'ৰ্টেলত নাম পঞ্জীয়ন কৰা ৯২.৯৭ শতাংশ শ্ৰমিকৰ মাহেকীয়া উপাৰ্জন আছিল ১০ হেজাৰ টকাতকৈ তলত। উক্ত সময়ত এই প'ৰ্টেলত আঠ কোটিতকৈ অধিক শ্ৰমিকে নাম পঞ্জীয়ন কৰিছিল। কেন্দ্ৰীয় চৰকাৰে এই প'ৰ্টেলৰ জৰিয়তে দেশৰ অসংগঠিত খণ্ডৰ সকলো শ্ৰমিকৰ পঞ্জীয়কৰণ কৰাব বিচাৰিছে। পৰিসংখ্যা অনুসৰি ভাৰতত কমেও ৩৮ কোটি শ্ৰমিকে অসংগঠিত খণ্ডত কৰ্মৰত হৈ আছে। ২০২১ৰ ২৬ আগষ্টত কেন্দ্ৰীয় চৰকাৰে ই-শ্ৰম প'ৰ্টেল আৰম্ভ কৰিছিল। ই-প'ৰ্টেলত নাম পঞ্জীয়ন কৰা ৬১.৭২ শতাংশ শ্ৰমিকৰ বয়স হৈছে ১৮ৰ পৰা ৪০ বছৰ ভিতৰত। একেদৰে ২২.১২ শতাংশৰ বয়স ৪০-৫০ৰ ভিতৰত আৰু ১৩.২৩ শতাংশ শ্ৰমিকৰ বয়স ৫০ বছৰতকৈ অধিক। ২.৯৩ শতাংশ শ্ৰমিকৰ বয়স হৈছে ১৬.১৮ বছৰ বয়সৰ ভিতৰত। এতিয়ালৈকে নাম পঞ্জীয়ন কৰা ৫২.৮১ শতাংশ শ্ৰমিক মহিলা আৰু ৪৭.১৯ শতাংশ হৈছে পুৰুষ। পঞ্জীকৰণৰ ভিতৰত দেশৰ ভিতৰতে শীৰ্ষত আছে উত্তৰ প্ৰদেশ, বিহাৰ, পশ্চিমবংগ, মধ্যপ্ৰদেশ আৰু ওড়িছা। পঞ্জীকৃত শ্ৰমিকৰ ৫২.১১ শতাংশৰ মূল জীৱিকা হৈছে খেতি। আনহাতে, ৯.৯৩ শতাংশই আনৰ ঘৰত কাম কৰে আৰু ৯.১৩ শতাংশ নিৰ্মাণ খণ্ডত শ্ৰমিক হিচাপে নিয়োজিত।



## গিৰ্জাত বিনামূলীয়া খাদ্য সংগ্ৰহ কৰিবলৈ হোৱা ভিৰত পদপিষ্ট হৈ মৃত্যু কমেও ৩১ জনৰ



**নিউজ ব্যুৰ', প'ৰ্ট হাৰক'ৰ্ট, ২৯ মে' ঃ** দৰিদ্ৰ লোকৰ মাজত খাদ্য বিতৰণৰ আয়োজন কৰিছিল এটা গিৰ্জাই। এই বিনামূলীয়া খাদ্য সংগ্ৰহ কৰিবলৈ গৈ হোৱা ভিৰত পদপিষ্ট হৈ প্ৰাণ হেৰুৱালে কমেও ৩১ জন লোকে। এই মৰ্মান্তিক ঘটনা সংঘটিত হ'ল নাইজেৰিয়াৰ দক্ষিণাঞ্চলৰ প'ৰ্ট হাৰক'ৰ্ট চহৰৰ কিং অব্ এছেম্বলি গিৰ্জাত। 'শ্বপ ফৰ ফ্ৰি' নামৰে আয়োজিত উক্ত অনুষ্ঠানত দৰিদ্ৰ লোকৰ মাজত বিনামূলীয়া খাদ্য আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰী বিতৰণৰ ব্যৱস্থা কৰা হৈছিল। কিন্তু উক্ত অনুষ্ঠানত হিতাধিকাৰীয়ে ইমানে ভিৰ কৰে যে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ গৈছিল আৰু পদপিষ্ট হৈ ৩১ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো লোক গুৰুতৰভাৱে আহত হয়।

## পুনৰ শক্তি প্ৰদৰ্শন ৰাছিয়াৰ, জাৰকন ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ



**নিউজ ব্যুৰ', মস্কো, ২৯ মে' ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ অব্যাহত থকাৰ সময়তে পুনৰ নতুন ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ সম্পন্ন কৰিলে ৰাছিয়াই। এইবাৰ ভ্লাডিমীৰ পুটিনৰ দেশখনে পৰীক্ষা কৰিলে জাৰকন হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ। মস্কোৱে কালি এই পৰীক্ষা সম্পন্ন কৰিছিল। বেৰেণ্টছ সাগৰত থকা ৰুছ ৰণতৰী এডমিৰেল গ'ৰচক'ভৰ পৰা এই ক্ষেপণাস্ত্ৰ সমুদ্ৰলৈ নিক্ষেপ কৰা হৈছিল। পাছত হেজাৰ কিলোমিটাৰ দূৰত উত্তৰ মেৰুৰ শ্বেতসাগৰত গৈ উক্ত ক্ষেপণাস্ত্ৰই লক্ষ্য স্থানত আঘাত হানিছিল। ৰুছ প্ৰতিৰক্ষা মন্ত্ৰণালয়ে আজি প্ৰকাশ কৰা অনুসৰি তেওঁলোকে নতুন অস্ত্ৰৰ পৰীক্ষা অব্যাহত ৰাখিছে আৰু এই পৰীক্ষাৰে এক অংশ আছিল জাৰকন হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ উক্ত পৰীক্ষণ। উল্লেখ্য যে জাৰকন ক্ষেপণাস্ত্ৰৰ প্ৰথম পৰীক্ষণ ৰাছিয়াই ২০২০ বৰ্ষত সম্পন্ন কৰিছিল। শব্দতকৈ পাঁচৰ পৰা ১০ গুণ অধিক গতিত ৰাওনা হোৱা এই ক্ষেপণাস্ত্ৰই যিকোনো লক্ষ্যস্থানত নিৰ্ভুলভাৱে আঘাত হানিব পাৰে।

## ইমৰানৰ সমদলত অৰাজকতাৰ পাছত ইছলামাবাদত নিষিদ্ধ হ'ল ৰেলী-ধৰ্মঘট

**নিউজ ব্যুৰ', ইছলামাবাদ, ২৯ মে' ঃ** পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ইমৰান খানৰ নেতৃত্বত যোৱা সপ্তাহত ইছলামাবাদত আয়োজিত ৰেলীত অৰাজকতা সৃষ্টিৰ পাছত পাকিস্তানৰ গৃহ মন্ত্ৰণালয়ৰ ইছলামাবাদত সকলো ধৰণৰ প্ৰতিবাদী কাৰ্যসূচীত নিষেধাজ্ঞা আৰোপ কৰিলে। শ্বাহবাজ শ্বৰীফ চৰকাৰে দেশখনত আইন-শৃংখলা অটুট ৰাখিবলৈ ইছলামাবাদত ৰেলী আৰু অন্যান্য প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণত নিষেধাজ্ঞা আৰোপ কৰিছে। উল্লেখ্য যে যোৱা সপ্তাহত ইমৰানৰ নেতৃত্বাধীন পাকিস্তান তেহৰিক এ ইনছাফ দলে লাহোৰৰ পৰা ইছলামাবাদলৈ এক প্ৰতিবাদী সমদল উলিয়াই পাকিস্তানৰ শীঘ্ৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ দাবী জনাইছিল। এই প্ৰতিবাদী সমদলত অংশ লোৱা একাংশ ইমৰানৰ সমৰ্থকে আৰক্ষীৰ স'তে সংঘৰ্ষত লিপ্ত হৈছিল। এই ঘটনাৰ প্ৰতি লক্ষ্য ৰাখি শ্বৰীফ চৰকাৰে ইছলামাবাদত ৰেলীৰ আয়োজনত নিষেধাজ্ঞা আৰোপৰ সিদ্ধান্ত ল'লে।



## কৰ'নাত অনাথ শিশুৰ বাবে ছাত্ৰবৃত্তি আঁচনি প্ৰধানমন্ত্ৰীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ মে' ঃ** কৰ'নাত যিসকল শিশুৱে পিতৃ-মাতৃক হেৰুৱালে তেওঁলোকৰ বাবে এক বিশেষ আঁচনি গ্ৰহণ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। এইসকল শিশুক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে শিশুসকলৰ বাবে এক ছাত্ৰবৃত্তিৰ আঁচনিৰ কথা ঘোষণা কৰিব প্ৰধানমন্ত্ৰীয়ে। ভাৰতত ক'ভিড কালত ২০ মাহৰ ভিতৰত কমেও ১৯ লাখ শিশু অনাথ হৈছিল। এইসকল শিশু সম্প্ৰতি নানা সমস্যাৰ সন্মুখীন হৈছে। ক'ভিডত অনাথ হোৱা শিশুসকলক বিত্তীয় দিশত সকাহ দিবলৈ প্ৰধানমন্ত্ৰীয়ে ছাত্ৰবৃত্তিৰ এক বিশেষ আঁচনি প্ৰস্তুত কৰিছে। অহা ৩০ মে'ত শিশুসকলৰ বাবে এনে এক ছাত্ৰবৃত্তিৰ আঁচনিৰ কথা ঘোষণা কৰিব প্ৰধানমন্ত্ৰী মোদীয়ে।





## কাশ্মীৰৰ অনন্তনাগত সংঘৰ্ষত নিহত দুই মুজাহিদীন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২৯ মে' ঃ** জম্মু-কাশ্মীৰৰ অনন্তনাগত নিৰাপত্তা বাহিনীৰ স'তে হোৱা এক সংঘৰ্ষৰ ঘটনাত প্ৰাণ হেৰুৱালে দুজন মুজাহিদীন সন্ত্ৰাসবাদীয়ে। যোৱা নিশা অনন্তনাগ জিলাৰ বীজবেহৰা অঞ্চলত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত নিৰাপত্তা বাহিনীয়ে উক্ত অঞ্চলত সন্ত্ৰাস বিৰোধী অভিযান চলোৱাৰ সময়তে সেনা আৰু সন্ত্ৰাসবাদীৰ মাজত সূত্ৰপাত ঘটিছিল। নিৰাপত্তা বাহিনীৰ গুলিত ইছফাক আল গনি আৰু ইয়াৰৱাৰ আয়ুব ডাৰ নামৰ দুজন সন্ত্ৰাসবাদী ধৰাশায়ী হৈছিল। মৃত্যু দুই সন্ত্ৰাসবাদী অৱন্তিপুৰাৰ বাসিন্দা আছিল আৰু তেওঁলোকে দীৰ্ঘদিন ধৰি মুজাহিদীন গোষ্ঠীৰ সদস্য হিচাপে কাশ্মীৰ উপত্যকাত একাধিক কূটাঘাতমূলক কাৰ্যত জড়িত আছিল।

## আজমৰ স্বাস্থ্যৰ অৱনতি, গংগাৰামত কৰালে ভৰ্তি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৯ মে' ঃ** সমাজবাদী পাৰ্টিৰ বিধায়ক তথা উত্তৰ প্ৰদেশৰ প্ৰাক্তন মন্ত্ৰী আজম খানৰ স্বাস্থ্যৰ হঠাতে অৱনতি ঘটিল। সমাজবাদী পাৰ্টিৰ বৰ্ষীয়ান নেতাজনক ইতিমধ্যে নতুন দিল্লীৰ ছাৰ গংগাৰাম হাস্পতালত ভৰ্তি কৰোৱা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি আজম শ্বাসপ্ৰশ্বাসজনিত সমস্যাত আক্ৰান্ত হৈছে। সম্প্ৰতি গংগাৰাম হাস্পতালত এদল চিকিৎসকৰ নিৰীক্ষণত আছে আজম। কে'বা বছৰ ধৰি কাৰাগাৰত বন্দী হৈ থকাৰ পাছত অলপতে আজমে জামিনত মুক্তি লাভ কৰিছিল। শনিবাৰে মাজনিশাৰে পৰা তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটাত পৰিয়ালৰ লোকে প্ৰথমে স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰাইছিল আৰু পাছত দিল্লীৰ গংগাৰাম হাস্পতাললৈ স্থানান্তৰিত কৰা হৈছিল। সম্প্ৰতি চিকিৎসালয়ৰ আই চি ইউত তেওঁ চিকিৎসাধীন হৈ আছে।

## মহাৰাষ্ট্ৰত প্ৰথমবাৰ ক'ভিডৰ বি.এ.৪, বিএ.৫ উপপ্ৰজাতিৰ সংক্ৰমণ চিনাক্ত

**নিউজ ব্যুৰ', মুম্বাই, ২৯ মে' ঃ** ক'ভিডৰ অ'মিক্ৰন প্ৰজাতিৰ দুটা উপপ্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিল মহাৰাষ্ট্ৰত। এই দুই অ'মিক্ৰন উপ-প্ৰজাতিৰ নাম হৈছে বি.এ.৪ আৰু বিএ.৫। মহাৰাষ্ট্ৰৰ স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি ইতিমধ্যে ৰাজ্যখনত পুনেত অ'মিক্ৰনৰ বি.এ.৪ উপপ্ৰজাতিত চাৰিজন আৰু বি.এ.৫ উপপ্ৰজাতিত তিনিজন লোক আক্ৰান্ত হৈছে। আক্ৰান্ত লোককেইজনৰ চাৰিজন পুৰুষ আৰু তিনিগৰাকী মহিলা আছে। চাৰিজনৰ বয়স ৫০ৰ ঊৰ্ধ্বৰ আৰু দুজৰন বয়স ২০-৪০ বছৰ ভিতৰত আৰু এজনৰ বয়স ন বছৰ। আক্ৰান্ত ছয়জনে ক'ভিডৰ দুটাকৈ প্ৰতিষেধক গ্ৰহণ কৰিছিল আৰু এজনে বুষ্টাৰ প্ৰতিষেধকো লৈছিল।



## এইবাৰ হাৰিয়ানাত প্ৰতিশ্ৰুতি কেজৰিৱালৰ ঃ এবাৰ সুযোগ দিয়ক



**নিউজ ব্যুৰ', কুৰুক্ষেত্ৰ, ২৯ মে' ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ কুৰুক্ষেত্ৰত আপৰ এক ৰেলীত অংশ লয়। 'অব্ বদলেগা হাৰিয়ানা' শীৰ্ষক উক্ত ৰেলীত অংশ লৈ আপৰ মুৰব্বীয়ে কয় যে দিল্লীৰ চৰকাৰী বিদ্যালয়ত ১৮ লাখ শিশুৱে অধ্যয়ন কৰি আছে আৰু পূৰ্বে এইসকল ভৱিষ্যৎ অন্ধকাৰাচ্ছন্ন আছিল। একেদৰে হাৰিয়ানাতো চৰকাৰী শিক্ষানুষ্ঠানত অধ্যয়ন কৰা লাখ লাখ শিশুৰ ভৱিষ্যৎ অন্ধকাৰ হৈ আছে বুলি মন্তব্য কৰি কেজৰিৱালে কয় যে তেওঁক এবাৰ সুযোগ দিলে হাৰিয়ানাৰ সকলো চৰকাৰী বিদ্যালয়ৰ পৰিৱেশ সলনি কৰি দিব। আপৰ মুৰব্বীজনে কয়, 'মোক এক সুযোগ দিয়ক। হাৰিয়ানাৰ সকলো বিদ্যালয়ৰ পৰিৱেশ সলনি কৰি দিম। দিল্লীৰ চৰকাৰী বিদ্যালয় ইয়াৰ এক প্ৰমাণ। দৰিদ্ৰৰ শিশুও অভিযন্তা আৰু চিকিৎসক হ'ব পাৰিব। আমি দিল্লীৰ ব্যক্তিগত বিদ্যালয়কো বিগত সাত বছৰত মাচুল বঢ়াবলৈ অনুমতি দিয়া নাই। চাৰি লাখ শিশুৱে ব্যক্তিগত বিদ্যালয়ৰ পৰা নাম কৰ্তন কৰি চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰাইছে। ড'নাল্ড ট্ৰাম্পৰ পত্নীও আমাৰ বিদ্যালয় পৰিদৰ্শন কৰিবলৈ আহিছিল। বিগত পাঁচ বছৰত হাৰিয়ানাত কিমান লোকে চাকৰি লাভ কৰিলে? মই দিল্লীত লক্ষাধিকক চাকৰি দিছো।'



চাওতালৰ সমস্যা সমাধানৰ দাবীত মটৰ চাইকেল ৰেলী, যোৰহাটত দেওবাৰে।

## ধেমেচীত মুকলি কৰিলে ডিব্ৰুগড়ৰ জৈৱিক চাহ কলঘৰ মন্ত্ৰী তেলীয়ে

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২৯ মে' ঃ** ডিব্ৰুগড় জিলাৰ লগতে উজনি অসমৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে এটা ভাল খবৰ। ডিমৌৰ কাষৰীয়া মৰাণ সমষ্টিৰ অন্তৰ্গত ধেমেচীত মুকলি কৰা হ'ল এটা জৈৱিক চাহ কলঘৰ। উজনি অসমৰ ভিতৰতে প্ৰথম জৈৱিক চাহ কলঘৰটোৰ উৎপাদন কাৰ্য যোৱা ২৭ মে'ত আৰম্ভ কৰে মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে। ভাৰত চৰকাৰৰ ক্ষুদ্ৰ, লঘু আৰু মধ্যম উদ্যোগ বিভাগৰ পুনৰ উজ্জীৱিত পৰম্পৰাগত উদ্যোগত আঁচনিৰ মুঠ ২.৫ কোটি টকাৰে নিৰ্মিত এই চাহ কলঘৰটো উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী তেলীয়ে সন্তোষ প্ৰকাশ কৰে আৰু উজনিৰ সকলো ক্ষুদ্ৰ চাহ খেতিয়ক ইয়াৰ দ্বাৰা উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। ৰাজিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে লগতে কয় যে বৰ্তমান জৈৱিক চাহৰ চাহিদা যথেষ্ট বেছি আৰু দেশ তথা আন্তৰাষ্ট্ৰীয় বজাৰতো জৈৱিক চাহৰ চাহিদা অভাৱনীয় হাৰত বৃদ্ধি পাইছে। এই কলঘৰটোৰ জৰিয়তে চাহ খেতিয়কসকল স্বাৱলম্বী হ'ব বুলি মন্ত্ৰী তেলীয়ে আশা প্ৰকাশ কৰে। ধেমেচীৰ জৈৱিক চাহ খেতিয়ক ভবেন্দ্ৰ মোহন বৰগোহাঁই আৰু চিনু চাংমাই বৰগোহাঁইৰ উদ্যোগত স্থাপিত ধেমেচী অৰ্গেনিক গ্ৰীণ টি প্ৰডিউচাৰ কোম্পানী লিমিটেড নামৰ এই কলঘৰটোৰ উদ্বোধনী অনুষ্ঠানত মৰাণৰ বিধায়ক চক্ৰধৰ গগৈ, ডনবস্ক' ইউনিভাৰচিটিৰ চাহ বিশেষজ্ঞ ৰূপম ভূঞা, ভাৰতীয় চাহ ব'ৰ্ডৰ ডিব্ৰুগড় মাণ্ডলিক কাৰ্যালয়ৰ উপ-সঞ্চালক ৰামেশ্বৰ কুঞ্জুৰ, উন্নয়ন বিষয়া নিৰুপম দাস, কলঘৰ পৰামৰ্শদাতা সুশান্ত কৰ্মকাৰ, ইণ্ডিয়ান ইনষ্টিটিউট অৱ এন্টাৰপেনিউৰশ্বিপৰ মুখ্য প্ৰকল্প বিষয়া ৰাজীৱ লোচন পাঠক, ডিব্ৰুগড় জিলা বাণিজ্য আৰু উদ্যোগ কেন্দ্ৰৰ বিষয়া সোণমণি চৌধুৰী, বিশিষ্ট চাহ খেতিয়ক প্ৰহ্লাদ টেডী, সমাজকৰ্মী সত্য নাৰায়ণ আগৰৱালা, মৰাণ আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক হৰিৰাম চুতীয়া, সমাজকৰ্মী কন্দৰ্প সাগৰ দিহিঙীয়া, ধেমেচী গাঁও পঞ্চায়তৰ সভাপতি অতুল চাংমাই, চেপন মৌজা আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক মৃদুল বুঢ়াগোহাঁই, সমাজকৰ্মী প্ৰহেলিকা শৰ্মা গগৈ উপস্থিত থাকে।

## কবিয়ে মানুহৰ জীৱনক নীৰৱে উপলব্ধি কৰে ঃ ড° কাশ্যপ

### ■ কবি প্ৰণৱ কুমাৰ বৰ্মনৰ জন্মদিন পালন ■ ভাস্কৰ্য শিল্পী ৰাতুল দাসে কাঠেৰে নিৰ্মিত প্ৰতিকৃতি প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৯ মে' ঃ** 'কবিয়ে মানুহৰ হৃদয়ক বুজিব বিচাৰে। মানুহৰ হৃদয়ৰ চেতনাক উপলব্ধি কৰে কবিয়ে। মানুহক ভাল পাই বাবেই কবিয়ে মানুহৰ জীৱনক নীৰৱে উপলব্ধি কৰে।' এই মন্তব্য লেখক ড° সুশান্ত কুমাৰ কাশ্যপৰ। নলবাৰীৰ পোৱাকুছিস্থিত 'চিফুং দ্য আৰ্টিষ্ট'ৰ বাকৰিত কালি সন্ধিয়া উদ্‌যাপন কৰা জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনৰ ৪৪ সংখ্যক জন্মদিনত লেখক তথা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত বিশ্ববিদ্যালয় আৰু পুৰাতন অধ্যয়নৰ পৰীক্ষা নিয়ন্ত্ৰক ড° কাশ্যপে কয় যে কবিসকলৰ হৃদয় শিশুৰ দৰে কোমল। সমাজত কবিৰ শত্ৰু নাই। কবিসকলক সমাজৰ সকলো মানুহে ভাল পায়। কবিয়ে সমাজ তথা মানুহৰ কথাই চিন্তা কৰি থাকে বুলি কৈ নৱ-প্ৰজন্মৰ জনপ্ৰিয় কবি বৰ্মনক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। পূব নলবাৰী যুৱ সমাজৰ উদ্যোগত অনুষ্ঠিত কৰা আৰু সাংস্কৃতিক কৰ্মী ভৰেশ কলিতাই আঁতধৰা অনুষ্ঠানত ভাস্কৰ্য শিল্পী ৰাতুল দাসে নিজ হাতেৰে কাঠত কবিজনৰ প্ৰতিকৃতি নিৰ্মাণ কৰি কবি বৰ্মনৰ হাতত প্ৰদান কৰি শুভেচ্ছা জনায়। সন্ধা গাঁৱৰ (কমাৰতোলা) খগেন দাস আৰু প্ৰমীলা দাসৰ পুত্ৰ তথা পাইকাৰকুছি চ'কত শাক-পাচলিৰ ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰি থকা ভাস্কৰ্য শিল্পী ৰাতুল দাসক কবিয়ে ধন্যবান জ্ঞাপন কৰে। কণ্ঠ শিল্পী নন্দকিশোৰ ভূঞাই গীত পৰিৱেশন কৰাৰ লগতে কে'বাটাও কবিতা পাঠ কৰি পৰিৱেশ জীপাল কৰি তোলে। অনুষ্ঠানতে লোকশিল্পী পংকজ



কুমাৰ কলিতাই কবি বৰ্মনৰ কবিতা আৰু জনপ্ৰিয়তাৰ ওপৰত বক্তব্য প্ৰদান কৰে। যুৱকৰ্মী মালঞ্চ কলিতাই জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰি কবিক নতুন নতুন কবিতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। সমাজকৰ্মী যোগেন কলিতা, ডিম্বেশ্বৰ বেজবৰুৱা আৰু ভাস্কৰ তালুকদাৰেও ওপজা দিনৰ ওলগ জনায় আৰু আগন্তুক দিনত কবি বৰ্মনৰ পৰা ভাল ভাল কবিতা পাঠক সমাজে লাভ কৰিব বুলি আশা কৰে। যুৱকৰ্মী হিতেশ ডেকা, ৰমেন ডেকা, ধৰ্মেন্দ্ৰ ৰয়, হিতেশ বৰ্মন, সাংবাদিক শ্বাহ আলম আহমেদ, কবি বৰ্মনৰ পত্নী পৰী শৰণীয়াকে ধৰি ভালেমান শুভাকাংক্ষীয়ে জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত মালঞ্চ কলিতা আৰু হিতেশ ডেকায়ো গীত পৰিৱেশন কৰে।

## বৰপেটাৰ বাঘমাৰাচৰত বোৱাৰীৰ ৰহস্যজনক মৃত্যু

**আলোপতি, ২৯ মে' ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত চাৰি নম্বৰ বাঘমাৰাচৰ গাঁৱত এগৰাকী ন-বোৱাৰীৰ ৰহস্যজনক মৃত্যুৱে চাঞ্চল্যৰ সৃষ্টি কৰিছে অঞ্চলটোত। তিনি মাহ পূৰ্বে চাৰি নম্বৰ বাঘমাৰাচৰ গাঁৱৰ আঞ্জুৱাৰা খাতুনক একে গাঁৱৰে মহুৰুদ্দিন শ্বেইখৰ পুত্ৰ মনোৱাৰ হুছেইনে পলুৱাই নি বিয়া কৰায়। যোৱা ২৯ মে'ত স্বামী গৃহত চিপ লোৱা অৱস্থাত আঞ্জুৱাৰা খাতুনৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনা সন্দৰ্ভত খবৰ লাভ কৰাৰ লগে লগে ঘটনাস্থলীত আলোপতিচৰ আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি থানালৈ আনে। পৰিয়ালৰ লোকে ইয়াক এক পৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ উত্থাপন কৰিছে। আলোপতিচৰ আৰক্ষী থানাত দাখিল কৰা এজাহাৰত উল্লেখ কৰা মতে স্বামী মনোৱাৰ হুছেইন আৰু তেওঁৰ পৰিয়ালৰ লোকে আঞ্জুৱাৰা খাতুনক মাৰপিট কৰি হত্যা কৰি চিপ লগাই সমগ্ৰ ঘটনা আত্মহত্যাৰ ৰূপ দিয়ে। মৃত আঞ্জুৱাৰা খাতুনৰ পিতৃ ফৰিজুল হকে আলোপতিচৰ আৰক্ষী থানাত স্বামী মনোৱাৰ হুছেইন, শহুৰ মহুৰুদ্দিন শ্বেইখ, শাহু মনোৱাৰা খাতুন আৰু হাবেল ডাক্তৰৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিছে।

## সৰ্বশিক্ষাৰ আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰত চুৰিকাণ্ড

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২৯ মে' ঃ** নগাঁও জিলাৰ ইটাচালি টাউন আৰক্ষী চকীৰ অন্তৰ্গত নগাঁও নৰ্মাল স্কুল চৌহদত অৱস্থিত অসম সৰ্বশিক্ষা অভিযান মিছনৰ অধীনত থকা আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰত এক চুৰিকাণ্ড সংঘটিত হোৱাৰ ঘটনা আজি পোহৰলৈ অহাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। তথ্য মতে শাৰীৰিকভাৱে অসুস্থতাৰ হেতু দীৰ্ঘদিন কৰ্তব্যত উপস্থিত থাকিব নোৱাৰা আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰটোত পূৰ্বে কৰ্মৰত এগৰাকী শিক্ষা স্বেচ্ছাসেৱিকাৰ কোঠাৰ তলা খুলি তেওঁৰ চুটকেছত থকা সোণৰ আ-অলংকাৰ আৰু নগদ ধনসহ চুটকেছটো কোনো লোকে চুৰি কৰি নিয়ে। ভুক্তভোগী শিক্ষা স্বেচ্ছাসেৱিকাগৰাকীয়ে তেওঁৰ অনুপস্থিতিত তেওঁৰ কোঠাৰ দুৱাৰৰ তলা খুলি সামগ্ৰী সৰবৰাহ কৰা দুজন ব্যক্তি ক্ৰমে নৈশ চকীদাৰ আৰু কেয়াৰটেকাৰগৰাকীৰ নামসহ আৱাসিক প্ৰশিক্ষণ কেন্দ্ৰটোত কৰ্মৰত সকলোৰে নাম সন্নিবিষ্ট কৰি আজি ইটাচালি টাউন আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। পাছত ইটাচালি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই তাৎক্ষণিকভাৱে তদন্ত আৰম্ভ কৰিছে যদিও বৰ্তমানলৈকে চুৰি হোৱা আ-অলংকাৰ অথবা সা-সামগ্ৰীখিনি উদ্ধাৰ হোৱা নাই।

## মুছলপুৰত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

### ■ নিজগৃহত বিকল বিজুলী পাংখা মেৰামতি কৰা অৱস্থাতে দুৰ্ঘটনা

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ২৯ মে' ঃ** মুছলপুৰৰ নিকটৱৰ্তী গাৱঁমদেউত আজি বিয়লি এজন যুৱকৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হয়। নিজৰ গৃহত এখন বৈদ্যুতিক পাংখা মেৰামতি কৰি থকা অৱস্থাতে যুৱকজন দুৰ্ঘটনাৰ সন্মুখীন হয়। মৃত যুৱকজন হৈছে গাঁওখনৰ বাপধন কলিতা (৩৪)। ঘটনাৰ বিৱৰণি অনুসৰি, মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত গাৱঁমদেউৰ নিবাসী বাপধনে আজি আবেলি পথাৰৰ পৰা আহি নিজ বাসগৃহত কিছু সময়ৰ বাবে বিজুলী পাংখাৰ তলত জিৰণী ল'ব বিচাৰিছিল। যদিও বিজুলী পাংখাখন নুঘূৰা হোৱাত যুৱকজনে মেৰামতি কৰিবলৈ ধৰাৰ সময়তে অসতৰ্ক অৱস্থাত বিদ্যুৎস্পৃষ্ট হৈ বাগৰি পৰে। পাছত পৰিয়ালৰ লোকে ততাতৈয়াকৈ তেওঁক মুছলপুৰস্থ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়লৈ আনে যদিও চিকিৎসকে যুৱকজনক মৃত ঘোষণা কৰে। সৰবৰহী যুৱকজনৰ এনে কৰুণ মৃত্যুত সমগ্ৰ গাঁওখনতে শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে মৃত বাপধন মুছলপুৰস্থ বাক্সা প্ৰিন্টাৰ্ছৰ কৰ্মচাৰী আছিল।

## দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ বাৰ্ষিক অধিৱেশন

**অগ্ৰদূতবাৰ্তা**

**পলাশবাৰী, ২৯ মে' ঃ** দক্ষিণ কামৰূপ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ ত্ৰিংশতিতম বাৰ্ষিক অধিৱেশন আজি মুখ্য কাৰ্যালয় বিনোদন ভৱন, মিৰ্জাত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা পতাকা উত্তোলন কৰে সন্থাৰ সভাপতি অনিল চন্দ্ৰ কলিতাই, স্মৃতি তৰ্পণ কৰে সন্থাৰ কাৰ্যকৰী সভাপতি যোগেশ কুমাৰ আৰু সম্পাদক অমিয় কুমাৰ কলিতাই, বৃক্ষৰোপণ কৰে সন্থাৰ উপদেষ্টা কামেশ্বৰ কলিতা, তৰুণ চন্দ্ৰ দাস আৰু উপ-সভাপতি গজেন চন্দ্ৰ দাসে। দিনৰ ৰৰ বজাত অনুষ্ঠিত মুকলি সভাত যোৱা সাধাৰণ সভাৰ কাৰ্যবিৱৰণী পাঠ আৰু দৃঢ়ীকৰণ, সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন পাঠ, পৰীক্ষিত হিচাপ দাখিল, প্ৰস্তাৱ গ্ৰহণ আদি কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত সভাতেই গ্ৰন্থকাৰ ড° শৈলেন্দ্ৰ নাৰায়ণ ঠাকুৰীয়াৰ 'ৰক্ত কণিকাৰ ৰং' গ্ৰন্থখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক মায়াৰাম দাসে। লগতে প্ৰাক্তন অধ্যক্ষ কৈলাশ নাথ শৰ্মাৰ 'অসমীয়া গীতৰ সংগ্ৰহ' উন্মোচন কৰে ড° নৰেন দাসে। ইয়াৰ পাছতে নতুন সদস্য ভৰ্তিকৰণ আৰু কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণেৰে সভাৰ সামৰণি পৰে।

## গুৱাকুছি বিনামূলীয়া চকু চিকিৎসা শিবিৰ



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২৯ মে' ঃ** শ্ৰীশংকৰদেৱ নেত্ৰালয় গুৱাহাটীৰ সৌজন্যত, নলবাৰী চকু চিকিৎসা কেন্দ্ৰ আৰু ঘগ্ৰাপাৰৰ ভূনকুছি জ্ঞানদায়িনী সংঘ আৰু পুথিভঁৰালৰ সহযোগত আজি এটা বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। দিনৰ ১২ বজাৰ পৰা আৰম্ভ হোৱা শিবিৰটো উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী তথা বিজেপিৰ যুৱ মৰ্চাৰ ৰাজ্যিক উপ-সভাপতি ধনেশ্বৰ ডেকাই। শিবিৰটোত চিকিৎসা সেৱা আগবঢ়ায় শ্ৰীশংকৰদেৱ নেত্ৰালয়ৰ আঠজন চকুৰোগ বিশেষজ্ঞই। অঞ্চলটোৰ প্ৰায় ১০০ চকু ৰোগীয়ে অংশগ্ৰহণ কৰা শিবিৰটোত জ্ঞান দায়িনী সংঘৰ সম্পাদক সনাতন ডেকা, সাংবাদিক কৈলাশ ডেকা, এএনএম নাৰ্ছিমা বেগম আৰু স্বাস্থ্যকৰ্মী বিপুল ভৰদ্বাজ, প্ৰনিতা ভাগৱতী আৰু প্ৰনামী কলিতাই সহযোগিতা আগবঢ়ায়। শিবিৰটোৰ উদ্দেশ্য ব্যাখ্য কৰে ৰঞ্জিত দাসে। শিবিৰটোত নলবাৰী কেন্দ্ৰৰ বিকাশ ডেকা আৰু প্ৰানজিৎ দাসে পৰিচালনা কৰে।

## ছালাকাটী ঢোলমাৰা ধৰ্ষণ কাণ্ডত উদ্বিগ্নতা প্ৰকাশ সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ

### দোষীৰ কঠোৰ শাস্তিৰ দাবীত উপায়ুক্তক স্মাৰক

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৯ মে' ঃ** সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ স্মাৰক কোকৰাঝাৰ জিলা উপায়ুক্তক। কোকৰাঝাৰ জিলাৰ ছালাকাটীৰ ঢোলমাৰাত যোৱা ২৪ মে'ত সংঘটিত পৈশাচিক ধৰ্ষণ কাণ্ডত সংখ্যালঘু জনগোষ্ঠী তথা 'সংখ্যালঘু প্ৰগতিশীল মঞ্চ', অসম (এমপিএফ) খুৱেই উদ্বিগ্ন তথা লজ্জিত। এই ধৰণৰ পৈশাচিক কাণ্ডই মানৱ সমাজক লজ্জানত কৰি তুলিছে বুলি কয় সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ সভাপতি শাহকামাল খণ্ডকাৰে। মঞ্চৰ সভাপতি শাহকামাল খণ্ডকাৰ, কাৰ্যকৰী সভাপতি হাছানুজ জামান আৰু সাধাৰণ সম্পাদক ছামছুল হক মণ্ডল স্বাক্ষৰিত স্মাতক প্ৰদান কৰে কোকৰাঝাৰ জিলা উপায়ুক্তক। উক্ত ঘটনাৰ স'তে জড়িত দোষীসকলক তদন্ত মৰ্মে আৰু আইনগতভাৱে কঠোৰতম শাস্তিৰ দাবী জনায় যাতে পৰৱৰ্তী সময়ত এয়া এক দৃষ্টান্ত হৈ ৰয় ধৰ্ষণকাৰীৰ বাবে। শাস্তিৰ প্ৰক্ৰিয়াটো দ্ৰুত কৰাৰ লগতে ভুক্তভোগী পৰিয়ালক উপযুক্ত ক্ষতিপূৰণৰ জৰিয়তে ভূক্তভোগী গৰাকীৰ ভৱিষ্যৎ জীৱন সুৰক্ষিত কৰাৰ দাবী জনায় স্মাতকযোগে। যাতে এই ঘটনাৰ আলমলৈ ভৱিষ্যতত কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি নহয় কোকৰাঝাৰ জিলাত তাৰ প্ৰতি চোকা দৃষ্টি ৰখাৰ লগতে যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে কোকৰাঝাৰ জিলা প্ৰশাসনক অনুৰোধ জনায় সংখ্যালঘু প্ৰগতিশীল মঞ্চই।

## অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলাৰ অধিৱেশনৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ২৯ মে' ঃ** যোৰহাট জিলাৰ বড়িগাওঁ ধৰ্ম সন্মিলনী নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ যোৰহাট জিলা সমিতিৰ মধ্যকালীন অধিৱেশনখন দিনজোৰা কাৰ্যসূচীৰে সম্পন্ন হয়। পুৱা আঠ বজাত পৰিষদৰ পতাকা উত্তোলন কৰি অধিৱেশনখনি আৰম্ভ কৰে পৰিষদৰ যোৰহাট জিলা সমিতিৰ সভাপতি প্ৰণৱজ্যোতি শইকীয়াই। আনহাতে, ছহিদক শ্ৰদ্ধাঞ্জলি জনাই পৰিষদৰ যোৰহাট জিলা সমিতিৰ সাধাৰণ সম্পাদক বাবু দত্তই। দিনৰ ১২ বজাত মধ্যকালীন অধিৱেশনৰ প্ৰতিনিধি সভাখন অনুষ্ঠিত হয়। প্ৰণৱজ্যোতি শইকীয়া সভাপতিত্ব কৰা উক্ত প্ৰতিনিধি সভাত পৰিষদৰ যোৰহাট জিলা সমিতিৰ অন্তৰ্গত থকা সাতখন আঞ্চলিক সমিতিৰ আৰু আঞ্চলিক সমিতিসমূহৰ অন্তৰ্গত থকা প্ৰায় ৫০ খনতো অধিক শাখা সমিতিৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। পৰিষদৰ যোৰহাট জিলা সমিতিৰ সাধাৰণ সম্পাদক বাবু দত্তই আঁতৰৰ প্ৰতিনিধি সভাখন উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা বঙ্কিম চাংমাই। কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক শিৱ কলিতাই পৰিষদৰ সাংগঠনিক দিশৰ লগতে অসমৰ সাম্প্ৰতিক সমস্যাৰ উপৰি যোৰহাট জিলাখনৰ জ্বলন্ত সমস্যা সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ তথ্য আৰু যোগাযোগ সম্পাদক চাবিৰ আহমেদ আৰু কেন্দ্ৰীয় সাংগঠনিক সম্পাদক কুশল চেতিয়া প্ৰতিনিধি সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি সভাখন পৰিচালনা কৰে। পৰিষদৰ যোৰহাট জিলা সমিতিৰ সভাপতি আৰু সাধাৰণ সম্পাদকে জনায় যে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাংবিধানিক নীতি অনুসৰি সংগঠনৰ প্ৰতিটো স্তৰৰ প্ৰতিখন সমিতিৰ কাৰ্যকাল দুবছৰ-এবছৰৰ অন্তত মধ্যকালীন অধিৱেশন অনুষ্ঠিত কৰিব লাগে আৰু দুবছৰৰ অন্তত দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিব লাগে। লগতে নেতাদ্বয়ে কয় জাতীয়তাবাদ নিঃশেষ কৰিবৰ সকলো দিশৰ পৰা একাংশই চেষ্টা কৰি আছিছে। বিভিন্ন সমস্যাৰে ৰাজ্যবাসীক দিহা প্ৰলোভনৰ পৰা দূৰত থাকিবলৈ ৰাজ্যবাসীক আহ্বান জনায়।

## ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত উটি গ'ল তেজপুৰৰ যুৱক

**ষ্টাফ ৰিপ'ৰ্টাৰ,**

**তেজপুৰ, ২৯ মে' ঃ** জলক্ৰীড়া কৰাৰ দৃশ্য ম'বাইলত বন্দী কৰি থকা অৱস্থাতে তেজপুৰৰ ফৰেষ্টঘাটত আজি সন্ধানহীন হ'ল এজন যুৱক। ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতে উটুৱাই নিয়া যুৱকজনৰ অদ্যাপি সন্ধান ওলোৱা নাই। আজি দুপৰীয়া বন্ধুৰ স'তে ব্ৰহ্মপুত্ৰৰ ঘাটটোত গা ধুবলৈ গৈ সন্ধানহীন হোৱা যুৱকজন হৈছে তেজপুৰৰ ১০ নম্বৰ ৱাৰ্ডৰ গাৰোৱানপট্টী নিবাসী হজৰত আলী (২২) ওৰফে বাবু। প্ৰাপ্ত তথ্য অনুসৰি, আজি দুপৰীয়া প্ৰচণ্ড গৰমৰ বাবে দুই বন্ধুৰ স'তে



ব্ৰহ্মপুত্ৰৰ পাৰলৈ গৈছিল যুৱকজন। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি, উক্ত ঘাটতে তেওঁলোকে সুৰাপান কৰি ব্ৰহ্মপুত্ৰৰ পানীত নামে। তেওঁলোকে ব্ৰহ্মপুত্ৰত জলকেলি কৰাৰ দৃশ্য হজৰতে ম'বাইলতো বন্দী কৰাৰ চেষ্টা কৰিছিল। সেই সময়তে কোনো অসতৰ্ক মুহূৰ্তত সম্প্ৰতি জলস্তৰ বৃদ্ধি পোৱা ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতত হজৰত ওৰফে বাবু উটি যায়। ইয়াৰ পাছতে আৰক্ষী আৰু এছডিআৰএফৰ দলে যুৱকজনৰ সন্ধান বিচাৰি বিয়লি পৰ্যন্ত অভিযান অব্যাহত ৰাখিলেও তেওঁৰ কোনো শুংসূত্ৰ নাপালে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত হজৰতৰ দুই বন্ধু তেজপুৰ নেপালীপট্টিৰ আবেদ আলী আৰু তেজপুৰ পৰোৱাৰ ৰিংকু আলীক সোধপোছৰ বাবে আটক কৰিছে।

## ডুমডুমাত চাৰিখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৯ মে' ঃ** ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা আৰু পাৰ্বত্য উন্নয়ন দপ্তৰৰ মন্ত্ৰী যোগেন মহনে যোৱা ২৭ মে'ত ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাৰ উপস্থিতিত দৈডাম চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰে। ইয়াৰ লগতে ৰাজহ মন্ত্ৰীজনে টিপুক চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়, দিয়ামূলী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু বৰডুবি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰে। দৈডাম চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰি অসমৰ চাহ বাগিচা অঞ্চলসমূহক আগুৱাই নিবৰ বাবে বিদ্যালয় স্থাপনৰ দৰে যুগান্তকাৰী পদক্ষেপ হাতত লোৱাৰ বাবে মন্ত্ৰী মহনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ জ্ঞাপন কৰে। চাহ বাগিচাত গুণগত শিক্ষাৰ প্ৰসাৰৰ বাবে এই বিদ্যালয়সমূহে উল্লেখনীয় পদক্ষেপ ল'ব বুলি উল্লেখ কৰি প্ৰতিগৰাকী অভিভাৱকক নিজৰ সন্তানক বিদ্যালয়লৈ পঠিয়াবলৈ আহ্বান জনায়। বৰ্তমানৰ চৰকাৰখন চাহ বাগিচাৰ বিভিন্ন সমস্যা সমাধানৰ বাবে বদ্ধপৰিকৰ বুলিও মন্ত্ৰীজনে নিজ ভাষণত উল্লেখ কৰে। আনহাতে, দিয়ামূলী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰি মন্ত্ৰীজনে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ স'তে মধ্যাহ্ন ভোজন গ্ৰহণ কৰে। আজিৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী মহন স'তে ডুমডুমা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালা, উপায়ুক্ত নৰসিং পৱাৰ, অতিৰিক্ত উপায়ুক্ত ছৰফাজ হক, ডুমডুমা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ৰণনময় ভৰদ্বাজ, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকা, পদ্মশ্ৰী দুলাল মানকি প্ৰমুখ্যে স্থানীয় বিশিষ্ট লোক তথা ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।



ভতিয়াপাৰত মায়ামৰা সম্প্ৰদায়ৰ শৰণ, দেওবাৰে।

## অসামৰিক প্ৰতিৰক্ষা, তিনিচুকীয়াৰ সভা

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৯ মে' ঃ** অসামৰিক প্ৰতিৰক্ষা, তিনিচুকীয়াৰ উদ্যোগত আজি প্ৰতিপালক আৰু স্বেচ্ছাসেৱক সকলৰ স'তে তিনিচুকীয়া ৰেলৱে হাইস্কুল প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। মুখ্য প্ৰতিপালক গোপাল দেৱ সঞ্চালনাত অনুষ্ঠিত সভাৰ উদেশ্য ব্যাখ্যা কৰে অসামৰিক প্ৰতিৰক্ষা, তিনিচুকীয়াৰ উপ-নিয়ন্ত্ৰক ৰূপান্তৰ সোণোৱালে। সভাত সহকাৰী উপ-নিয়ন্ত্ৰক (কণিষ্ঠ) ভাস্কৰ ডেকা, প্ৰতিপালক বলীন চমুৱা, মিলন গোহাঁই, গৌৰী শংকৰ ঈশ্বৰবালীয়া, ইফটিকাৰ হুছেইন, জ্যেষ্ঠ স্বেচ্ছাসেৱক মনোৰঞ্জন মৰাণ, বিজু গোহাঁই, ৰাতুল ডেকা, দুৰ্গাধৰ ফুকন আদি উপস্থিত আছিল। সভাত প্ৰতিপালক আৰু স্বেচ্ছাসেৱক সকলৰ সম্পৰ্কৰক্ষাৰ ক্ষেত্ৰত অধিক সুদৃঢ় কৰাৰ বাবে কিউ আৰ টি গঠন কৰাৰ সিদ্ধান্ত লোৱাৰ উপৰিও বিভিন্ন দিশত আলোচনা কৰে।

## মুখ্যমন্ত্ৰীৰে মধুপুৰ সত্ৰ সমিতিৰ আলোচনা

### ■ শীঘ্ৰে মুখ্যমন্ত্ৰীৰ সত্ৰ পৰিদৰ্শনৰ আশ্বাস ■ সমস্যা নিৰাময়ৰ প্ৰতিশ্ৰুতি

**অগ্ৰদূত বাৰ্তা**

**হাউলী ২৯ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণ হোৱা দ মুকুটৰ থান, অসমীয়া জাতিৰ প্ৰাণ কোচবিহাৰত অৱস্থিত ঐতিহাসিক মধুপুৰ সত্ৰত বিগত কিছুদিনৰ পৰা বিৰাজ কৰিছে মহাপুৰুষীয়া সংস্কৃতি বিৰোধী কাৰ্য অবাধ গতিত চলি থকাৰ লগতে সত্ৰ চৌহদত এক অশুভ শক্তিয়ে সত্ৰীয়া ৰীতি-নীতি ভংগ কৰি মাদকদ্ৰব্য জাতীয় দ্ৰব্যৰ প্ৰচলনেৰে সমগ্ৰ সত্ৰ চৌহদ অপৱিত্ৰ কৰি এক অস্বাস্থ্যকৰ পৰিৱেশৰ সূচনা কৰিছে। অসমীয়া জাতিৰ জনক গুৰু দুজনক অসন্মান কৰাৰ যি চক্ৰান্ত চলি আছে তাক প্ৰতিহত কৰাৰ বাবে মধুপুৰ সত্ৰ সমিতিয়ে বিভিন্ন সভা-সমিতি তথা প্ৰচাৰ মাধ্যমৰ জৰিয়তে অসমৰ ভক্তপ্ৰাণ ৰাইজক সজাগ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। শেহতীয়াভাৱে যোৱা মাৰ্চৰ পৰা বৰ্তমানৰ মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ লক্ষ্মীকান্ত মহন্তৰ প্ৰত্যক্ষ সহযোগত সত্ৰীয়া ৰীতি-নীতি আৰু পৰম্পৰা ভংগ কৰি ধুবুৰী জিলা প্ৰশাসনৰ এটা মহলৰ পৃষ্ঠপোষকতাত দুগৰাকী আতা পুৰুষ ক্ৰমে ৰাম আতা আৰু হৰিহৰ আতাৰ ঐতিহাসিক ভিঠিৰ সভ্যতা ধ্বংস কৰি জনমতক ভেঙুচালি কৰি এই নিৰ্মাণ কাৰ্য চলাই আছে। উল্লেখ্য যে আতাৰ ভিঠি ধ্বংস কৰি এনে ধৰণৰ নিৰ্মাণ কাৰ্য ২০১৯ত তদানীন্তন অসম চৰকাৰৰ পৰ্যটন নিগমৰ অধ্যক্ষ জয়ন্ত মল্ল বৰুৱাৰ লগত সত্ৰ সমিতিৰ হোৱা এক আলোচনাত, নিৰ্মাণ কাৰ্য বন্ধ ৰাখিবলৈ সিদ্ধান্ত লোৱা হৈছিল যদিও ধুবুৰী জিলা প্ৰশাসনৰ লগত সংপৃক্ত হৈ থকা একাংশ মধ্যভোগীৰ তৎপৰতাত এই নিৰ্মাণ কাৰ্য পুনৰ চলাই থকা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে এক বিবৃতিত উল্লেখ কৰে যে সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনতা ভৱনত ধুবুৰী জিলাৰ অভিভাৱক মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° শৰ্মাক সাক্ষাৎ কৰি মধুপুৰ সত্ৰত বৰ্তমানে বিৰাজ কৰি থকা পৰিস্থিতিৰ বিষয়ে বিতং আলোচনা কৰে। উক্ত আলোচনা কালত মুখ্যমন্ত্ৰী ড° শৰ্মাই যথা সম্ভৱ সোনকালে মধুপুৰ সত্ৰ ভ্ৰমণ কৰি সত্ৰখনত সৃষ্টি হোৱা পৰিস্থিতি সন্দৰ্ভত সত্ৰ সমিতি আৰু ৰাইজৰ লগতে এক আনুষ্ঠানিক আলোচনা অনুষ্ঠিত কৰাৰ পৰামৰ্শ দাঙি ধৰে। উক্ত আলোচনাত মুখ্যমন্ত্ৰী ড° শৰ্মাই যিকোনো মূল্যৰ বিনিময়ত সত্ৰখনৰ ৰীতি-নীতি আৰু পৰম্পৰা ৰক্ষা কৰা আৰু সত্ৰখনৰ উন্নয়নৰ বাবে সম্ভৱপৰ সকলো ধৰণৰ সহায় সহযোগ সত্ৰ সমিতিত আগবঢ়াব বুলি আশ্বাস দিয়ে।

## গ্ৰন্থ একপ্ৰকাৰৰ জীৱনদায়িনী ঔষধ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৯ মে' ঃ** সাহিত্য বা গ্ৰন্থ অবিহনে এটা জাতি কেতিয়াও সু-সভ্য হৈ সমাজত মূৰ দাঙি থিয় দিব নোৱাৰে। গ্ৰন্থ মানুহৰ বৌদ্ধিক সহচৰ। গ্ৰন্থই মানুহক অন্য এখন পৃথিৱীলৈ লৈ যায়। গ্ৰন্থই মানুহৰ একপ্ৰকাৰৰ জীৱনদায়িনী ঔষধৰ নিচিনা কাম কৰে। বিপথগামী মানুহক একমাত্ৰ গ্ৰন্থই মূলসুঁতিলৈ ঘূৰাই অনাৰ উদাহৰণো নথকা নহয়। এই মন্তব্য হাস্য-ব্যঙ্গ লেখক, সাংবাদিক শংকৰ শৰ্মাৰ। আজি নলবাৰী জিলাৰ মুগকুছিস্থিত শংকৰ-আজান পুথিভঁৰালত অনুষ্ঠিত হোৱা কুইজ আৰু গ্ৰন্থ উন্মোচনী অনুষ্ঠানত আইনুল হক সংকলিত 'জানিবলগীয়া সাথৰ' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি লেখক-সাংবাদিকজনে এনেদৰে কয়। টিউচন কৰি পোৱা ধনেৰে আইনুল হকে একক প্ৰচেষ্টাৰে গঢ়ি তোলা

# উত্তৰ শালমাৰাত কপিকুলৰ সন্ত্ৰাস

## ■ অভয়াপুৰীৰ বাতাবাৰীত অমিতা, কলখেতি বিনষ্ট ■ শংকিত ৰাইজ



অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৯ মে' ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ বিভিন্ন অঞ্চলত কপিকুলৰ সন্ত্ৰাসত বিপৰ্যস্ত হৈ পৰিছে কৃষকেই নহয় আন আন লোকো। উল্লেখ্য যে কিছু বছৰ আগলৈকে মহকুমাটোৰ পাহাৰ আৰু পাদদেশ) অঞ্চলসমূহতে কপিকুলে থিতাপি লৈ আছিল। তাত থকা পৰ্যাপ্ত পৰিমাণৰ বনৰীয়া ফলমূল আৰু কেতবোৰ গছ-গছনিৰ ওপৰত নিৰ্ভৰ কৰিয়ে কপকুলে থিতাপি লৈ আছিল। কিন্তু বন ধ্বংসই কাল হ'ল মনুষ্যকুলৰ। বৰ্তমানে জাকে-জাকে পাহাৰীয়া অঞ্চলৰ পৰা দূৰ-দূৰণিলৈ বিস্তাৰিত হৈছে কপিকুলৰ সন্ত্ৰাস। মালেগড় পাহাৰৰ পৰা নামি জাক-জাক বান্দৰে পাহাৰৰ নিকটৱৰ্তী মালেগড়, গান্ধীবস্তি, খোৰাগাঁও, কাছাৰীপাৰা, শিঙিমাৰী, বাতাবাৰী, ঝিটকিবাৰী, লালমাটি, দুৰামাৰী, বোৱালিমাৰী, কলবাৰী, বামুণগাঁও পাহাৰৰ পৰা অহা বান্দৰৰ জাকে অভয়াপুৰী অঞ্চলৰ বামুণগাঁও, বড়িগাঁও, ধৰ্মপুৰ, পাছদুৱাৰ বাসন্তীপাৰা, দেওহাটী আদি অঞ্চলত সন্ত্ৰাসৰ সৃষ্টি কৰি ফলমূল, শস্যপথাৰ বিনষ্ট কৰি আহিছে। তেনেদৰে সোনাখুলি পাহাৰ, কাকৈজানা পাহাৰৰ পৰাও জাকে জাকে কপিকুল জনাঞ্চললৈ আহি সন্ত্ৰাসৰ সৃষ্টি কৰাত ত্ৰাহি মধুসূদন সুঁৱৰিব লগা হৈছে ৰাইজে। এশৰ পৰা ডেৰশমান লৈকে থকা বান্দৰৰ জাকে শস্য পথাৰ ফলমূল, শাক-পাচলিৰ খেতি বিনষ্ট কৰাই নহয় হাঁহ-কুকুৰা-পাৰৰ কণী আদিও তহিলং কৰাত বহুলোকে খেতি কৰিবলৈ এৰাৰ লগতে হাঁহ-কুকুৰা পালনতো অনীহাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে অভয়াপুৰী চহৰৰ গাতে লাগি থকা বাতাবাৰীত খেতিয়ক এজনে ঋণ লৈ আনৰ ভূমি বছৰেকীয়া বন্দাৱস্তিত চাৰিবিঘা মাটিত কল আৰু অমিতাৰ খেতি কৰে যদিও বনাঞ্চলৰ পৰা অহা দুই শতাধিক বান্দৰৰ জাকে খেতিডৰাৰ সিংহ ভাগেই বিনষ্ট কৰে। জানিব পৰা মতে, বাতাবাৰীৰ প্ৰভাত ৰায়ে বিগত তলাবন্ধৰ সময়ত বন্ধুৰ পৰা তিনিলাখ টকা ঋণ লৈ দুবিঘাকৈ ভূমিত আঠশ অমিতা আৰু মালভোগ কলৰ খেতি কৰে। হাইব্ৰীড অমিতাৰ পুলি ৮০ টকাকৈ ক্ৰয় কৰাৰ বিপৰীতে কলপুলিৰ কিছু অংশ বঙাইগাঁও কৃষি গৱেষণা কেন্দ্ৰই দিয়ে। কিন্তু অমিতা ফলিবলৈ লোৱাৰ লগতে কলৰো থোক ওলাবলৈ লোৱাৰ সময়তে কেইদিনমান ধৰি বনাঞ্চলৰ পৰা ওলাই অহা দুই শতাধিকৰ বান্দৰৰ জাকে খেতিডৰাৰ সিংহভাগেই বিনষ্ট কৰাত মূৰে-কপালে হাত দিবলগীয়া হৈছে প্ৰভাত দাসে। সেয়ে জনাঞ্চলত বান্দৰৰ সন্ত্ৰাস ৰোধ কৰাৰ বাবে বনাঞ্চলত বান্দৰৰ খাদ্য উপযোগী গছৰোপণ কৰাৰ বাবে বন বিভাগক এই অঞ্চলৰ ৰাইজে দাবী জনাইছে।

## নগাঁৱত ঋতুস্ৰাৱ স্বচ্ছতা দিৱস উপলক্ষে সজাগতা অনুষ্ঠান

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মে' ঃ** ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ লগত সংগতি ৰাখি কালি নগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এক সজাগতা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নিফাৰ উদ্যোগত আৰু মাৰোৱাৰী যুৱ মঞ্চ নগাঁও সমৃদ্ধি শাখাৰ সহযোগত আয়োজিত এই সজাগতা অনুষ্ঠানত মহিলাসকলে মাহেকীয়া ঋতুস্ৰাৱৰ সময়ত ল'ব লগা সাৱধানতা, চাফ-চিকুনতা সম্পৰ্কে বিদ্যালয়খনৰ ছাত্ৰীসকলক বিশেষভাৱে দিহা-পৰামৰ্শ আগবঢ়োৱা হয়। উক্ত অনুষ্ঠানতে বিদ্যালয়খনৰ ছাত্ৰীসকলক আয়োজক মণ্ডলীয়ে ছেনিটেৰী নেপকিনো প্ৰদান কৰে। এই অনুষ্ঠানত উপস্থিত থাকে নিফাৰ ৰাজ্যিক সমন্বয়ক পাৰ্থ হাজৰিকা, মাৰোৱাৰী যুৱ মঞ্চ নগাঁও সমৃদ্ধি শাখাৰ সভানেত্ৰী লতা পাৰিক, সম্পাদিকা নীমিষা আগৰৱালা প্ৰমুখ্যে বিদ্যালয়খনৰ একাংশ শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকল।

## সৰ্থেবাৰী পথ দুৰ্ঘটনাত নিহত সমাজকৰ্মী হৰগোবিন্দ ডেকাৰ স্মৃতিচাৰণ সভা



অগ্ৰদূত বাৰ্তা

**সৰ্থেবাৰী, ২৯ মে' ঃ** যোৱা ১৬ মে'ত সৰ্থেবাৰীৰ নামশালাত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাত নিহত কাৰাকুছিৰ ইতিহাস প্ৰণয়ন সমিতিৰ উপসভাপতি, ব্যৱসায়ী, সমাজসেৱী তথা সাংস্কৃতিক কৰ্মী, উত্তৰ-পূব সৰুক্ষেত্ৰী গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি, হৰগোবিন্দ ডেকাৰ এখন সোঁৱৰণী সভা আজি আবেলি চাৰি বজাত প্ৰয়াত ডেকাৰ বাসভৱনত অনুষ্ঠিত হয়। কাৰাকুছি ইতিহাস প্ৰণয়ন সমিতিৰ উদ্যোগত অনুষ্ঠিত সভাখনৰ প্ৰাৰম্ভমুহূৰ্তত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানো আয়োজন কৰা হয়। প্ৰয়াত ডেকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাৰ্পণেৰে শ্ৰদ্ধাঞ্জলি যাচি মুকলি কৰে ইতিহাস প্ৰণয়ন সমিতিৰ সভাপতি গৰ্গ নাৰায়ণ পাঠকে। ইয়াৰ পাছতে ডেকাৰ মাতৃ লাবিণ্ৰী ডেকা, পত্নী কণিকা ডেকা, সৰ্থেবাৰী পাঁচখেল গ্ৰাম গয়বহ, ভাৰতী অধ্যয়ন চক্ৰ, সৰ্থেবাৰী পুৰণ বজাৰ ব্যৱসায়ী সন্থা, বৰবিলা গাঁও উন্নয়ন সমিতি, মনসা পূজা উদযাপন সমিতি হেলচা, সৰ্থেবাৰী প্ৰেছ ক্লাৱ, অসম গণ পৰিষদৰ বৰপেটা জিলা সমিতি, কাৰাকুছি মহিলা সমিতি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি তথা ব্যক্তি বিশেষে প্ৰয়াত ডেকালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক গুণজিৎ চৌধুৰীয়ে। হৰগোবিন্দ ডেকাৰ জন্মৰ পৰা মৃত্যুলৈকে সুদীৰ্ঘ জীৱন পৰিক্ৰমাৰ এক চমু বিৱৰণ দাঙি ধৰে। সভাত অগপৰ ৰাজ্যিক সমিতিৰ সদস্য অভয় বৰ্মন, ভাৰতীয় অধ্যয়ন চক্ৰৰ সভাপতি বাণীকান্ত ভূঞা, সৰ্থেবাৰী পাঁচখেলৰ মজুমদাৰ গিৰিশ ডেকা, সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কল্পনাথ ডেকা, অধৰ চন্দ্ৰ ডেকা, বিশিষ্ট ভাগৱতী খগেশ্বৰ ডেকা, মহেশ্বৰ তালুকদাৰ, কৃতী শিক্ষক গোপাল চন্দ্ৰ দাস, নৃপেন্দ্ৰ চৌধুৰী, খগেন ভূঞা, সমাজকৰ্মী উদয় ডেকা, চাণক্য ডেকা, চিত্তৰঞ্জন বৰ্মন, মৃগেন ডেকা, হিতেশ দাসকে আদি কৰি কে'বাজনো ব্যক্তিয়ে হৰগোবিন্দ ডেকাৰ স্মৃতি সোঁৱৰণ কৰে। ভাষণ প্ৰসংগত বক্তাসকলে বৃহত্তৰ সৰুক্ষেত্ৰী অঞ্চলত প্ৰয়াত ডেকাৰ সামাজিক অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁৰ আদৰ্শ আৰু কৰ্মৰাজি সৰুক্ষেত্ৰীৰ সমাজ জীৱনত চিৰদিন জাজ্বল্যমান হৈ থাকিব বুলি সকলোৱে স্বীকাৰ কৰে। পৰিয়ালৰ ফালৰ পৰা তেওঁৰ পত্নী কণিকা ডেকা, কন্যা গৰিমা ডেকা, পুত্ৰ চাৰুকমল ডেকা আৰু ভ্ৰাতৃ গৌতম ডেকাই স্মৃতিচাৰণ কৰে। উল্লেখ্য যে প্ৰয়াত হৰগোবিন্দ ডেকা এজন সফল ব্যৱসায়ী হোৱাৰ উপৰিও সমাজসেৱক আৰু সাংস্কৃতিক কৰ্মী আছিল। অসম সাহিত্য সভাৰ সৰ্থেবাৰী অধিবেশনৰ আদৰণি সমিতিৰ যুটীয়া সম্পাদক ডেকা সৰ্থেবাৰী পুৰণ বজাৰ ব্যৱসায়ী সন্থা, কাৰাকুছি বৰকীৰ্তন ঘৰ পৰিচালনা সমিতি, কাৰাকুছি সত্ৰ সংঘ, হেলচা মনসা পূজা সমিতি, বৰবিলা ভেলপূজা সমিতি আদিকে ধৰি অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। অসম গণ পৰিষদ দলৰ জন্মলগ্নৰ সদস্য ডেকা ৰাজনৈতিকভাৱেও যথেষ্ট সক্ৰিয় আছিল।

## অচিৰে নয়াতৰা বিল বেদখলমুক্তৰ ঘোষণা উপায়ুক্তৰ



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৯ মে' ঃ** বঙাইগাঁও জিলাৰ নয়াচৰা বিলখন বেদখল হৈ থকাৰ অভিযোগৰ পাছত কালি বঙাইগাঁৱৰ উপায়ুক্ত নৱদ্বীপ পাঠকে দুষ্প্ৰাপ্য কাছৰ বিচৰণথলী নয়াচৰা বিল পৰিদৰ্শন কৰে। অবাধ বেদখল অভিযান অব্যাহত থকাৰ ফলত সংকটৰ সন্মুখীন হোৱা বিলখন পৰিদৰ্শন কৰি অতিশীঘ্ৰে বেদখল মুক্ত কৰি উপায়ুক্তই ৰাইজক সংৰক্ষণৰ আশ্বাস প্ৰদান কৰে। উল্লেখ্য যে বঙাইগাঁও আৰু মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ২০০ বিঘাৰ অধিক ভূমিত নয়াচৰা বিল বিস্তাৰিত হৈ আছে। উক্ত বিলত অতিকে দুষ্প্ৰাপ্য কাছৰ লগতে বিভিন্ন প্ৰজাতিৰ মাছ, অজগৰ আদিকে ধৰি জলজ প্ৰাণীৰ বাসস্থান হিচাপে জনাজাত হৈ আহিছে। কিন্তু অতি শেহতীয়াভাৱে বিলখনৰ উত্তৰ দিশে অবাধ বেদখল চলি থকাৰ ফলত বিলখন নিঃচিহ্ন হোৱাৰ উপক্ৰম ঘটিছে। দিনক দিনে বিলৰ মাটি সংকুচিত হৈ অহাৰ ফলত দুষ্প্ৰাপ্য কাছকে ধৰি জলজ প্ৰাণীসমূহৰ সংকট আহি পৰিছে। নয়াচৰা বিল উন্নয়ন আৰু সংৰক্ষণ সমিতিয়ে দাখিল কৰা আবেদনৰ পাছত জিলাখনৰ নৱ নিযুক্ত উপায়ুক্ত নৱদ্বীপ পাঠকে বিষয়টো গুৰুত্বসহ গ্ৰহণ কৰিছে। ফলত উপায়ুক্ত পাঠকে দুষ্প্ৰাপ্য কাছ সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিলখন বেদখল মুক্ত কৰাৰ বাবে পদক্ষেপ হাতত লৈছে। আজি উপায়ুক্ত পাঠকৰ নেতৃত্বত বন সংৰক্ষক ৰাজেন চন্দ্ৰ চৌধুৰী, আই উপত্যকা বন সংমণ্ডল বিষয়া সুবোধ তালুকদাৰ, বঙাইগাঁও আৰু মাণিকপুৰ ৰাজহ চক্ৰ বিষয়া ক্ৰমে ঋণাভ ৰামচিয়াৰী আৰু ৰীতিমণি দাসৰ লগতে জিলা পৰিষদ, পঞ্চায়ত প্ৰতিনিধিৰ বৃহৎ দলে চৌদিশ পৰিভ্ৰমণ কৰে। দুঘন্টা ধৰি বিলখনৰ চৌদিশ খোজ কাঢ়ি পৰিদৰ্শন কৰি জিলা উপায়ুক্ত পাঠকে কাষৰীয়া গাঁওসমূহৰ বাসিন্দাসকলৰ স'তে মত বিনিময় কৰে। আনকি একাংশ বেদখলকাৰীক বিলৰ মাটি স্ব-ইচ্ছাই এৰি দিয়াৰ বাবেও আহ্বান জনায় উপায়ুক্তই। পৰিদৰ্শনৰ অন্তত উপায়ুক্তই ৰাজহ চক্ৰ বিষয়াদ্বয়ক বিলখন বেদখলমুক্ত কৰাৰ বাবে প্ৰয়োজনীয় উচ্ছেদ অভিযানৰ প্ৰস্তুতি চলাবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে বিলখনত থকা দুষ্প্ৰাপ্য কাছ চিকাৰ কৰি একাংশ লোকে বিক্ৰী কৰি আহিছে। বেদখলৰ সুযোগ লৈ একাংশ দুষ্ট প্ৰকৃতিৰ লোকে জাল আৰু বৰশীৰ সহায়ত কাছ চিকাৰ কৰি আহিছে। দীৰ্ঘ দিন ধৰি বহু আবেদন- নিবেদন কৰাৰ অন্তত জিলাখনৰ নৱ নিযুক্ত উপায়ুক্তজনে বেদখলকৃত বিলখন নিজে পৰিদৰ্শন কৰি ৰাইজক বিহিত ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিয়াৰ ফলত স্থানীয় ৰাইজৰ মাজত আশাৰ সঞ্চাৰ ঘটা পৰিলক্ষিত হৈছে।

### নয়াচৰা বিল পৰিদৰ্শন বঙাইগাঁৱৰ উপায়ুক্তৰ

## জ্যেষ্ঠ নাগৰিক, বুকুত মুকুতা কঢ়িয়াই লৈ ফুৰা শামুক সদৃশ

### ■ দেৰগাঁৱত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ অধিৱেশন সম্পন্ন

**দেৰগাঁও ২৯ মে' ঃ** 'সমাজৰ জ্যেষ্ঠসকল হৈছে অলেখ জ্ঞান, অভিজ্ঞতাৰে পৰিপুষ্ট মানুহ। সেই অৰ্থত জ্যেষ্ঠ নাগৰিকসকল, বুকুত মুকুতা কঢ়িয়াই লৈ ফুৰা শামুকৰ দৰে। সেয়েহে কনিষ্ঠসকলৰ বাবে জ্যেষ্ঠসকলৰ দিহা-পৰামৰ্শই জীৱনত সফলতা আনি দিয়ে।' এই মন্তব্য বিশিষ্ট শিক্ষাবিদ তথা দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত চন্দ্ৰ মহন্তৰ। অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দেৰগাঁও শাখাৰ নৱম দ্বিবাৰ্ষিক অধিৱেশন উপলক্ষে পৰহি দেৰগাঁও ক্ৰীড়া সন্থা ভৱনত অনুষ্ঠিত বৰ্তমান সময়ত যুৱ সমাজক সঠিক পথেৰে পৰিচালনা কৰাত জ্যেষ্ঠ নাগৰিকৰ কৰ্তব্য আৰু দায়িত্ব বিষয়ত নিৰ্দিষ্ট বক্তাৰূপে ভাগ লৈ শিক্ষাবিদ মহন্তই এটি সাৰগৰ্ভ ভাষণ দিয়ে। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি তথা ডিকেডি কলেজৰ প্ৰাক্তন অধ্যক্ষ ভোলা হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত নিৰ্দিষ্ট বিষয়ত ভাষণ ৰাখি ডিকেডি কলেজৰ প্ৰাক্তন উপাধ্যক্ষ মহন্তই বৰ্তমান সময়ত যুৱপ্ৰজন্মৰ একাংশ বিপথগামী হোৱাত উদ্বেগ প্ৰকাশ কৰি কয় যে সমাজৰ ভৱিষ্যৎ যুৱসমাজক সঠিক পথ নিৰ্দেশনা দিয়াত জ্যেষ্ঠসকলৰ যথেষ্ট কৰণীয় আছে। তদুপৰি নৈতিক প্ৰমূল্য, চেতনাইহে মানুহক মানুহৰ পৰিচয় দিয়ে। একেদৰে সমাজৰ কল্যাণ সাধিব পৰা নীতি মানি চলাৰ গুৰুত্ব সম্পৰ্কতো তেওঁ ব্যক্ত কৰে। ভাষা আৰু জাতি প্ৰেম নাথাকিলে সমাজ দুৰ্বল হোৱাটো খুবেই স্বাভাৱিক বুলি তেওঁ উল্লেখ কৰে। জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক উমা শংকৰ চাহুৱে উদ্দেশ্য ব্যাখ্যা, সম্পাদকীয় প্ৰতিবেদন আৰু বিত্তীয় প্ৰতিবেদন পাঠ কৰা সভাখন পূৰ্ণিমা দাসৰ এটি ভক্তিমুলক গীতেৰে আৰম্ভ কৰা হয়। অৱসৰপ্ৰাপ্ত অতিৰিক্ত উপায়ুক্ত অনন্ত বৰুৱাই এটি কবিতা আবৃত্তি কৰা সভাখনত দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালীয়ে সন্মানীয় অতিথিৰূপে ভাগ লৈ সন্মিলনৰ কাম-কাজৰ উচ্চ প্ৰশংসা কৰে আৰু যুৱ প্ৰজন্মক পথ নিৰ্দেশনা দিয়াত জ্যেষ্ঠ নাগৰিকসকলৰ গুৰুত্ব ব্যক্ত কৰে। নৱপ্ৰজন্মক তেওঁ কৰ্মযোগী হ'বলৈ আহ্বান জনায়। পৰিৱেশ পৰিস্থিতিৰ তাগিদাত সম্প্ৰতি বৃদ্ধাশ্ৰমসমূহ গঢ়ি উঠাৰ বিষয় উল্লেখ কৰি তেওঁ কয় যে বৃদ্ধাশ্ৰম উঠি গ'লেহে আমি আগৰ সমাজখন ঘূৰাই পাম। ভাষণ প্ৰসংগত তেওঁ দুৰ্নীতি-অনিয়মৰ বিৰোধিতা কৰি কয় যে দুৰ্নীতি-অনিয়মক প্ৰশ্ৰয় নিদিয়াৰ বাবেই আজিৰ তাৰিখতো তেওঁ ভাড়াঘৰতে বসবাস কৰি আছে। সভাখনত সন্মিলনৰ প্ৰাক্তন সভাপতি কুটুবুদ্দিন আহমেদ, সুৰেন্দ্ৰ কুমাৰ দত্ত, গুণীন্দ্ৰ নাথ শৰ্মা, প্ৰফুল্ল বৰা, যতীন্দ্ৰ নাথ নেওগ, অমৃত কোঁৱৰ, মহেশ্বৰ দত্ত, দেৱযানী মহন্ত, বিচিত্ৰ ভূষণ কলিতা, অজিত চন্দ্ৰ দত্ত, অৱনী বৰঠাকুৰ প্ৰমুখ্যে শতাধিক লোকে অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে পুৱা সভাপতি ভোলা হাজৰিকাই পতাকা উত্তোলন, কাৰ্যকৰী সভাপতি নগেন বৰাই বৃক্ষৰোপণ, অৱসৰপ্ৰাপ্ত শিক্ষক আনন্দ চন্দ্ৰ পূজাৰীয়ে ছহিদ তৰ্পণ কৰে। দুপৰীয়া অনুষ্ঠিত বিষয় বাছনি সভাত গত কাৰ্যকালৰ সমিতিখনৰ কাম-কাজৰ সফলতাৰ বাবে পুনৰ সভাপতিৰূপে ভোলা হাজৰিকাক, কাৰ্যকৰী সভাপতিৰূপে নগেন বৰাক আৰু সম্পাদকৰূপে উমাশংকৰ চাহুকে দায়িত্বত ৰাখি সন্মিলনৰ ২১ জনীয়া কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। উল্লেখ্য যে সন্মিলনৰ বৰ্তমান মুঠ সভ্যৰ সংখ্যা ২৪৫ গৰাকী।

## মঙলদৈত অনুষ্ঠিত দৰঙী নাগাৰা নামৰ সামৰণি

বিশেষ সংবাদতাতা

**মঙলদৈ, ২৯ মে' ঃ** মঙলদৈ ইউথ ক্লাবৰ উদ্যোগত সোণালী জয়ন্তী উৎসৱৰ লগত ৰজিতা খুৱাই মঙলদৈ ইউথ ক্লাবৰ সভাকক্ষত অনুষ্ঠিত তিনিদিনীয়া দৰঙী নাগাৰা নামৰ কৰ্মশালা কালি সামৰণি পৰে। প্ৰায় ১৩০ গৰাকী পাঠকে অংশগ্ৰহণ কৰা আৰু উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰা কৰ্মশালাত নাগাৰা নামৰ সম্ৰাট বলোৰাম বৈশ্যই মুখ্য প্ৰশিক্ষক, নাগাৰ নামৰ প্ৰবীণ শিল্পী নৰেশ্বৰ কলিতা, দুলুৰাম বড়ো, হেমকান্ত ডেকা, হৰেন ডেকা, বসন্ত চহৰীয়া, গণেশ ডেকা, মুক্তি ৰাভা আৰু হেম ডেকাই সহযোগী প্ৰশিক্ষক হিচাপে দৰঙী ঠাচত পাঠকসকলক প্ৰশিক্ষণ প্ৰদানৰ অন্তত সামৰণি পৰে। অনাতাঁৰ শিল্পী তথা ছিপাঝাৰ সংগীত মহাবিদ্যালয়ৰ শিক্ষয়িত্ৰী দীপশিখা শইকীয়াই পৰিৱেশন কৰা চিয়াগীতেৰে আৰম্ভ হোৱা সামৰণি অনুষ্ঠানত উপস্থিত থাকি দৰং জিলা উপ-আৰক্ষী অধীক্ষক প্ৰাঞ্জল বৰাই দৰঙী লোক সংস্কৃতিৰ দৰে চহকী সংস্কৃতি আন ক'তোৱেই নাই বুলি দোহাৰি দৰঙী লোককৃষ্টি আৰু লোকশিল্পীসকলক একত্ৰিত কৰি আগুৱাই নিয়াৰ প্ৰচেষ্টা চলোৱা বাবে কলাকৃষ্টি উন্নয়ন সংঘক ধন্যবাদ জ্ঞাপন কৰে। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই আঁত ধৰা আৰু সভাপতি কুলেন্দ্ৰ নাথ ডেকাই সঞ্চালনা কৰা অনুষ্ঠানটোত মঙলদৈ ইউথ ক্লাবৰ সভাপতি গোবিন্দ উপাধ্যায়, সম্পাদক ৰাজীৱ কুমাৰ ডেকা, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি গিৰিশ ডেকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ বুধীন হাজৰিকা, দৰঙী লোক সংস্কৃতিৰ গুৰু ৰত্নকান্ত ডেকা, শিল্পী পেঞ্চনাৰ ৰাজেন্দ্ৰ নাথ ওজা অতিথিৰূপে উপস্থিত থাকে।

## কোকৰাঝাৰ ৰেলৱে ষ্টেছন আকস্মিক পৰিদৰ্শন সাংসদ নাৰ্জাৰীৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৯ মে' ঃ** বিটিআৰৰ সদৰ কোকৰাঝাৰ ৰেলৱে ষ্টেছনৰ যাত্ৰীসকলৰ সা-সুবিধা আৰু ষ্টেছনখন উন্নীতকৰণ সম্পৰ্কীয় অভাৱ অভিযোগৰ বুজ ল'বলৈ কালি কোকৰাঝাৰ ৰেলৱে ষ্টেছনত আকস্মিক পৰিদৰ্শন কৰে ৰাজ্যসভাৰ সাংসদ ৰীণগীৰা নাৰ্জাৰীয়ে। নাৰ্জাৰীয়ে কোকৰাঝাৰ ষ্টেছনৰ অধীক্ষক এম বসুমতাৰীৰ স'তে সমস্যা সম্পৰ্কীয় বুজ ল'বলৈ বাৰ্তালাপ কৰে। পাছত কোকৰাঝাৰ ৰেলৱে ষ্টেছনত নিৰ্মীয়মাণ ৰেলৱে ফ্লাই অভাৰ, টিকট কাউন্টাৰ আৰু বিশুদ্ধ খোৱাপানী আৰু যাত্ৰীৰ জিৰণি চ'ৰাৰ বুজ লৈ সাংবাদিকৰ আগত কোকৰাঝাৰ ৰেলৱে ষ্টেছনৰ তিনি-চাৰিটা সমস্যাৰ কথা ব্যক্ত কৰে। এইক্ষেত্ৰত সাংসদজনে কোকৰাঝাৰ ৰেলৱে ষ্টেছনটো কেনেকৈ উন্নীতকৰণ কৰিব পৰা যায় আৰু ইয়াৰ সমস্যাবোৰ সমাধান কৰিব পাৰি তাৰ বাবে ৰেলৱে বিভাগৰ ঊৰ্ধ্বতন বিষয়া আৰু সংশ্লিষ্ট ৰেলৱে মন্ত্ৰীক যোগাযোগ কৰি সমাধান কৰা হ'ব বুলি আশ্বাস দিয়ে। সাংসদজনে কোকৰাঝাৰৰ জ্যেষ্ঠ নাগৰিকে বহু দিন পূৰ্বতে দিয়া দাবীক আজিকোপতি ৰেলৱে বিভাগে গুৰুত্ব নিদিয়া বুলি জানিব দি কোকৰাঝাৰ ৰেল ষ্টেছনত দেওঘৰলৈ যোৱা সাজা ট্ৰেইনকে ধৰি তিনিখন বিশেষ ৰেলৰ ষ্টপেজ দাবী, চেঁচাপানীত দীৰ্ঘবছৰ ধৰি বন্ধ হোৱা ৰেল ষ্টেছনক পুনৰ নিৰ্মাণেৰে মুকলি কৰা আৰু ষ্টেছনৰ দুটা পাৰে টিকট কাউন্টাৰ খোলা আদি ষ্টেছন সম্পৰ্কীয় সমস্যাৰ বুজ ল'বলৈ উপস্থিত হোৱা বুলি সদৰী কৰে। সাংসদজনক ৰেলৱে ষ্টেছন পৰিদৰ্শন কালত সংগ দিয়ে কোকৰাঝাৰ জ্যেষ্ঠ নাগৰিক ফৰামে।

## ডিমা হাচাওৰ বান-ভূমিস্খলনৰ অঞ্চল পৰিদৰ্শন কেন্দ্ৰীয় প্ৰতিনিধি দলৰ



অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৯ মে' ঃ** আন্তঃ মন্ত্ৰণালয়ৰ কেন্দ্ৰৰ এটি প্ৰতিনিধি দল কালি ডিমা হাচাও জিলাৰ হাফলঙত উপস্থিত হৈছেহি । জিলাখনত বৰষুণৰ পৰিমাণ কিছু হ্ৰাস পোৱাৰ লগে লগে বিগত সময়ছোৱাত বান আৰু ভূমিস্খলনৰ ফলত বিধবস্ত হোৱা সকলো অঞ্চলৰ লগতে ক্ষয়-ক্ষতিৰ পৰিমাণ বুজ ল'বৰ বাবে আন্তঃ মন্ত্ৰণালয়ৰ এক প্ৰতিনিধি দলে ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰি শেহতীয়া ব্যয়ৰ লগতে পৰিস্থিতিৰ বুজ লয়। ইপিনে, নিৰ্ধাৰিত সময় অনুসৰি কালি পুৱাই জিলাখনৰ সদৰ হাফলঙত উপস্থিত হৈছে প্ৰতিনিধি দলটো। দলটোৰ মুখ্য ভূমিকা গ্ৰহণ কৰা ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনাৰ বিত্ত উপদেষ্টা ৰাৱিনাশ কুমাৰ, কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ অঞ্জলি মৌৰীয়া, বিত্ত মন্ত্ৰণালয়ৰ কেন্দ্ৰীয় ব্যয় বিভাগৰ সহ সঞ্চালক গল, কেন্দ্ৰীয় পথ-পৰিবহণ মন্ত্ৰণালয়ৰ এডেলবাৰ্ড চুগিৰ লগতে পি. বিজয় ভাস্কৰ ৰেড্ডি, দুৰ্যোগ ব্যৱস্থাপনাৰ যুটীয়া সচিব আৰু মুখ্য কাৰ্যবাহী বিষয়াও বান আৰু ভূমিস্খলনত ধ্বংস প্ৰাপ্ত অঞ্চলসমূহত পৰিদৰ্শনৰ সময়ছোৱাত উপস্থিত থাকে। অসম ৰাইফল কেম্পৰ পৰা আৰম্ভ কৰি প্ৰতিনিধি দলটোৱে ধ্বংসপ্ৰাপ্ত বিভিন্ন অঞ্চল পৰিদৰ্শন কৰাৰ উপৰিও সম্প্ৰতি শিবিৰত কটোৱা প্ৰায় পাঁচশৰ অধিক লোকৰ স'তেও মিলিত হয়। বিধবস্ত সকলো অঞ্চল পৰিদৰ্শন কৰাৰ পাছত প্ৰতিনিধি দলটোৱে হাফলংস্থিত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন সভাও অনুষ্ঠিত কৰে। উক্ত সভাত ডিমা হাচাও স্বায়ত্ত পৰিষদৰ নেতৃবৰ্গ, বিধায়কৰ উপৰিও জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়াসকলৰে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকতে প্ৰতিনিধি দলটোৱে বিগত সমছোৱাত প্ৰৱল বৰষুণৰ ফলত সৃষ্টি হোৱা বান আৰু ভূমিস্খলনত বিধ্বস্ত স্থানৰ লগতে ধ্বংসপ্ৰাপ্ত চৰকাৰী-বেচৰকাৰীৰ লগতে বান আৰু ভূমিস্খলনত বিধ্বস্ত সকলো জনসাধাৰণৰ গৃহসমূহ অতি শীঘ্ৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰা হ'ব বুলি কয় প্ৰতিনিধি দলটোৱে ।

## চাপৰত দুই গভাইত চোৰক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**চাপৰ, ২৯ মে' ঃ** চাপৰ আৰক্ষীয়ে যোৱা নিশা দুজন গভাইত চোৰক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে যোৱা ২৪ মে'ৰ নিশা চাপৰ চহৰৰ গান্ধী ময়দানৰ সমীপৰ 'অধিকাৰী কমপ্লে'ত থকা কুৰিয়াৰ প্ৰতিষ্ঠান এটাত চুৰি কাৰ্য সংঘটিত হৈছিল। চোৰৰ দৰে প্ৰতিষ্ঠানটোৰ কাৰ্যালয়ত প্ৰৱেশ কৰি নগদ প্ৰায় ৬০ হেজাৰ টকা লুট কৰি নি পলায়ন কৰে। আৰক্ষীয়ে প্ৰতিষ্ঠানটোত থকা চি চি টিভি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰি দুটা চোৰক চিনাক্ত কৰে। ঘটনা সন্দৰ্ভত আৰক্ষী শান্তিপুৰৰ গোবিন্দ নমঃ দাস (৩৫) আৰু কাজিপাৰাৰ ইছমাইল আলী (৩২) ক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৩৭৯ ধাৰত ৯০/২২ নম্বৰ এক গোচৰ ৰুজু কৰি আজি বিয়লি বিলাসীপাৰা আদালতত হাজিৰ কৰোৱাত আদালতে যুৱকদ্বয়ক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত দিছে।

## শিৱসাগৰ হজযাত্ৰীক ৰাজহুৱা সম্বৰ্ধনা ঐক্য সেনা অসমৰ

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৯ মে' ঃ** শিৱসাগৰ জিলাখনৰ পৰা ৰাওনা হ'বলগা জিলাখনৰ ৬৯ গৰাকী হজযাত্ৰীক কালি ঐক্য সেনা অসম শিৱসাগৰ জিলা সমিতিয়ে সম্বৰ্ধনা জ্ঞাপন কৰে। ঐতিহাসিক শিৱসাগৰ নগৰৰ যুৱদলৰ প্ৰাংগণত অনুষ্ঠিত সম্বৰ্ধনা অনুষ্ঠানটো উদ্বোধন কৰি জিলা হজ কমিটীৰ যুটীয়া সম্পাদক তথা জিলা অতিৰিক্ত উপায়ুক্ত বিতোপন নেওগে সকলো হজযাত্ৰীক শুভেচ্ছা জনোৱাৰ লগতে সকলোকে পৱিত্ৰ মক্কা-মদিনালৈ গৈ ভাৰতবাসীৰ লগতে অসমবাসীৰ শান্তিৰ বাবে প্ৰাৰ্থনা জনাবলৈ আহ্বান জনায়। ঐক্য সেনা অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ফৰিদ ইছলাম হাজৰিকাৰ সঞ্চালনাত অনুষ্ঠিত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা আৰু অনুষ্ঠানৰ আঁত ধৰে জিলা সভাপতি বাবলু বেনেট, ৰাজীৱ গগৈ আৰু নবিউৰ ৰহমানে। জিলা হজ কমিটীৰ আন এগৰাকী যুটীয়া সম্পাদক আলহাজ জুনু খানে হজযাত্ৰীসকলে পালন কৰিবলগীয়া চৰকাৰী নিয়ম-নীতিৰ ওপৰত আলোকপাত কৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে সমাজসেৱিকা তথা শিৱসাগৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা মনিকা শইকীয়াই। বক্তব্যত তেওঁ কয় যে সমাজ সুন্দৰকৈ গঢ়িবলৈ সকলোৰে ঐকতা লাগিব। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাবৰ সম্পাদক খলিলুৰ ৰহমান হাজৰিকাই হজযাত্ৰাৰ সম্পৰ্কত কিছু কথা উল্লেখ কৰাৰ লগতে সভাত অংশগ্ৰহণ কৰা বীৰ লাচিত মহাবিদ্যালয়ৰ অধ্যাপক ডঃ সীমান্ত বৰুৱা, ধ্ৰুৱজ্যোতি বৰঠাকুৰ, সহকাৰী আয়ুক্ত নুজহত নাছৰীন, জাগৃত মহিলা সমাজৰ সভানেত্ৰীকে আদি কৰি বিশিষ্ট ব্যক্তিসকলে শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত সাংবাদিক নজিউল্লা হাজৰিকা, জিলা হজ কমিটীৰ ইনামুল খান, মোস্তাফিজ আহমেদ, মিনহাজ আহমেদকে ধৰি ভালেকেইগৰাকী উপস্থিত থাকে।

## বিধ্বস্ত দংবান্ধে আহুকালৰ সৃষ্টি কৰিছে কৃষকক

### ■ সমস্যাৰ গ্ৰাসত কৃষ্ণাইৰ খাৰদাং অঞ্চল ■ নাই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান, নাই শিক্ষক

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৯ মে' ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত খাৰদাং হৈছে অসম-মেঘালয় সীমান্তবৰ্তী এক বৃহত্তৰ জনগোষ্ঠী প্ৰধান অঞ্চল। ৰাভা, গাৰো, কোচ, হাজং,নেপালী আদি জনগোষ্ঠীৰ প্ৰায় ২০ হেজাৰতকৈও অধিক জনসংখ্যাৰ বসতিস্থল খাৰদাং অঞ্চলটো আজিও বিভিন্ন সমস্যাত ককবকাই থাকিবলগীয়া হৈছে। শিক্ষা, কৃষি, যাতায়াত, অনাময় আদিকে ধৰি সকলো ক্ষেত্ৰতে অলেখ সমস্যা খাৰদাং অঞ্চলটোত। অঞ্চলটোৰ প্ৰধান সমস্যা হৈছে শিক্ষা। খাৰদাং অঞ্চলত এখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ খুবেই প্ৰয়োজন। পিছে অঞ্চলটোত আজিও প্ৰতিষ্ঠা নহ'ল এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। ফলত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা ল'বৰ বাবে কৃষ্ণাই নৈ পাৰ হৈ যাবলগীয়া হয় জিৰা উচ্চ মাধ্যমিক বিদ্যালয় বা পুঠিমাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ। পৰিতাপৰ বিষয়, কৃষ্ণাই নৈৰ ওপৰত দলং এখন নথকাত ছাত্ৰ-ছাত্ৰীসকলে ভৰ বাৰিষাও ভৰা নৈ পাৰ হ'ব লাগে তুলুঙা নাৱৰে। ইতিমধ্যে এই তৰেংথপ আৰু জিৰা সংযোগী নৈৰ ঘাটেৰে নাৱত পাৰাপাৰ হ'বলৈ গৈ বিভিন্নজনে দুৰ্ঘটনাৰো সন্মুখীন হৈছে। ৰাইজে এই স্থানত এখন পকী দলং নিৰ্মাণৰ বাবে চৰকাৰৰ ওচৰত অযস্ৰ বাৰ আবেদন-নিবেদন জনাই আহিছে যদিও সেয়া বাস্তৱত পৰিণত হোৱা নাই। ইফালে, অঞ্চলটোত থকা খাৰদাং বেলপাৰা মজলীয়া বিদ্যালয়খনতো নাই পৰ্যাপ্ত শিক্ষক। ১৯৬৩ তে প্ৰতিষ্ঠা লাভ কৰা মজলীয়া বিদ্যালয়খনত বৰ্তমানে মাত্ৰ চাৰিগৰাকী শিক্ষকে পঢ়ুৱাবলগীয়া হৈছে ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীক। এই সন্দৰ্ভত খাৰদাং বেলপাৰা মজলীয়া বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কুশল ৰাভাই নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে চৰকাৰৰ শিক্ষা বিভাগে বৃহত্তৰ খাৰদাং অঞ্চলৰ উচ্চ শিক্ষাৰ দিশটো ফহিয়াই চোৱা উচিত। চৰকাৰে খাৰদাং অঞ্চলত অতিশীঘ্ৰে এখন উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰিব বুলি তেওঁ আশাবাদী। অঞ্চলটোৰ আন এক সমস্যা হৈছে কৃষি ক্ষেত্ৰৰ সমস্যা। ৩০ বছৰৰো আগতে নিৰ্মাণ কৰা খাৰদাং দোংবান্ধটো বহুদিন মেৰামতি নকৰাৰ ফলত এতিয়া বান্ধটো বিধ্বস্ত। ইয়াৰ ফলত যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে কৃষকসকল। ইয়াৰ বিপৰীতে খাৰদাং অঞ্চলত আজিও পৰ্যাপ্ত নহয় খোৱাপানী বা অনাময়ৰ সা সুবিধা। যাতায়াতৰ ক্ষেত্ৰতো অঞ্চলটোত যথেষ্ট সমস্যা বিদ্যমান। অঞ্চলটোৰ সোঁমাজেৰে পাৰ হৈ যোৱা কৃষ্ণাই চাৰিআলি ৰিচুবেলপাৰা গড়কাপ্তানী পথটোৰ বহু ঠাইত এতিয়া প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত ৰাইজৰ যাতায়াতত আহুকালৰ সৃষ্টি হৈছে। খাৰদাং অঞ্চলৰ এই মৌলিক সমস্যাসমূহ অতিশীঘ্ৰে সমাধান কৰিবলৈ অঞ্চলটোৰ সাংস্কৃতিক কৰ্মী তথা বিশিষ্ট সমাজকৰ্মী হিতেশ ৰুংদুঙে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছে। তেওঁৰ আশা চৰকাৰে অন্ততঃ খাৰদাং অঞ্চলত এখন উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান নিৰ্মাণ, দোং বান্ধটোৰ মেৰামতি কৰাৰ লগতে কৃষ্ণাই নৈৰ ওপৰত এখন পকী দলং নিৰ্মাণ কৰি অঞ্চলটোলৈ আমূল পৰিৱৰ্তন অনাত নিশ্চয় ইন্ধন যোগাব।



# ব্ৰহ্মপুত্ৰ-আই-মানাহৰ খহনীয়াৰ তাণ্ডৱ

## ■ মালেগড়ত ভেটিমাটি, ঘৰ-বাৰী উছন ঃ ত্ৰাসিত নৈপৰীয়া ৰাইজ



অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ২৯ মে' ঃ** ব্ৰহ্মপুত্ৰ, আই, মানাহ নৈখহনীয়াৰ তাণ্ডৱত নিদ্ৰাহৰণ হৈছে বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ মালেগড়ৰ নৈপৰীয়া লোকৰ। উল্লেখ্য যে সৃজনগ্ৰাম ৰাজহ চক্ৰৰ অন্তৰ্গত মালেগড় অঞ্চলৰ গোবিন্দপুৰত আৰম্ভ হৈছে এই খহনীয়া। গোবিন্দপুৰ গাঁৱৰ ওচৰেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নৈতে সংলগ্ন হৈছে আই আৰু মানাহ নৈ দুখন। মানাহ, আই আৰু ব্ৰহ্মপুত্ৰ এই নৈ তিনিখনে যোৱা ২৭ মে'ৰ পৰা তীব্ৰ খহনীয়াৰ সৃষ্টি কৰি ক্ৰমে পূবলৈ আগবাঢ়ি অহাত খহনীয়াৰ কবলত পৰিছে বিস্তীৰ্ণ অঞ্চল। নৈকেইখনৰ খহনীয়াৰ কবলত পৰি গাঁওখনৰ ৰাধাকান্ত দাস, নকুল দাসৰ ভেটিমাটি, ঘৰ-বাৰী আজি নৈৰ বুকুত জাহ যোৱাৰ লগতে গুৰু দাস, অনিল দাস, ৰমেশ দাস, বলোৰাম সৰকাৰ, সুধিৰ দাস, সুজিত দাস আদিৰ ঘৰ-বাৰী, ভেটিমাটিৰ লগতে অংগনৱাড়ী কেন্দ্ৰ এটাৰ লগতে কালী মন্দিৰ এটাও খহনীয়াত জাহ যোৱাৰ উপক্ৰম হৈছে।

# বেজেৰাত 'মন কি বাত' কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক সভাপতি কলিতা

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী, ২৯ মে' ঃ** বেজেৰাত আজি 'মন কি বাত' কাৰ্যসূচীত অংশগ্ৰহণ কৰে বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতাই। পুৱা জালুকবাৰী সমষ্টিৰ বেজেৰা মণ্ডল সমিতিৰ অন্তৰ্গত বেজেৰা গাঁও পঞ্চায়তৰ ২১ আৰু ২২ নম্বৰ বুথৰ উদ্যোগত বেজেৰা কৃষ্ণ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত 'মনকি বাত' কাৰ্যসূচীত অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজ্যিক সভাপতিজনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'মনকি বাত' কাৰ্যসূচীৰ জৰিয়তে ৰাজনীতিৰ ঊৰ্ধ্বত থাকি দেশৰ সাধাৰণ জনতাক দেশৰ উন্নয়নমূলক কাম-কাজৰ বিৱৰণ দাঙি ধৰে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীৰ উন্নয়নমূলক কাম-কাজৰ ভূয়সী প্ৰশংসা কৰে সভাপতিজনে। তেওঁ লগতে দেশৰ সকলো সাধাৰণ জনতাক চুই যাব পৰা এই অনুষ্ঠানে ৰাইজৰ মাজত



যথেষ্ট সমাদৰ লাভ কৰি আহিছে বুলিও উল্লেখ কৰে। অনুষ্ঠানত বিজেপিৰ ৰাজ্যিক সভাপতি কলিতাৰ উপৰি বিজেপি বেজেৰা মণ্ডলৰ সভাপতি দিলিপ ডেকা, ২১ আৰু ২২ নম্বৰ বুথৰ সভাপতি দিপন ডেকা, গৌতম নাৰায়ণ ডেকা, জ্যেষ্ঠ বিজেপি কৰ্মী বেদান্ত বৰুৱা, পংকজ বৰুৱা, ধ্ৰুৱজ্যোতি বৰুৱাৰ লগতে বেজেৰা মণ্ডলৰ জ্যেষ্ঠ-কনিষ্ঠ একাংশ কাৰ্যকৰ্তা উপস্থিত থাকে।

# শংকৰদেৱ মহাবিদ্যালয়ত যোগ-ধ্যানৰ কৰ্মশালা



অগ্ৰদূত বাৰ্তা
**লালুক, ২৯ মে' ঃ** লখিমপুৰ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত শংকৰদেৱ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত, যোগ আৰু ধ্যান কেন্দ্ৰৰ সহযোগত যোৱা ২৩ মে'ৰ পৰা তিনিদনীয়া কাৰ্যসূচীৰে মহাবিদ্যালয়ত এটি যোগ কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক নিপন হালৈয়ে সদৰী কৰা মতে, কৰ্মশালাখনত মুখ্য প্ৰশিক্ষকৰ দায়িত্ব পালন কৰে যোগাচাৰ্য বেদকান্ত মহন্তই। তেওঁক সহযোগিতা আগবঢ়াই মালবিকা শইকীয়া আৰু কংকনিকা হাজৰিকাই। যোগ কৰ্মশালাখনত মহাবিদ্যালয়ৰ এনএছএছ গোটৰ প্ৰায় অৰ্ধ শতাধিক স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰে। দিনৰ ১.৩০ বজাৰ পৰা আৰম্ভ হোৱা শিক্ষণ অনুষ্ঠানত বেদকান্ত মহন্তই যোগৰ ঐতিহ্য আৰু আৱশ্যকীয়তাৰ সম্পৰ্কে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক পৰ্যাপ্ত অনুশীলন কৰোৱায়। ভাৰতবৰ্ষ যোগৰ পীঠস্থান বুলি উল্লেখ কৰি তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিয়মীয়াকৈ যোগ অনুশীলন কৰিবলৈ আহ্বান জানয় আৰু ইয়াৰ দ্বাৰা শাৰীৰিক তথা মানসিক উৎকৰ্ষ সাধন হয় বুলি ব্যক্ত কৰে। ২৫ মে'ত হোৱা সামৰণি অনুষ্ঠান সঞ্চালন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অজিত গোস্বামীয়ে।

# হাজোৰ খলিহামাৰীৰ চৰত নিশা অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা
**হাজো, ২৯ মে' ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত এক নম্বৰ খলিহামাৰীৰ চৰত যোৱা নিশা অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। এক নম্বৰ খলিহামাৰীৰ ছাহেৰা খাতুন নামৰ মহিলা এগৰাকীৰ ঘৰত সংঘটিত হয় অগ্নিকাণ্ড। নিজ ঘৰৰ আখলৰ জুইয়ে ছাহেৰাৰ দুটাকৈ টিনপাতৰ ঘৰৰ লগতে নগদ প্ৰায় ১২ হেজাৰ টকা আৰু সকলো নথিপত্ৰ জুইত জাহ যায়। ইফালে, নিশাৰ ভাগত সংঘটিত অগ্নিকাণ্ডৰ জুইৰ লেলিহান শিখাই নিমিষতে ঘৰৰ চৌদিশে বিয়পি পৰাত জুই নিৰ্বাপিত কৰিবলৈ স্থানীয় ৰাইজে বহু চেষ্ট কৰিও জুই নুমুৱাব নোৱাৰিলে। যাৰ ফলত এই অগ্নিকাণ্ডত পৰিয়ালটোৰ যথেষ্ট পৰিমাণে ক্ষতিসাধন হয়।

# বলেন্দ্ৰনাথ শৰ্মালৈ শ্ৰদ্ধাঞ্জলি



■ দেৱেন শইকীয়া

**বলেন্দ্ৰনাথ** শৰ্মা ছাৰ, নামটো উচ্চাৰণ কৰিলেই মনলৈ অহা ছবিখন হৈছে ক্ৰীম ৰঙৰ পেণ্ট-ছাৰ্টেৰে বুকু ফিন্দাই ওপৰলৈ মূৰ কৰি অহা-যোৱা কৰা বিভিন্ন দিশেৰে বাঘহেন ব্যক্তি। সুবক্তা, স্পষ্টবাদী, নিৰ্ভীক, কাম কৰি ভাগৰ নলগা এইজন ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জনাবলৈ কলম লৈ তেওঁৰ কিছুমান উপদেশ, কিছুমান ডুখৰীয়া ছবি মনলৈ আহে। আমি তেওঁ প্ৰধান শিক্ষকতা কৰা বিদ্যালয়ত পঢ়োতে দেখিছিলো বাৰাণ্ডাইদি অহা-যোৱা কৰোতে দৰ্জাৰ কজাৰ ফাঁকেদি শিক্ষকে কি পঢ়ায় নিৰীক্ষণ কৰিছিল আৰু ভুল দেখা পালেই শুধৰাই দিছিল। কথা প্ৰসংগত ছাৰে বাৰে বাৰে কৈছিল—'কামৰ বিকল্প নাই, নিজক বা জাতিটোক চহকী কৰিবলৈ কাম কৰিবই লাগিব। বৰ্তমান আমাৰ এই অৱস্থাৰ কাৰণ হ'ল জাতিটোৰ শ্ৰমবিমুখতা'। ছাৰে উদাহৰণো দেখুৱাইছিল পুৱা চাৰি বজাত বিছনা এৰি পাঁচ বজাৰ পৰা আঠ বজালৈ নিজৰ প্ৰতিষ্ঠানত বহি, ঘৰত এঘণ্টা অধ্যয়ন কৰি, ৯-৪৫ত বিদ্যালয়ত সোমাইছিল। বিদ্যালয় ছুটী হোৱাৰ লগে লগে ঘৰত দুঘণ্টা জিৰাই আবেলি পাঁচ বজাৰ পৰা নিশা ন বজালৈ নিজা প্ৰতিষ্ঠানত বহিছিল।

১৯৭৯ত প্ৰথম কাকতৰ ব্যৱসায় আৰম্ভ কৰোতে পুৱা চাৰি বজাতেই উঠি পৰিবহণ নিগমৰ চৌহদৰ পৰা কাকত সংগ্ৰহ কৰি ভালকৈ পোহৰ হোৱাৰ আগতেই বিলি শেষ কৰিছিল।

ছাৰ সুদক্ষ প্ৰশাসকো। ১৯৭৯তে সৰুকৈ আৰম্ভ কৰা 'ৰুমী-ৰূপক এণ্টাৰপ্ৰাইজ' এতিয়ালৈকে তিনিটা শাখাত প্ৰায় ২১জন কৰ্মচাৰীৰে অসমত জাকত জিলিকা বাতৰি কাকত-আলোচনীৰ পৰিবেশক হৈ উঠিছে। এনে এজন শিক্ষাবিদ, কৰ্মযোগী, তীক্ষ্ণ মেধাৰ বিয়োগত আমি সঁচাকৈয়ে 'গুৰিব'ঠাহীন নাওৰ দৰে হৈ পৰিছো।

তেওঁ এতিয়া আমাৰ মাজত নাই যদিও তেওঁৰ স্মৃতি যোৱা ২৫টা বছৰত পাহৰিব পৰা নাই আৰু নোৱাৰো। কাৰণ তেওঁ মোৰ শিক্ষাগুৰুৱেই নাছিল, আছিল জীৱিকা গুৰুও। আমি পঞ্চম, ষষ্ঠ আৰু সপ্তমমানত তেওঁৰ বিদ্যালয়ত পঢ়িছিলো। শ্ৰেণীত প্ৰথম আছিলো কাৰণে ছাৰৰ মৰম-স্নেহো পাইছিলো। সেই সূত্ৰে স্নাতক ডিগ্ৰী নোলোৱাকৈ আৰ্থিক দুৰৱস্থাৰ কাৰণে ছাৰক তেওঁ প্ৰতিষ্ঠা কৰা ৰুমী-ৰূপক প্ৰতিষ্ঠানত জড়িত কৰিবলৈ অনুৰোধ কৰিলো। ছাৰে একে আষাৰে সন্মতি প্ৰকাশ কৰি আমাক নিযুক্তি দিলে। যোৱা ৩৩টা বছৰে সেই প্ৰতিষ্ঠানত আছো আৰু এতিয়াও জড়িত হৈ আছো। তেওঁ থকা কালত কৰ্মচঞ্চল, কৰ্মতৎপৰ, কামবলিয়া মানুহজনে মোক প্ৰতিমুহূৰ্ততে মুগ্ধ কৰিছিল। মানুহজনৰ কৰ্ম নিপুণতা, স্পষ্টবাদিতা, পৰিষ্কাৰ-পৰিচ্ছন্নতাই তেওঁৰ ব্যক্তিত্বক মহান কৰিছিল। কথাৰে নহয় কামেৰে ইয়াৰ অলেখ নিদৰ্শন দেখুৱাই গ'ল। জাতিটোক, দেশখনক অন্তৰৰ পৰা ভাল পাইছিল কাৰণেই তেওঁ স্পষ্টভাৱে, আনৰ ভালপোৱা, বেয়া পোৱালৈ কেৰেপ নকৰি খাৰাং-খাচকৈ কথাবোৰ কৈছিল। অসম আন্দোলনৰ কেতবোৰ কাৰ্যকলাপেও তেওঁক মনোকষ্ট দিছিল। সেইদৰে সংযুক্ত মুক্তি বাহিনীয়ে সেই সময়ত সন্ত্ৰাসৰ সৃষ্টি কৰাত তেওঁ অতিষ্ঠ হৈ পৰিছিল। দুখেৰে আৰু ক্ষোভেৰে এইবোৰ কথা আমাক কৈছিল। ইয়াৰ পৰিণাম সম্পৰ্কেও মনৰ ভাব ব্যক্ত কৰিছিল। বাহিৰত এটা ভিতৰত এটা প্ৰকৃতিৰ মানুহ নাছিল তেওঁ।

সৰু সৰু কথা আৰু কাহিনীৰ মাজেদিয়েই ছাৰৰ মহত্ত্ব উপলব্ধি কৰিছিলো। এদিন কিবা কামত ছাৰৰ স্কুটাৰত পৰিবহণ নিগমৰ আস্থানৰ মাজেদি যাব লগা হোৱাত ছাৰে কে'বাখনো ৰঙা বাছ দাঁত নিকটাই, গাত ঢেঁকীয়া গছ গজাই পৰি থকা দেখি কৈছিল— দেৱেন, এই নিগমৰ মুৰব্বী মই হ'ব লাগিছিল, চাওঁ কেনেকৈ ইয়াৰ লাভ নহয়, চালোহেঁতেন ইয়াত যাত্ৰী কিয় নুঠিব। ব্যক্তিগত মালিকে নতুন বাছ এখন লৈ দুবছৰত দুখন কৰি পেলায় আৰু পৰিবহণ নিগমে বাছখন দুবছৰতে পৰিত্যক্ত কৰি পেলায়। নিজৰ বিদ্যালয়খনৰ ক্ষেত্ৰতো ছাৰ কঠোৰ আছিল। ৯-৪৫ত মূল গেটত তলা লগাই দিছিল। শিক্ষক-শিক্ষয়িত্ৰীসকলে ঘণ্টামৰাৰ পাছত লগে লগে শ্ৰেণীকোঠালৈ নগ'লে টান কথা শুনাই দিছিল। বিদ্যালয়লৈ মাৰ্জিত পোছাক পৰিধান কৰি নাহিলে টান কথাও শুনাইছিল। ছাৰে আৰু কৈছিল— দুজন শিক্ষক গোট খালে ডি এ, গ্ৰেছুইটি, ইনক্ৰিমেণ্ট আদিৰ কথাহে পাতে, কেতিয়াও ছাত্ৰ-ছাত্ৰীৰ কথা, পাঠ্যক্ৰম আগবঢ়োৱাৰ কথা, মেধাৱী ছাত্ৰ-ছাত্ৰীক আৰু অলপ আদৰ-যত্ন লৈ পঢ়ুওৱাৰ কথা নাপাতে। প্ৰদান শিক্ষক হিচাপে ছাৰে নিজৰ কোঠাটোও পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিছিল।

আনহাতে, ৰুমী-ৰূপক প্ৰতিষ্ঠানক গঢ় দিয়াৰ ক্ষেত্ৰতো তেওঁ ব্যৱসায় সংক্ৰান্তীয় বিষয়ত কঠোৰ আছিল। বিশেষকৈ বাতৰি কাকতৰ গ্ৰাহকে বিল পৰিশোধ কৰাত পলম কৰিলে—আপোনাৰ কাকতৰ বিল বাঢ়ি গৈছে যে— এনেকৈয়ে সোঁৱৰাই দিছিল। ছাৰে মানুহক খুৱাই ভাল পাইছিল। প্ৰতিষ্ঠানটোৰ কৰ্মচাৰীসকলক পুত্ৰৱৎ জ্ঞান কৰি তেওঁলোককো তৃপ্তিৰে খুৱাইছিল। কেতিয়াবা ৪০৭ গাড়ীখনত সকলোকে উঠাই লৈছিল, ড্ৰাইভাৰ, হেণ্ডিমেন কোনো বাদ পৰা নাছিল। গৃহস্থক এনেকৈয়ে কৈছিল— এইকেইটা মোৰ আচল মানুহ...। প্ৰতিবছৰে মাঘ বিহুত ছাৰে দোকানকেইখনৰ কৰ্মচাৰীসকলক ঘৰলৈ নিজা-জলপান খুওৱাটো পৰম্পৰা হৈ পৰিছিল।

উপদেশতকৈ আৰ্হি ভাল— ছাৰে সেই দৃষ্টান্ত হাতে-কামে কৰি দেখুৱাই গ'ল। ঘৰতো আজৰি সময়ত ছাৰ ব্যস্ত হৈ আছিল। খৰালি ছাৰে আন ১০জনৰ আগেয়ে শাক-পাচলিৰ খেতি কৰিছিল। সকলোতকৈ আগেয়ে বিধ বিধ শাক-পাচলিৰ খেতি কৰি এসাঁজ আগতীয়াকৈ ঘৰখনৰ সকলোৰে খোৱাৰ উপৰি ওচৰ-চুবুৰীয়াকো দি থৈ সন্তোষ পাইছিল। স্বাৱলম্বী ছাৰ মিতব্যয়ীও আছিল। আৰম্ভণিৰ কালছোৱাত ৰুমী-ৰূপকত টাইপ মেচিন, কম্পিউটাৰ একো নাছিল। কাগজেই ব্যৱহাৰ কৰা হৈছিল। ছাৰে অপচয় ৰোধ কৰিবৰ বাবে কেছমেমো বহী, বাতৰি কাকত পঠোৱা টোপোলাৰ উকা বকলাবোৰেৰে বহী বনাই লৈ ব্যৱহাৰ কৰিছিল। ছাৰৰ জীৱনৰ এনেধৰণৰ অলেখ কাহিনী মুহূৰ্তে মুহূৰ্তে মনলৈ আহে। ২৫ বছৰীয়া স্মৃতিদিৱসত এইখিনি লেখাৰেই বলেন্দ্ৰনাথ শৰ্মা ছাৰলৈ প্ৰণিপাত জনাইছো।

*লেখক ৰুমী-ৰূপক প্ৰতিষ্ঠানত দীৰ্ঘদিনৰ পৰা জড়িত। কাকত আলোচনীৰ পত্ৰ লেখক।*

# সেনাৰ যুৱ প্ৰেৰণা অনুষ্ঠান তেজপুৰত ঃ অস্ত্ৰ, যুদ্ধ কৌশল আৰু সাংস্কৃতিক কাৰ্যসূচীৰ প্ৰদৰ্শন



ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ২৯ মে' ঃ** দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ যুৱ শক্তিক সেনাৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে তথা দেশৰ স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে পালন কৰা আজাদি ক্য অমৃত মহোৎসৱৰ ১৩ পৃষ্ঠাত চাওক

# দৰঙত বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ সজাগতা অনুষ্ঠান

বিশেষ সংবাদদাতা
**মঙলদৈ, ২৯ মে' ঃ** ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে কালি দৰঙতো আয়োজন কৰা হয় বিশ্ব ঋতুস্ৰাৱ স্বচ্ছতা দিৱসৰ কাৰ্যসূচী। এই দিৱসৰ স'তে সংগতি ৰাখি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান দৰঙৰ উদ্যোগত কালি দৰং জিলাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যক্ৰমৰ ভ্ৰাম্যমাণ চিকিৎসা দলৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়িত হয়। উল্লেখ্য যে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত এই দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা হৈছে এক অনলাইন কুইজ প্ৰতিযোগিতাৰ। নিম্ন উল্লিখিত লিংক দুটাৰ জৰিয়তে এই অনলাইন প্ৰতিযোগিতাত অংশ ল'বলৈ জিলা স্বাস্থ্য বিভাগে সকলোৰে প্ৰতি আহ্বান জনাইছে। আনহাতে, গৰ্ভৱতী মহিলাসকলৰ সঠিক স্বাস্থ্য পৰীক্ষা সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে অহা ৩০ মে'ৰ পৰা পাঁচ জুনলৈ সমগ্ৰ ৰাজ্যৰ লগতে দৰঙতো অনুষ্ঠিত হ'ব বিশেষ প্ৰাক্ প্ৰসৱকালীন পৰীক্ষা শিবিৰ।

# ভাৰত-ভূটান সীমান্তৰ শিক্ষানুষ্ঠানত গছপুলি ৰোপণ

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৯ মে' ঃ** বিশ্ব পৰিৱেশ দিৱসৰ প্ৰাক্মুহূৰ্তত তামুলপুৰ জিলাৰ কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত ভাৰত-ভূটান সীমান্তৰ কুৰিখন শিক্ষানুষ্ঠানত গছপুলি ৰোপণৰ এক কাৰ্যসূচী গ্ৰহণ কৰিছে। প্ৰকৃতি সুৰক্ষাৰ লগতে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত ঔষধি গছ, থলুৱা গছৰ স'তে চিনাকি কৰি দিয়াৰ মানসেৰে ঔষধিযুক্ত ফলমূলকে ধৰি সৌন্দৰ্যবৰ্ধনকাৰী বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণৰ এক অভিনৱ কাৰ্যসূচী যোৱা ২৭ মে'ৰ পৰা আৰম্ভ কৰা হয়। সীমান্তৱৰ্তী আঙাৰকাটা নতুনবস্তি প্ৰাথমিক বিদ্যালয়ৰ চৌহদত এই গছপুলি ৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰা হয়। কুমাৰীকাটা ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া বীৰেন্দ্ৰ নাথ বড়োৱে সদৰী কৰা মতে, ভূটান সীমান্তৰ্তী কুৰিখন বিদ্যালয়ৰ প্ৰতিখনতে ৭৫ জোপা বিভিন্ন জাতৰ ফলমূল, সৌন্দৰ্য বৰ্ধনকাৰী আৰু ঔষধিযুক্ত গছপুলি ৰোপণ কৰা হ'ব। উক্ত কাৰ্যসূচীত বিদ্যালয়ৰ প্ৰধান শিক্ষক শুকলাল চৰকাৰ প্ৰমুখ্যে কুমাৰীকাটা ৰেঞ্জৰ ভাৰপ্ৰাপ্ত বনাঞ্চলিক বিষয়া বীৰেন্দ্ৰ নাথ বড়ো, বনকৰ্মী ভদ্ৰেশ্বৰ বড়ো, প্ৰফুল্ল ৰাজবংশী আৰু ৰবি বড়ো উপস্থিত থাকে।

# বালিজানত ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা
**মেলামাটি, ২৯ মে' ঃ** পশ্চিম তিতাবৰ অঞ্চলৰ খাৰখোৱা বালিজানত নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমিতিৰ উদ্যোগত টী ব'ৰ্ডৰ যোৰহাটৰ মাণ্ডলিক কাৰ্যালয়ৰ যোগেদি কালি অঞ্চলটোৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ প্ৰশিক্ষণ সম্পন্ন হয়। চাহ খেতিৰ উৎপাদন বৃদ্ধি, কোৱালিটী চাহ উৎপাদন, চাহ গছৰ ৰোগ নিৰাময়, টী ব'ৰ্ডৰ অনুমোদিত ঔষধ প্ৰয়োগ আৰু গ্ৰীণ টী, হোৱাইট টী প্ৰস্তুতকৰণ সম্পৰ্কত প্ৰশিক্ষণ চাহ খেতিয়কসকলে গ্ৰহণ কৰে। যোৰহাটৰ টী ব'ৰ্ডৰ উন্নয়ন বিষয়া কমল মজুমদাৰ, টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ বিশেষজ্ঞ ডং শ্যামল কুমাৰ ফুকন আৰু অসম কৃষি বিশ্ববিদ্যালয়ৰ চাহ বিষয়ৰ গৱেষক ছাত্ৰ নৱজিত তাঁতীয়ে চাহ খেতিয়কসকলক প্ৰশিক্ষণ প্ৰদান কৰে। চাহ খেতিত কেমিকেল ব্যৱহাৰ কৰাৰ ১৩ পৃষ্ঠাত চাওক

# গোলাঘাটত শিশুৰ পৰিপুষ্টিহীনতাৰ সন্দৰ্ভত সভা

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ২৯ মে' ঃ** পৰিপুষ্টিহীনতা শিশুহঁতক চিনাক্তকৰণ আৰু বোকাখাতস্থিত পৰিপুষ্টি কেন্দ্ৰলৈ প্ৰেৰণৰ উদ্দেশ্যে গোলাঘাটৰ বিভিন্ন চাহ বাগিচাত সজাগতা সভা অনুষ্ঠিত হৈছে। বে-চৰকাৰী সংগঠন চিনি উদ্যোগত জিলা যক্ষ্মাৰোগ নিয়ন্ত্ৰণ বিভাগ আৰু সমাজ কল্যাণ বিভাগৰ সহযোগত ২৫ মে'ত উদয়ন চাহ বাগিচাৰ প্ৰেক্ষাগৃহত ২৬ মে'ত ৰঙাজান চাহ বাগিচাত এনে সজাগতা সভা অনুষ্ঠিত কৰাৰ পাছত যোৱা ২৭ মে'ত উষা চাহ বাগিচাত এখন সজাগতা সভা অনুষ্ঠিত হয়। এই ধাৰাবাহিক কাৰ্যসূচীত জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক অৰুণ মহন্ত, সমাজ কল্যাণ বিভাগৰ সমন্বয়ক প্ৰীয়মজিৎ দুৱৰা, জিলা যক্ষ্মাৰোগ নিয়ন্ত্ৰণ বিভাগৰ বিষয়া তথা জিলা ধপাত নিয়ন্ত্ৰণ বিভাগৰ ডাঃ সুনিতা এক্কা, গোলাঘাট ছহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ পৰিপুষ্টি বিশেষজ্ঞা চেমিম চুলতানা, সংহত শিশু উন্নয়ন প্ৰকল্পৰ মুখ্য সেৱিকা ছেমিম হক, খণ্ড সমন্বয়ক বিতোপন দত্ত আৰু খণ্ড সহায়ক ৰাজীৱ ফুকনকে ধৰি বহুসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে।

# লালুকত চোৰৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা
**লালুক, ২৯ মে' ঃ** লালুক আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত চোৰৰ উপদ্ৰৱ ক্ৰমাৎ বৃদ্ধি পাইছে। যোৱা নিশাও লালুক থানাৰ পৰা ১০০ মিটাৰ দূৰত্বত থকা এখন ম'বাইল দোকানত চোৰে প্ৰৱেশ কৰি চুৰিকাৰ্য সংঘটিত কৰে। লালুক বাছ আস্থানৰ নিচেই সমীপতে থকা চুলমান আলীৰ ম'বাইল দোকানত নিশা চোৰে দোকানৰ ওপৰৰ ফালৰ টিনপাত কাটি ভিতৰৰ চিলিং ভাঙি প্ৰৱেশ কৰে। দোকানৰ স্বত্বাধিকাৰী আলীয়ে সদৰী কৰা মতে, চোৰে দোকানখনৰ পৰা বিভিন্ন গ্ৰাহকে মেৰামতি কৰিবলৈ দিয়া বহুকেইটা ম'বাইল, বিক্ৰী কৰিবলৈ ৰখা ম'বাইলৰ বিভিন্ন পাৰ্টছৰ লগতে কে'বাটাও ১৩ পৃষ্ঠাত চাওক

# অসমীয়া কৌতুকধৰ্মী ছবি 'এমুঠি পুঠি'ৰ প্ৰচাৰ যোৰহাটত

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ২৯ মে' ঃ** 'কথানদী আৰু 'আমিষ' চলচ্চিত্ৰৰে ৰাইজৰ পৰা মৰম বুটলিবলৈ সক্ষম হোৱা ভাস্কৰ হাজৰিকাৰ কাহিনী আৰু নৰাগতা কুলানন্দিনী মহন্তৰ দ্বাৰা পৰিচালিত আৰু মেটামৰ্মেল আৰু ৰুহান ফিল্মছে দ্য ভাইব ষ্টুডিঅ'ৰ সহযোগত প্ৰযোজনা কৰা অসমীয়া কৌতুকধৰ্মী কথাছবি 'এমুঠি পুঠি'ৰ প্ৰমোচন কালিৰে পৰা উজনিত আৰম্ভ হৈছে। মেটামৰ্মেল ম'চন পিকচাৰ্ছৰ উদ্যোগত 'এমুঠি পুঠি'ৰ কলা-কুশলীৰ এটা দলে যোৰহাটৰ বিভিন্ন প্ৰান্তৰ আগশাৰী শিক্ষানুষ্ঠান মৰিয়নি মহাবিদ্যালয়, জগন্নাথ বৰুৱা মহাবিদ্যালয়, দেৱীচৰণ বৰুৱা ছাত্ৰী মহাবিদ্যালয় আৰু চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়ৰ উপৰি দেৰগাঁৱৰ নৃত্যাঞ্জলি কলা কেন্দ্ৰ আৰু ঐতিহ্যমণ্ডিত যোৰহাট থিয়েটাৰত প্ৰচাৰ চলায়। এমুঠি পুঠিৰ পৰিয়ালটোৱে প্ৰচাৰৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলৰ উপৰি শিক্ষক-শিক্ষয়িত্ৰী আৰু চিনেমা অনুৰাগীসকলক ছবিখনৰ বিষয়ে অৱগত কৰাৰ উপৰি ছবিখন চাবলৈ আহ্বান জনায়। ইপিনে, কালি সন্ধিয়া যোৰহাট থিয়েটাৰত 'এমুঠি পুঠি'ৰ পৰিচালক কুলানন্দিনী মহন্ত, লেখক ভাস্কৰ হাজৰিকা, সহকাৰী পৰিচালক সুনয়না দত্ত, প্ৰযোজক শ্যাম বৰাৰ লগতে অভিনেত্ৰী ১৩ পৃষ্ঠাত চাওক

# ছিপাঝাৰত দুৰ্ঘটনাত নিহত লোকৰ পৰিয়ালৰ কাষত গৰিয়া-মৰিয়াৰ সঁজাতী দল

বিশেষ সংবাদদাতা
**মঙালদৈ, ২৯ মে' ঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ সমীপত ১৫ নম্বৰ ঘাইপথত ২৪ মে'ত সংঘটিত ভয়াবহ দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ পৰিয়ালৰ কাষত থিয় হৈ সমবেদনা প্ৰকাশ কৰিছে দৰং জিলা গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ এটা সঁজাতী দলে। সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, পৰিষদৰ দৰং জিলা সমিতিৰ সভাপতি আমান উল্লা পাছা আৰু সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বত যোৱা সঁজাতী দলটোৱে দুৰ্ঘটনাত নিহত আটাইকেইজন লোকৰ ঘৰলৈ গৈ পৰিয়ালক সাক্ষাৎ কৰে। পৰিষদৰ দৰং জিলা সমিতিয়ে দুৰ্ঘটনাত নিহতৰ পৰিয়ালক ২০ লাখ টকা আৰু আহতৰ পৰিয়ালক ১০ লাখ টকাকৈ এককালীন সাহায্য প্ৰদান কৰাৰ দাবী জনোৱাৰ লগতে ১৩ পৃষ্ঠাত চাওক

# কাটাঝাৰত চাইকেলৰ খুন্দাত আহত বৃদ্ধা

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২৯ মে' ঃ** বৰপেটা ৰোড-মানাহ ৰাষ্ট্ৰীয় উদ্যান সংযোগী পথৰ কাটাঝাৰত আজি দিনৰ ভাগত এক পথ দুৰ্ঘটনা সংঘটিত হয়। তীব্ৰবেগী পালছাৰ মটৰ চাইকেলে মহটিয়াই নিয়ে এগৰাকী বৃদ্ধাক। বৰপেটাৰোড অভিমুখী এ এছ-১৫ ইউ ৪৩২৪ নম্বৰৰ তীব্ৰবেগী পালচাৰ বাহনখনে সুৰবালা ৰায় নামৰ বৃদ্ধাগৰাকীক খুন্দিওৱাৰ ফলতে সংঘটিত হয় দুৰ্ঘটনাটো। প্ৰত্যক্ষদৰ্শীৰ মতে, বৃদ্ধাগৰাকী পথৰ কাষত থিয় হৈ আছিল। তেনেতে তীব্ৰবেগী বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই প্ৰচণ্ড জোৰেৰে খুন্দিয়ায় বৃদ্ধাগৰাকীক। তাৰ পাছতে গুৰুতৰভাৱে আহত বৃদ্ধাগৰাকীক ১০৮ এম্বুলেন্স যোগে ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে দুৰ্ঘটনা সংঘটিত কৰিয়েই বাহনখন এৰি পলায়ন কৰে। আৰোহীয়ে।

# জামুগুৰিত ধৰ্মপ্ৰাণা মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**ফৰকাটিং, ২৯ মে' ঃ** গোলাঘাট জিলাৰ জামুগুৰি পঞ্চায়তৰ অন্তৰ্গত এক নম্বৰ জামুগুৰিৰ পোৱালি পথাৰৰ ধৰ্মপ্ৰাণা মহিলা লাৱণ্য ভৰালী (৫২)ৰ কালি নিজ বাসগৃহত মৃত্যু হয়। উল্লেখ্য যে অমায়িক মহিলাগৰাকী দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ স্বামীসহ আৰু ককাৰ লগতে পুত্ৰ, জী, বহু আত্মীয়ক এৰি যায়। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# আছুৰ প্ৰতিনিধি সভা-নতুন সমিতি গঠন

**বৰমা, ২৯ মে' ঃ** বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত কালি বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হয়। সন্থাৰ সভাপতি গুনজিৎ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি আৰু বিষয়-বাছনি সভাত বৰমা আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন সমিতিখন গঠন কৰা হয়। সভাত জয়ন্ত বৰ্মনক সভাপতি, প্ৰদীপ বৰ্মনক সাধাৰণ সম্পাদক হিচাপে লৈ ৪১ জনীয়াকৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাৰ পূৰ্বে আছুৰ পতাকা উত্তোলন কৰে বৰমা আছুৰ সভাপতি গুণজিৎ বৰ্মনে, ছহিদ তৰ্পণ কৰে বৰমা আছুৰ সম্পাদক নৱজিৎ ৰাজবংশীয়ে, বৃক্ষৰোপণ কৰে আব্দুল মতিন আলী, আব্দুল মজিদ আলী আৰু পাপুমনি দাসে। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৰজিত বেজবৰুৱা, নলবাৰী জিলা ১৩ পৃষ্ঠাত চাওক

# উন্মুক্ত মাংসৰ দোকানে গ্ৰাহকৰ জীৱনলৈ সংকট মাতিছে

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ২৯ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৃহত্তৰ শুৱালকুছিতো ঠায়ে ঠায়ে ছাগলীৰ মাংসৰ দোকান দেখা যায়। সৰহ সংখ্যক ছাগলী মাংসৰ বেপাৰী বিহাৰী সম্প্ৰদায়ৰ। প্ৰতিদিনে এইসকল বেপাৰীয়ে পুৱা গধুলি তিনি-চাৰিটাকৈ ছাগলী বধ কৰি গ্ৰাহকক বিক্ৰী কৰি আহিছে। কটা ছাগলীবোৰ উন্মুক্ত অৱস্থাত ওলমাই ৰাখি বিক্ৰী কৰা দেখা যায়। য'ত বিভিন্ন বেমাৰৰ বীজাণুৰ দ্বাৰা সংক্ৰমিত হৈ প্ৰতি মুহূৰ্ততে গ্ৰাহকৰ জীৱনলৈ সংশয় কঢ়িয়াই অনাৰ সম্ভাৱনা প্ৰকট। এই ক্ষেত্ৰত গ্ৰাহকসকলো সচেতন নহয়। নিয়ম মতে, এখন ছাগলী মাংসৰ দোকান গ্লাচৰ ঘৰেৰে আবৃত হ'ব লাগে লগতে চৰকাৰী নিয়ম অনুযায়ী মাংসৰ বাবে বধ কৰা ছাগলীটো পশু চিকিৎসকৰ দ্বাৰা প্ৰমাণিত হ'ব লাগে। পশু চিকিৎসকৰ প্ৰত্যায়িত প্ৰমাণপত্ৰ দোকানত গ্ৰাহকে দেখাকৈ আৰি থ'ব লাগে। কিন্তু এই সকলো নীতি-নিয়মক আওকাণ কৰি নীতি বহিৰ্ভূতভাৱে উন্মুক্ত অৱস্থাত বিক্ৰী কৰি আছে ছাগলীৰ মাংস। ফলত বহুসংখ্যক মানুহ প্ৰতিদিনে অচিন ৰোগৰ চিকাৰ হৈ মৃত্যু পৰ্যন্ত হৈ আছে। আনহাতে, এই ক্ষেত্ৰত পঞ্চায়ত প্ৰতিনিধিসকলে তেওঁলোকৰ দায়িত্ব নিয়াৰিকৈ পালন কৰা দেখা নাযায়। পঞ্চায়তৰ চকুৰ সন্মুখতে এনেদৰেই দিনে দিনে বিক্ৰী হৈ আছে ছাগলীৰ মাংস। সময় থাকোতে এইসকল বেপাৰীক আইনী ব্যৱস্থাৰ আওতাত আনি জনসাধাৰণৰ জীৱন সুৰক্ষিত



কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষ, সংগঠন আৰক্ষী প্ৰশাসনক পঞ্চায়ত প্ৰতিনিধি, জাতীয় ৰাইজে দাবী জনাইছে।

# ১৪ সংখ্যক আন্তৰ্জাতিক মায়া কামাথ সোঁৱৰণী ৰাজনৈতিক কাৰ্টুন

**প্ৰতিযোগিতাত অসমৰ সুমন্ত বৰুৱাৰ প্ৰথম স্থান অধিকাৰ**



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ মে' ঃ** 'বাংগালুৰুৰ ভাৰতীয় কাৰ্টুনিষ্ট প্ৰতিষ্ঠান' (ইণ্ডিয়ান ইনষ্টিটিউট অৱ কাৰ্টুনিষ্ট)ৰ দ্বাৰা আয়োজিত ১৪ সংখ্যক আন্তৰ্জাতিক মায়া কামাথ সোঁৱৰণী ৰাজনৈতিক কাৰ্টুন প্ৰতিযোগিতাৰ ভাৰতীয় শাখাত অসমৰ সুমন্ত বৰুৱাই প্ৰথম স্থান অধিকাৰ কৰি বঁটাৰ বাবে নিৰ্বাচিত হৈছে। এই প্ৰতিযোগিতাত ভাৰতৰ ১০১গৰাকী আৰু বিদেশৰ ১৪৭গৰাকী কাৰ্টুনিষ্টে অংশগ্ৰহণ কৰিছিল। ভাৰতৰ একমাত্ৰ মহিলা ৰাজনৈতিক কাৰ্টুনিষ্ট মায়া কামাথ (১৯৫১-২০০১)ৰ স্মৃতিত মায়া কামাথ স্মৃতি ন্যাসে ইণ্ডিয়ান ইনষ্টিটিউট অৱ কাৰ্টুনিষ্টৰ সহযোগত ২০০৮ৰ পৰা বছৰি এই বঁটা প্ৰদান কৰি আহিছে। বছৰটোৰ ভিতৰত বাতৰি কাকত, আলোচনী বা ৱেবছাইটত প্ৰকাশিত ইংৰাজী অথবা যিকোনো ভাৰতীয় ভাষাৰ ৰাজনৈতিক কাৰ্টুন শিল্পীসকলৰল পৰা আহ্বান কৰা হয়। তাৰ মাজৰ পৰা জুৰীয়ে বঁটাৰ বাবে নিৰ্বাচন কৰে। এইবাৰ প্ৰথম স্থানৰ বাবে নিৰ্বাচিত হোৱা বৰুৱাৰ কাৰ্টুনটো জনপ্ৰিয় অসমীয়া আলোচনী 'সাতসৰী'ৰ ২০২১ৰ জুলাই সংখ্যাত প্ৰকাশ পাইছিল। বিশিষ্ট সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী সম্পাদিত 'সাতসৰী'ৰ 'নিৰীক্ষণ' শিতানত ২০০৮ৰ পৰা সুমন্ত বৰুৱাৰ বৈজ্ঞানিক আৰু ৰাজনৈতিক কাৰ্টুন প্ৰকাশ হৈ আছে। বিশ্বনাথ চাৰিআলিৰ সন্তান বৰুৱাই ১৯৯০ৰ দশকৰ ছাত্ৰাৱস্থাৰ পৰাই বিশেষকৈ বিজ্ঞানভিত্তিক কাৰ্টুন অংকন কৰি আহিছে। তেওঁৰ কাৰ্টুন বিজ্ঞান জেউতি আৰু সৰ্বভাৰতীয় আলোচনী ছায়েন্স ৰিপ'ৰ্টাৰ, ৰিজ'নেন্স আদিত প্ৰকাশ পাইছে। বাংগালুৰুৰ প্ৰদৰ্শনীৰ উপৰি বিদেশতো তেওঁৰ কাৰ্টুন প্ৰদৰ্শিত হৈছে। তেওঁ বিশ্বনাথ চাৰিআলিত অনুষ্ঠিত শিশু আৰু চেমনীয়াৰ কাৰ্টুন অংকন কৰ্মসালা আৰু বিজ্ঞান সাহিত্যৰ কৰ্মশালাতো কাৰ্টুন অংকনৰ সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিছে।

## নকছাৰীত আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাৱ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**নকছাৰী, ২৯ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় ছেভ দ্য চিলড্ৰেনছ নামৰ বেচৰকাৰী সংগঠনটোৰ উদ্যোগত ১৬ নম্বৰ উত্তৰ পূব নকছাৰী গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত কালি আন্তঃৰাষ্ট্ৰীয় ঋতুস্ৰাৱ দিৱস পালন কৰে। ছেভ দ্যা চিলড্ৰেনছৰ যোৰহাট জিলাৰ জিলা ব্যৱস্থাপক মৃগাংক বাহকে আঁত ধৰা নকছাৰীৰ চি এছ চি ফেচিলেটৰ ৰামানুজন গগৈ আৰু কমিউনিটি মবিলাইজাৰ ৰিম্পী গগৈয়ে সহযোগিতা কৰা অনুষ্ঠানত উপস্থিত থাকি বক্তব্য আগবঢ়াই প্ৰহেলি স্বেচ্ছাসেৱী অনুষ্ঠানৰ সঞ্চালিকা চিনুমণি বৰা আৰু চি ডি পি অ' নাংদে শ্যামে। তেওঁলোকে ঋতুস্ৰাৱৰ সময় মহিলাসকলৰ বাবে এক অতি গুৰুত্বপূৰ্ণ সময় এই সময়ত মহিলাসকলে যথেষ্ট সাৱধানে চলিব লাগে। বৰ্তমান আমাৰ সমাজ ব্যৱস্থাৰ বাবে বহু মহিলাই সেই সময়ত অতি অস্বাস্থ্যকৰ পৰিৱেশত থাকি স্বাস্থ্য ক্ষতি হোৱা দেখিবলৈ পোৱা যায়। সভাত অঞ্চলটোৰ যথেষ্ট সংখ্যক মহিলা উপস্থিত আছিল।

## আছুৰ প্ৰতিনিধি সভা-নতুন

*১২ পৃষ্ঠাৰ পৰা* ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠক, অসম সেনা নলবাৰী জিলা সমন্বয়ৰক্ষী সমিতিৰ মুখ্য আহ্বায়ক কন্দৰ্প শৰ্মাই আছুৰ নীতি-আদৰ্শৰ ওপৰত বক্তব্য ৰাখে। সভাত নলবাৰী জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক নিৰোজুদ্দিন আহমেদ, নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আব্দুল মতিন আলীৰ উপৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## ছিপাঝাৰত দুৰ্ঘটনাত নিহত

*১২ পৃষ্ঠাৰ পৰা* আহতসকলৰ সকলো চিকিৎসা বিনামূলীয়াকৈ আগবঢ়াবলৈ চৰকাৰক দাবী জনায়। ইপিনে, বাইহাটা চাৰিআলিৰ পৰা তেজপুৰলৈ ফৰলেনযুক্ত পথৰ শীঘ্ৰে নিৰ্মাণৰ দাবী জনায়।

## অসমীয়া কৌতুকধৰ্মী ছবি 'এমুঠি

*১২ পৃষ্ঠাৰ পৰা* প্ৰতিভা চৌধুৰী, সৃষ্টি শৰ্মা, নীতালি দাস আৰু ৰোনাল্ড হুছেইনে এক অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰে। 'এমুঠি পুঠি' হ'ল এখন কৌতুকধৰ্মী নাটক যিয়ে দৰ্শকসকলক অসমৰ বঙাইগাঁৱৰ পৰা মাজুলীলৈ এটা আমোদজনক পথেৰে ভ্ৰমণ কৰাব আৰু এটা পৰিয়ালৰ তিনি প্ৰজন্মৰ মহিলাৰ সংঘাত-দুঃসাহসিক অভিযানৰ অন্বেষণ কৰাব। ছবিখনত জনপ্ৰিয় অভিনেত্ৰী প্ৰতিভা চৌধুৰী, নীতালি দাস আৰু সৃষ্টি শৰ্মাই মুখ্য চৰিত্ৰত অভিনয় কৰাৰ উপৰি সহকাৰী অভিনেতা-অভিনেত্ৰীসকলৰ ভিতৰত আছে কেনি বসুমতাৰী, চমুকি কছাৰী, মনালিছা ভূএঞা আৰু ৰুবুল বড়োৰ দৰে জনপ্ৰিয় অভিনেতা-অভিনেত্ৰী। উল্লেখ্য যে ছবিখন ২০২২ৰ ১৭ জুনত ছবিগৃহত মুক্তি পাবলৈ সাজু হৈছে। আনফালে, ট্ৰেইলাৰখন ইউটিউব, ফেচবুক আৰু ইনষ্টাগ্ৰামৰ দৰে ছ'চিয়েল মিডিয়া প্লেটফৰ্মত ইতিমধ্যে মুকলি কৰা হৈছে।

## সেনাৰ যুৱ প্ৰেৰণা অনুষ্ঠান

*১২ পৃষ্ঠাৰ পৰা* এক বৰ্ণাঢ্য কাৰ্যসূচী পালন কৰা হয় তেজপুৰত। দেশৰ ইতিহাস, গৌৰৱ আৰু সংস্কৃতিক প্ৰতিফলিত কৰি কালি তেজপুৰ বিশ্ববিদ্যালয়ৰ সহযোগত তথা বিশ্ববিদ্যালয় চৌহদত তেজপুৰ স্থিত সেনাৰ চতুৰ্থ ক'ৰৰ পৰিচালনাত ব্লেজিং চৰ্দ ডিভিজনে এই যুৱ প্ৰেৰণা অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক কাৰ্যসূচীৰ লগতে এখন মেলাও অনুষ্ঠিত কৰা সেনাই ইয়াত অস্ত্ৰ শস্ত্ৰৰো প্ৰদৰ্শন তথা যুদ্ধত ইয়াৰ ব্যৱহাৰৰ বিষয়েও বৰ্ণনা কৰে। তদুপৰি যুদ্ধৰ কৌশলো প্ৰদৰ্শন কৰা এই বিশেষ কাৰ্যসূচীৰ লগতে দেশৰ সেনাৰ বীৰ যোদ্ধাসকলৰ বিষয়েও জনোৱা হয়। সেনাত নিযুক্তিৰ সুযোগৰ লগতে শিখ সমৰকৌশল গটকাৰ প্ৰদৰ্শন তথা বিহু, ভাঙৰা আদি নাচেৰে বৰ্ণিল এই অনুষ্ঠান সেনা আৰু সৰ্বসাধাৰণৰ মাজত সু-সম্পৰ্ক গঢ়ি তোলাত অন্যতম পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। অনুষ্ঠানত সেনাৰ কে'বাজনো বিষয়াৰ লগতে তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ফেকাল্টি আৰু যথেষ্ট সংখ্যক দৰ্শক উপস্থিত থাকে।

## লালুকত চোৰৰ উপদ্ৰৱ

*১২ পৃষ্ঠাৰ পৰা* ডেমো ম'বাইল লৈ যায়। ঘটনা সন্দৰ্ভত দোকানৰ গৰাকীয়ে লালুক আৰক্ষী থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও বাতৰি লিখা পৰলৈকে চোৰৰ কোনো সন্ধান উলিয়াব পৰা নাই। লালুক বাছ আস্থানত নিশাৰ ভাগত পহৰাৰত অৱস্থাত লালুক আৰক্ষী সততে দেখিবলৈ পোৱা যায় যদিও তাৰ কাষতে চোৰে কিদৰে দোকানৰ টিনপাত কাটি চুৰি কাৰ্য সংঘটিত কৰিলে সেয়া আশ্চৰ্যজনক কথা। উল্লেখ্য যে বিগত দিনসমূহত লালুক বাছ আস্থানৰ আশে-পাশে প্ৰায়ে দোকানসমূহত চুৰিকাৰ্য সংঘটিত হৈ আহিছে।

## বালিজানত ক্ষুদ্ৰ চাহ

*১২ পৃষ্ঠাৰ পৰা* ক্ষেত্ৰত ক্ষুদ্ৰ চাহ খেতিয়কসকলে কেৱল টী ব'ৰ্ডৰ অনুমোদিত ঔষধহে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ দিয়ে। তদুপৰি জৈৱিক সাৰ প্ৰয়োগৰ ওপৰত বিশেষজ্ঞসকলে গুৰুত্ব আৰোপ কৰে। গ্ৰীণ টী অথবা হোৱাইট টী তৈয়াৰ কৰিবলৈ ক্ষুদ্ৰ চাহ খেতিয়কসকলক বিশেষজ্ঞসকলে পৰামৰ্শ আগবঢ়া আৰু প্ৰস্তুতকৰণ কৌশল প্ৰদৰ্শন কৰি গ্ৰীণ টী প্ৰস্তুত কৰি দেখুৱাই। চাহ বিশেষজ্ঞসকলে ঘৰতে গ্ৰীণ টী তৈয়াৰ কৰি নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমিতিক স্বাৱলম্বিতাৰ পথ ল'বলৈ আহ্বান জনায়। টী ব'ৰ্ডৰ উন্নয়ন বিষয়া কমল মজুমদাৰে ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ বাবে টী ব'ৰ্ডৰ সুবিধাবিলাক গ্ৰহণ কৰিবলৈ নীতিগত উপায়সমূহ অৱগত কৰে। ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ বাবে টী ব'ৰ্ডৰ আৰ্থিক সহায়ৰ কথা তেওঁ খেতিয়কসকলক অৱগত কৰে। নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমিতিৰ সভাপতি ডিম্বেশ্বৰ মাহতুৰ পৰিচালিত প্ৰশিক্ষণ উদ্বোধন কৰে তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়াই। প্ৰশিক্ষণ কাৰ্যসূচীৰ তত্ত্বাৱধান কৰে নৱজ্যোতি ক্ষুদ্ৰ চাহ খেতিয়ক সমিতিৰ সম্পাদক উমাকান্ত কুৰ্মীয়ে।

# 'আমাৰো বহুত সপোন আছে' শীৰ্ষক বাণীৰে অকণিৰ মেল

## ■ দুই শতাধিক শিশু-পিতৃ-মাতৃৰ অংশগ্ৰহণেৰে উদুলি-মুদুলি মিলনপুৰ



বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মে' ঃ** 'আমাৰো বহুত সপোন আছে' শীৰ্ষক বাণীৰে আজি নগাঁও চহৰৰ মিলনপুৰত অনুষ্ঠিত কৰা হয় অকণিৰ মেল। চহৰখনৰ মিলনপুৰৰ খাগৰিজান নৈশ উচ্চ মাধ্যমিক বিদ্যালয়ত আয়োজিত শিশু সমাৰোহত পাঁচ শতাধিক শিশু আৰু পিতৃ-মাতৃৰ উপস্থিতিৰে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। অনুষ্ঠানত অকণিৰ মেলৰ 'অকণিৰ বাৰ্তা'ৰ তৃতীয় সংখ্যাটো উন্মোচন কৰে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা অমিয়া পাটৰ, সাহিত্যিক অনুবাদক কৃষ্ণ দুলাল বৰুৱা আৰু নগাঁও এনআইচিৰ অৰুণজ্যোতি দাসে। অকণিৰ মেলৰ আহ্বায়ক ক্ৰমে প্ৰদীপ কাহাৰ, হেমন্ত কুমাৰ শইকীয়া, বিভূতি শৰ্মা, ৰিতেন বৰা, ভূপেন বৰা, অচিন্ত শৰ্মা, বিপিন বৰগোহাঁই, বিকাশ পাঠক, জ্যোতিপ্ৰসাদ শৰ্মা, কুমুদ ৰঞ্জন বৰকাকতি আদিৰ দ্বাৰা পৰিচালিত অনুষ্ঠানৰ আঁত ধৰে অকণিৰ মেলৰ সদস্যা ৰুদ্ৰানী শৰ্মাই। চিত্ৰাংকন প্ৰতিযোগিতাৰে আৰম্ভণি কৰা অনুষ্ঠানত স্থানীয় ব্যক্তি অপূৰ্ব কুমাৰ শৰ্মা, ভাগ্যলক্ষ্মী মহন্ত, নৱ বৰদলৈ আদি উপস্থিত থাকে। বিভূতি শৰ্মাৰ পৰিচালনাত অনুষ্ঠিত 'মুকলি কুইজ প্ৰতিযোগিতা'ত প্ৰায় ৬০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। 'অংকৰ দৌৰ', 'বানান লিখা' প্ৰতিযোগিতাৰ লগতে অনুষ্ঠিত 'আকস্মিক বক্তৃতা' প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত থাকে শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শ্যামলী দলৈ আৰু পাৰ্থপ্ৰতিম ফুকন। চিত্ৰাংকনত পৰ্যবেক্ষক হিচাপে অশ্বিনী শৰ্মা উপস্থিত থাকে। প্ৰয়াত অনুপম হাজৰিকাৰ সোঁৱৰণীত প্ৰদান কৰা বঁটা বিতৰণীৰে সামৰণি পৰা অনুষ্ঠানত আৰাধনা হাজৰিকা আৰু শিশু বন্ধু দুলাল বৰাই বিজয়ী অকণিসকলক কিতাপ, মানপত্ৰ আৰু বঁটা প্ৰদান কৰে।

# গোলাঘাট জিলা সাহিত্য সভাৰ আকাশ-কুঁহি উদ্যোগত পাঁচ জুনত বঁটা প্ৰদান

### ■ পৰিৱেশ দিৱস উপলক্ষে চিত্ৰাংকন, ৰচনা প্ৰতিযোগিতা, বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী

বিশেষ সংবাদদাতা

**গোলাঘাট, ২৯ মে' ঃ** গোলাঘাট জিলা সাহিত্য সভাৰ 'আকাশ' আৰু 'কুহি' উপ-সমিতিৰ উদ্যোগত অহা পাঁচ জুনত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে গোলাঘাট এমেচাৰ হলত বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হ'ব। আকাশ উপ-সমিতিৰ আহ্বায়ক সবিতা বৰবৰা, কুঁহি উপ-সমিতিৰ আহ্বায়ক স্বাগতা বৰাই জনোৱা মতে, দিনৰ এক বজাত বঁটা প্ৰদান অনুষ্ঠানৰ মুকলি সভাত সদৌ অসম ভিত্তিত মহিলাৰ মাজত অনুষ্ঠিত কৰা বিয়ানাম প্ৰতিযোগিতা, ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা সাধুকোৱা আৰু বনগীত প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হ'ব। উক্ত দিনা পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কুঁহি উপ-সমিতিয়ে গোলাঘাট এমেচাৰ হলত পুৱা ১০ বজাত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু ৰচনা প্ৰতিযোগিতা আয়োজন কৰিছে। প্ৰতিযোগিতা উদ্বোধন কৰিব সাংবাদিক পৰিস্মিতা ফুকনে। নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীলৈকে প্ৰতিযোগিতা মুকলি ৰখা হৈছে। দিনৰ এক বজাত গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি পৱিত্ৰ বৰবৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। বন্তি প্ৰজ্বলনেৰে মাংগলিক কাৰ্য সমাপন কৰিব অসম সাহিত্য সভাৰ কেন্দ্ৰীয় বিষয়ববীয়া, জিলা প্ৰতিনিধি দিগন্ত কুমাৰ ভূএঞা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামীয়ে। আদৰণি ভাষণ প্ৰদান কৰিব গোলাঘাট জিলা সাহিত্য সভাৰ সম্পাদক বন্তি বৰাই। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট নাট্যকাৰ, জ্যেষ্ঠ সাংবাদিক, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। অনুষ্ঠানত সন্মানীয় অতিথিৰূপে গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা, বিশিষ্ট লেখক-নিৰন্ধকাৰ ডাঃ অজিত বৰুৱা, প্ৰবীণ সাংবাদিক দ্বীপেন দত্ত, জিলা সাহিত্য সভাৰ উপ-সভাপতি তফজুল হক বৰবৰা, বিশিষ্ট লেখক-বোলছবি প্ৰযোজক নুৰুল চুলতান, গোলাঘাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিত, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ডাঃ বিপিন কলিতা আদিয়ে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত বিশিষ্ট লেখক, কবি দিলীপ কুমাৰ শৰ্মাৰ গল্প সংকলন 'সমাহাৰ' উন্মোচিত হ'ব। মুকলি সভাত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভাপতি সুৱৰ্ণ শইকীয়া বৰদলৈ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক জিতুল ৰাজখোৱা, সমাজকৰ্মী পূৰ্ণ ৰাজখোৱা, অধ্যাপক দেৱজিৎ ফুকন, বিশিষ্ট লেখক, শিক্ষাবিদ ড° লুকুমণি গোস্বামী, ড° তৰালী গগৈ, বিশিষ্ট গল্পকাৰ গাৰ্গী ভূএঞা শইকীয়া, ঔপন্যাসিক অপৰাজিতা বৰুৱা, লেখক, কবি অৰূপা নাথ, অসম সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ সহযোগী আহ্বায়ক হেমা চৌধুৰী গগৈ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ গোলাঘাট জিলাৰ সাধাৰণ সম্পাদক ৰাজীৱ লস্কৰ আদি অতিথিৰূপে উপস্থিত থাকিব। এই উপলক্ষে বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে মুখৰিত হ'ব গোলাঘাট এমেচাৰ হলৰ প্ৰেক্ষাগৃহ।

## ধোদাং মণ্ডল সমল কেন্দ্ৰত গুণোৎসৱ

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৯ মে' ঃ** গুণোৎসৱ ২০২২, সমগ্ৰ গোলাঘাট জিলাৰ লগতে গোলাঘাট কেন্দ্ৰীয় শিক্ষা খণ্ডৰ ধোদাং মণ্ডল সমল কেন্দ্ৰকে ধৰি মুঠ ২৬ টা মণ্ডল সমল, কেন্দ্ৰত যোৱা ২৪ মে'ৰ পৰা ২৬ মে'লৈকে অনুষ্ঠিত হয়। ধোদাং মণ্ডল সমল কেন্দ্ৰতো চি আৰ চি চি তথা লায়েচন অফিচাৰ চন্দন কলিতা আৰু বহিঃমূল্যায়ক হিচাপে চাৰিগৰাকী প্ৰবক্তা ক্ৰমে ড° মনীষা চলিহা, ৰূপাঞ্জীতা বৰা, সঞ্জীৱ বৰা আৰু মালবিকা নেওগক লৈ মুঠ ১২ খন বিদ্যালয়ত গুণোৎসৱ অনুষ্ঠিত হৈ যায়। ধোদাং মণ্ডল সমল কেন্দ্ৰত মুঠ ৯৩৬ জন ছাত্ৰ-ছাত্ৰীয়ে গুণোৎসৱত অংশগ্ৰহণ কৰাৰ বিপৰীতে সমগ্ৰ কেন্দ্ৰীয় শিক্ষাখণ্ডটোৰ অন্তৰ্গত মুঠ ২৬৩ খন বিদ্যালয়ৰ পৰা ১৭,৪০৬ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

## খুমটাইত ধুমুহাত বিস্তৰ ক্ষতি

**খুমটাই, ২৯ মে' ঃ** গোলাঘাট জিলাৰ খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত খুমটাইৰ বুটলিখোৱাত কালি দিনৰ ২-৩০ বজাত অহা প্ৰচণ্ড ধুমুহাৰ ফলত ধোদৰআলিৰ কাষতে থকা এজোপা প্ৰকাণ্ড গছ ভাঙি ধোদৰ আলিত পৰাত দুঘন্টা ধৰি বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিটো বন্ধ হৈ পৰে। আনহাতে, এই ধুমুহাৰ ফলত উক্ত অঞ্চলটোতে গছ পৰি বিদ্যুতৰ খুঁটা ভাঙি পৰাৰ ফলত বিদ্যুৎ সেৱা ব্যাহত হয়। আবেলি অহা প্ৰচণ্ড ধুমুহাই বৃহত্তৰ অঞ্চলটোত বিস্তৰ ক্ষতিসাধন কৰে। ইফালে, ধোদৰ আলিটো বন্ধ হৈ পৰাত বহু সময় ধৰি শ শ যানবাহন আবদ্ধ হৈ পৰাত ৰাইজৰ যথেষ্ট সমস্যাৰ সৃষ্টি হয়। পাছত স্থানীয় লোক, বিদ্যুৎ বিভাগৰ কৰ্মচাৰী আৰু খুমটাই আৰক্ষীৰ সহযোগত পথত পৰা গছ কাটি পথ মুক্ত কৰে।

# বিশ্বনাথৰ উত্তৰ চাৰিআলি সাৰ্বজনীন ৰাস মহোৎসৱৰ ৰূপালী জয়ন্তী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ মে' ঃ** উত্তৰ অসমৰ অন্যতম সৰ্ববৃহৎ মুকলি ৰাস বিশ্বনাথৰ উত্তৰ চাৰিআলি সাৰ্বজনীন ৰাস সমিতিৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ মুখ্য কাৰ্যালয়টো আজি গায়ন-বায়নৰ গুৰুঘাট আৰু আয়তীৰ উৰুলিৰে উদ্বোধন কৰা হয়। কাৰ্যালয়টো উদ্বোধন কৰে বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। ১৯৯৮তে প্ৰতিষ্ঠা লাভ কৰি বিগত ২৪টা বছৰে উত্তৰ চাৰিআলি সাৰ্বজনীন ৰাস সমিতিয়ে ৰাস উদ্‌যাপন কৰি বিশ্বনাথৰ ৰেল গেটক বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ থলীত পৰিণত কৰাৰ পাছত এইবাৰ অহা পাঁচ নৱেম্বৰৰ পৰা পাঁচদিনীয়াকৈ ৰূপালী জয়ন্তী সমাৰোহ উদ্‌যাপন কৰিব। শিশু কৃষ্ণৰ ১০খনকৈ নৃত্যনাটিকাৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কালজয়ী 'কেলিগোপাল' নাট মুকলি মঞ্চত প্ৰদৰ্শন কৰাৰ লগতে সাংস্কৃতিক শোভাযাত্ৰা, ভাগৱত ভ্ৰমণ, অন্তৰংগ আলাপ আৰু প্ৰদৰ্শন পৰিচালনাৰ বাবে আজিৰে পৰা প্ৰস্তুতি আৰম্ভ হৈছে। ইয়াৰ প্ৰথম পদক্ষেপ হিচাপে আজি কাৰ্যালয়টো উদ্বোধন কৰা হয়। ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি নিৰঞ্জন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যালয় উদ্বোধনী সভাত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰৰ লগতে বিশ্বনাথ জিলা পৰিষদৰ সদস্য সত্যেন্দ্ৰ হাজৰিকা, লেহুগাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য জীৱন বৰা, লেহুগাঁও পঞ্চায়তৰ সভানেত্ৰী প্ৰিয়ংকা হাজৰিকা, বিশিষ্ট সমাজকৰ্মী অকন শইকীয়া, জিলা পৰিষদৰ প্ৰাক্তন সদস্য দীপক দাস, ৰাস সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি অতুল ভূএঞা, ভাওনা উপ-সমিতিৰ সভাপতি বোধন বৰুৱা, প্ৰাক্তন সম্পাদক তৰুণ বৰা, প্ৰেম বৰা আদি উপস্থিত থাকে। উদ্‌যাপন সমিতিৰ সম্পাদক গৌতম দাধৰাই আঁতধৰা সভাত আদৰণি ভাষণ আগবঢ়ায় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি বসন্ত বৰাই। ইফালে, আজি কাৰ্যালয়টো উদ্বোধন কৰি বিধায়কজনে কয় যে উত্তৰ চাৰিআলিৰ যুৱক-যুৱতীসকল এক ভাল উদ্যোক্তা। ২৫টা বছৰে অবিৰাম গতিত ৰাস উদ্‌যাপন কৰি থকাটো কোনো সৰু কথা নহয়।

## ঐতিহাসিক শ্ৰীশ্ৰীটুক্ৰেশ্বৰী দেৱালয়ৰ পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ২৯ মে' ঃ** গোৱালপাৰা জিলাৰ ঐতিহাসিক শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয়ৰ নতুন পৰিচালনা সমিতি গঠন কৰা হৈছে। ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ৰ সভাগৃহত দেৱালয় পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত এখন সাধাৰণ সভাত দেৱালয়খনৰ পুৰণি সমিতিখন ভংগ কৰি আগন্তুক তিনিটা বছৰৰ বাবে এখন নতুন পৰিচালনা সমিতি গঠন কৰা হয়। সাধাৰণ সভাৰ আলোচনা মৰ্মে পুৰণি পৰিচালনা সমিতিৰ সভাপতি তৰুণ চন্দ্ৰ ৰাভা আৰু সাধাৰণ সম্পাদক ভৱতাৰণ ৰায়কে পুনৰ ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ৰ সভাপতি আৰু সম্পাদক হিচাপে নিৰ্বাচিত কৰে। ইফালে, সমিতিখনৰ উপ-সভাপতি হিচাপে চন্দন চক্ৰৱৰ্তী আৰু সহকাৰী সাধাৰণ সম্পাদক সাধন ৰায়ক দায়িত্ব অৰ্পণ কৰে। উল্লেখ্য যে আগন্তুক তিনিটা বছৰৰ বাবে এই সমিতিখনে ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ৰ পৰিচালনাৰ দায়িত্ব পালন কৰিব।

## নগাঁৱলৈ গৌৰৱ কঢ়িয়ালে চিত্ৰশিল্পী লক্ষীপ্ৰভাই

অগ্ৰদূত বাৰ্তা

**পুৰণিগুদাম, ২৯ মে' ঃ** নেপালৰ ৰাজধানী কাঠমাণ্ডুত অনুষ্ঠিত এক আন্তঃৰাষ্ট্ৰীয় চিত্ৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰি নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে চিত্ৰশিল্পী লক্ষীপ্ৰভা শইকীয়াই। চিত্ৰশিল্পী, আবৃত্তিকাৰ লক্ষীপ্ৰভাই আন্তঃৰাষ্ট্ৰীয় চিত্ৰ প্ৰদৰ্শনীখনত অংশগ্ৰহণ কৰি ভূয়সী প্ৰশংসা লাভ কৰি নগাঁও তথা অসমবাসীক গৌৰৱান্বিত কৰিছে। বিগত দিনবোৰত ভাৰতৰ বিভিন্ন ঠাইত চিত্ৰ প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা লক্ষীপ্ৰভাৰ এইখন প্ৰথম আন্তঃৰাষ্ট্ৰীয় চিত্ৰ প্ৰদৰ্শনী। যোৱা ২৩ মে'ৰ পৰা ২৫ মে'লৈ নেপাল আৰ্ট কাউঞ্চিল (কাঠমাণ্ডু)ত অনুষ্ঠিত উক্ত প্ৰদৰ্শনীত আমেৰিকা যুক্তৰাষ্ট্ৰ, লণ্ডন, ৰাছিয়া, টাইৱান আদিকে ধৰি পৃথিৱীৰ বহু দেশৰ শিল্পীয়ে অংশগ্ৰহণ কৰে। নগএঞা শিল্পীগৰাকীক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে অভিনন্দন জ্ঞাপন কৰাৰ লগতে সেন্দূৰীয়া আলিবাটেৰে তেওঁৰ এই শিল্পকৰ্ম আগুৱাই যোৱাটো কামনা কৰিছে। বৰ্তমান চিত্ৰশিল্পীগৰাকীয়ে সৰ্বভাৰতীয় সংগীত আৰু সংস্কৃতি পৰিষদ (কলকতা)ৰ অধীনত 'নৱৰং চিত্ৰাংকন বিদ্যালয়'ৰ অধ্যক্ষাৰূপে টাউন তেলিয়াগাঁও প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলক ছবিৰ পাঠদান কৰি আছে। তেওঁ নগাঁৱৰ বিশিষ্ট অভিনেতা তথা সমাজকৰ্মী পৱিত্ৰ কলিতাৰ পত্নী।

## মৰাণত চাহ বাগিচা বিদ্যালয়ত পকী বেৰত মেলিছে ফাট

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৯ মে' ঃ** ডিব্ৰুগড় জিলাৰ মাৰণত তিলৈজান চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ আৰম্ভণিৰ দিনাই বিদ্যালয়খন নিৰ্মাণত হোৱা বিসংগতি ধৰা পৰা দৃশ্যই চাঞ্চল্য সৃষ্টি কৰিছে। পকীবেৰত মেলিছে ফাট, এৰিছে বেৰৰ ৰং, ভাগিছে খিৰিকীৰ ৰেলিং, ইলেক্ট্ৰনিক সামগ্ৰীৰো নিম্ন মানৰ ব্যৱহাৰ কৰা অভিযোগ উঠিছে। যোৱা ২৭ মে'ত মৰাণৰ তিলৈজান চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰিছিল মন্ত্ৰী বিমল বৰাই। উপস্থিত আছিল কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়ক চক্ৰধৰ গগৈ আৰু জিলা উপায়ুক্ত বিশ্বজিৎ পেগু। কিন্তু এই আদৰ্শ বিদ্যালয়খন মাংগলিক আৰম্ভৰ সময়তে ৰাইজৰ চকুত ধৰা পৰে কিছুমান বিসংগতি। নিৰ্মাণৰ পাছতে ফাট মেলা বিদ্যালয়খনক লৈ চিন্তিত হৈ পৰিছে ৰাইজ। ঠিকাদাৰে নিম্ন মানৰে বিদ্যালয়খন নিৰ্মাণ কৰা বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে চাহ জনজাতি ছাত্ৰ সন্থাই। বিদ্যালয়খনত ঠিকাদাৰে নিম্ন মানৰে কাম কৰিবলৈ সুবিধা পালে।

## অৱসৰপ্ৰাপ্ত শিক্ষক-অভিনেতা ললিত (ল'জেন) ভৰালীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**গৌৰীসাগৰ, ২৯ মে' ঃ** গৌৰীসাগৰ অঞ্চলৰ দিছিয়াল গাঁৰৰ নিবাসী, শিঙিবিল প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুঅভিনেতা, বিশিষ্ট সমাজকৰ্মী ললিতা (ল'জেন) ভৰালীৰ কালি দুপৰীয়া নিজ বাসগৃহত মৃত্যু হয়। দিছিয়াল গাঁও উন্নয়ন সমিতিৰ প্ৰাক্তন সম্পাদকৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়া ভৰালী কিছুদিনৰ পৰা যকৃতজনিত ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। সৰবৰহী, অমায়িক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৰালী একেধাৰে আছিল সুঅভিনেতা। মহাপুৰুষীয়া নাট ভাওনাত বিভিন্ন চৰিত্ৰত অভিনয় কৰি দৰ্শকক মন্ত্ৰমুগ্ধ কৰিবলৈ সক্ষম হোৱা ভৰালীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে অসংখ্য গুণমুগ্ধই ভৰি পৰে বাসগৃহ। নিজ গৃহতে অনুষ্ঠিত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বৰমেধি ভূপেন নেওগ, মুক্তিয়াৰ অনন্ত ভৰালী, নামাচাৰ্য ক্ষীৰেশ্বৰ বৰা, গাঁওবুঢ়া সঞ্জীৱ ভৰালী, গৌৰীসাগৰ জ্যেষ্ঠ নাগৰিক মঞ্চ, দিছিয়াল গাঁও উন্নয়ন সমিতি, গৌৰীসাগৰ আৰু দিখৌমুখ প্ৰেছ ক্লাব, ৰাস উদ্‌যাপন সমিতি, মিলনজ্যোতি ক্লাব, দুই নম্বৰ চাৰিং প্ৰাথমিক শিক্ষক সভাকে ধৰি বহু ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে ভৰালীৰ নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পণেৰে শ্ৰদ্ধা জনায়। মৃত্যুৰ সময়ত ভৰালীৰ বয়স আছিল প্ৰায় ৬৬ বছৰ। ভৰালীয়ে পত্নী, দুই পুত্ৰ-বোৱাৰী, এগৰাকী জী-জোঁৱাই, নাতি-নাতিনীসহ বহু আত্মীয়ক এৰি গৈছে।

# বোকাপানীৰে একাকাৰ পূৰ্ণদৈচপৰাৰ পৰা চাপোন সংযোগী পথ

### ■ ৰাইজৰ যন্ত্ৰণা নীৰৱ জনপ্ৰতিনিধি

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২৯ মে' ঃ** বৰ্তমানৰ চৰকাৰৰ দিনত বিভিন্ন দিশত উন্নয়নৰ পৰশ পৰিছে। দেশ স্বাধীন হোৱাৰ ৭০ বছৰ পাছত ৰাইজে নভবা বহুত কামে বৰ্তমানৰ চৰকাৰে কৰিবলৈ সক্ষম হৈছে। তাকে কৈছে এজন সত্তৰোৰ্ধৰ বয়সস্থ লোকে। নাম ঠিকনা প্ৰকাশ কৰাত বাধা দি কামৰূপ জিলাৰ হাজো সমষ্টিৰ এইজন লোকে কয় যে বহুত ৰাস্তা-ঘাট পকী হ'ল। কিন্তু নলবাৰী সমষ্টিৰ পূৰ্ণদৈচপৰা (লহকৰপাৰা)ৰ পৰা হাজো সমষ্টিৰ দিপলাং গাৱঁৰ চাপোন চুবুৰী সংযোগী পথছোৱা আজি পৰ্যন্ত মেৰামতি নহ'ল। তেওঁ আক্ষেপ কৰি কয় যে জাৱৰৰ দমত সূৰ্য্যৰ পোহৰ নপৰাৰ দৰে উক্ত জৰাজীৰ্ণ পথছোৱা জনপ্ৰতিনিধি অথবা বিভাগীয় বিষয়া-কৰ্মচাৰীৰ চকুত নপৰে। যাৰ বাবে পথচাৰীয়ে যথেষ্ট কষ্ট ভোগ কৰিব লাগে। বৰ্তমান নেৰানেপেৰা বৰষুণৰ বাবে পথছোৱা বোকাপানীৰে কদৰ্যময় হৈ পৰিছে। উক্ত কদৰ্যময় পথৰে ছাত্ৰ-ছাত্ৰীকে ধৰি অসংখ্য লোকে দৈনিক অহা-যোৱা কৰি আছে। তেওঁ কয় যে এসময়ৰ কঞাঁ বাহাৰঘাট গড়কাপ্টানী পথটোৰ উক্ত অংশ বৰ্তমানৰ জনপ্ৰতিনিধিৰ অদূৰদৰ্শিতাৰ হেতুত মেৰামতি কৰা হোৱা নাই। মন কৰিবলগীয়া যে হাজো আৰু নলবাৰী সমষ্টি সংযোগী পথটোৰ হাজো সমষ্টিৰ কঞাঁ নামঘৰৰ পৰা দিপলাংৰ চাপোনলৈ পথছোৱা প্লেভাৰ ব্লকৰে যাতায়াতৰ উপযোগী কৰাৰ বিপৰীতে নলবাৰী সমষ্টিৰ লহকৰপাৰা কেন্দুতললৈ একে ধৰণে নিৰ্মাণ কৰি যাতায়াতৰ উপযোগী কৰিছে। কিন্তু লক্ষ্য কৰিব লগীয়া কথা যে দুয়ো সমষ্টিৰ দুটা মূৰৰ পৰা পথটো পকী কৰাৰ মাজতে পথটোৰ এটা অংশ প্ৰায় দুশ মিটাৰ পথ দুৰ্ভাগ্যজনকভাৱে ৰৈ গ'ল। উক্ত অংশটোৰে হ'ল পূৰ্ণদৈচপৰাৰ পৰা চাপোন সংযোগ কৰা প্ৰধান পথ। উক্ত পথছোৱাৰ কাষতে হাজো আৰু নলবাৰী সমষ্টিৰ ভোটদান কৰা কে'বাঘৰো লোক আছে। এইসকল লোকে বাৰিষা বোকাপানী গছকি যাতায়াত কৰিব লাগে। সেয়েহে ৰাইজৰ এটা অংশই আজি 'দৈনিক অগ্ৰদূত'ৰ আগত সাত ভগীয়া ঠাইত শগুনেও শ নাখাই বুলি আক্ষেপ কৰি কয় যে আমি দুয়ো সমষ্টিৰ সীমামূৰীয়া বাবে পথ উন্নয়ন নকৰে বিভাগ তথা জনপ্ৰতিনিধিয়ে। উল্লেখ্য যে এসময়ৰ গড়কাপ্টানি বিভাগৰ উত্তৰ কামৰূপ সংমণ্ডলৰ অধীনস্থ কঞাঁ বাহাৰঘাট পথটো বছৰি মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰি ৰাখিছিল। আনহাতে, উক্ত পথটো বগল'চ ৰোড আৰু মৰোৱা কমলপুৰ পথৰ প্ৰধান বিকল্প পথ আছিল। বৰ্তমান উক্ত পথ চোৱা-চিতা কৰাৰ বাবে কোনো বিভাগীয় কৰ্মচাৰী নাই। যাৰ ফলত পথটো নিয়াৰিকৈ পৰিচালনা কৰিব পৰা নাই লোক নিৰ্মাণ বিভাগে। মাত্ৰ কষ্ট ভোগ কৰাই আছে জনসাধাৰণক। ভুক্তভোগী ৰাইজে পথছোৱা শীঘ্ৰে মেৰামতি কৰাৰ বাবে চৰকাৰক দাবী জনাইছে।



## শ্ৰদ্ধাঞ্জলি ওম প্ৰকাশ শাণ্ডিল্য (দীপু)



**মৃত্যু** এক চিৰন্তন সত্য। জীৱনৰ একা-বেঁকা বাটত আমি কিমানজন প্ৰিয় মানুহক হেৰুৱাইছো তাৰ হিচাপ নাই, কিন্তু কিছুমানৰ মৃত্যুৱে অপূৰণীয় ক্ষতি কৰে। আমাৰ পৰিয়ালৰো সকলোতকৈ ডাঙৰ দিপুদাদা পৰিয়ালৰ সকলো সদস্যৰ বাবে প্ৰাণ স্বৰূপ আছিল। অমায়িক স্বভাৱৰ, সকলো সময়তে মুখত হাঁহি লৈ নিজৰ কথা কোনো দিনে নাভাবি দায়িত্বশীল ব্যক্তিৰূপে কেৱল পৰিয়ালৰ সকলোৰে প্ৰতিটো কথা ভাবিছিল, আলোচনা কৰিছিল আৰু সমস্যাবোৰৰ সমাধানৰ পথ উলিয়াই দিছিল। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হৈও কেইবছৰমান ওকালতি কৰাৰ পাছত তেওঁ পৰিয়ালৰ বাকী ভাই-ভনীকেইজন সৰু থকাৰ বাবে আৰু পঢ়ুওৱাৰ দায়িত্ব ল'ব লগা হোৱাত ওকালতি এৰি ব্যৱসায়ত মন দিয়ে। কিয়নো আমাৰ শহুৰ দেউতাক সৰুতে সকলোৱে হেৰুৱাইছিল। সেয়েহে দিপুদাদাকে পৰিয়ালৰ প্ৰতিজন সদস্যই দেউতাকৰ জ্ঞান কৰিছিল।

সামাজিক জীৱনতো তেওঁ দায়বদ্ধ আছিল। মৃত্যুৰ আগলৈকে তেওঁ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল।

আজি আদ্যশ্ৰাদ্ধৰ দিনা দাদাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিলো।

নীনা দত্ত শাণ্ডিল্য

# বিশ্বনাথ চাৰিআলিৰ চিত্ৰকলা নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে চিত্ৰ প্ৰদৰ্শনী

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ মে' ঃ** বিশ্বনাথ চাৰিআলিৰ চিত্ৰকলা নিকেতনৰ ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে আজি বিশ্বনাথ চাৰিআলিৰ আশীৰ্বাদ বিবাহ ভৱনত এক অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা অনুষ্ঠানৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে গুৱাহাটীৰ ফাইন আৰ্টছ একাডেমীৰ সম্পাদক সুভাকৰ লস্কৰে। অনুষ্ঠানত বিশ্বনাথ চাৰিআলিস্থিত শোণিতপুৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ সমীৰজ্যোতি বৰা, ডায়েটৰ প্ৰবক্তা তথা চিত্ৰকলা নিকেতনৰ সম্পাদক মৌচুমী চাৰেঙীয়া আৰু চিত্ৰকলা নিকেতনৰ শিক্ষক ছাইদুল হুছেইনে বিশ্বনাথৰ চিত্ৰকলা নিকেতনৰ ২৫ বছৰীয়া গৌৰৱ উজ্জ্বল ইতিহাস বৰ্ণনা কৰাৰ লগতে শিক্ষাৰ্থী আৰু অভিভাৱকসকলক কৃতজ্ঞতা জনায়। অনুষ্ঠানত উপস্থিত থকা গুৱাহাটীৰ চাৰুকলা একাডেমীৰ সম্পাদক সুভাকৰ লস্কৰে শিক্ষাৰ্থীসকলক উদ্দেশ্যি বক্তব্য ৰখাৰ লগতে আৰ্টছৰ ওপৰত তত্ত্বগধুৰ ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে চিত্ৰকলা নিকেতনৰ শিক্ষাৰ্থীসকলে আয়োজন কৰা প্ৰদৰ্শনী চাই আপ্লুত হয় উপস্থিত বিশিষ্ট ব্যক্তিসকলৰ লগতে অভিভাৱক তথা ৰাইজ। পংকজ চক্ৰৱৰ্তীয়ে আঁত ধৰা অনুষ্ঠানৰ শেষত ৰূপালী জয়ন্তী বৰ্ষ উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাত স্থান দখল কৰা প্ৰতিযোগীৰ মাজত বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হয়।

# হাজোৰ শনিয়াদীত ৰাইজে ড্ৰাগছ মাফিয়াক গতালে আৰক্ষীক

অগ্ৰদূত বাৰ্তা

**হাজো, ২৯ মে' ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত শনিয়াদীত একাংশ ক্ষুব্ধ ৰাইজে এজন ড্ৰাগছ মাফিয়াক খেদি খেদি আটক কৰি হাজো আৰক্ষীক গতাই দিয়ে। ৰাইজে কৰায়ত্ত কৰা ড্ৰাগছ মাফিয়াটো হৈছে ৰেকিবুদ্দিন আহমেদ। উল্লেখ্য যে ড্ৰাগছ মাফিয়া ৰেকিবুদ্দিন আহমেদে ড্ৰাগছ আসক্তৰ ওচৰত ড্ৰাগছ বিক্ৰী কৰিবলৈ আহোতে ৰাইজে হাতে-লোটে ধৰি উত্তম-মাধ্যম শোধাই বান্ধি থয়। ড্ৰাগছ মাফিয়াজনৰ পৰা ৰাইজে পাঁচটাকৈ হেৰ'ইনভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে। ইফালে, ৰাইজৰ এই অভিযানৰ সময়ত ছেগ বুজি পলায়ন কৰিবলৈ সক্ষম হয় উক্ত ব্যৱসায়ৰ স'তে জড়িত আন এজন যুৱক। ড্ৰাগছ মাফিয়াজন ৰাইজৰ হাতত আটক হোৱাৰ পাছতে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ তেওঁক ৰাইজৰ কবলৰ পৰা উদ্ধাৰ কৰে।

# মাৰ্চত অনুষ্ঠিত হ'ব জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ মে' ঃ** অহা বৰ্ষৰ সাত মাৰ্চৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা। আজি জামুগুৰিহাটৰ কন্যকা কৃষি পামত অনুষ্ঠিত বাৰেচহৰীয়া ভাওনা সমিতিৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বাৰেচহৰীয়া ভাওনা সমিতিৰ সভাপতি ভৱ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উপস্থিত থাকি স্থানীয় বিধায়ক পদ্ম হাজৰিকাই বাৰেচহৰীয়া ভাওনাক উন্নত মানৰে সজাই-পৰাই সুন্দৰ কৰাৰ উপৰি নতুন যুৱক-যুৱতীক জড়িত কৰি জামুগুৰিৰ ঐতিহ্য ৰক্ষাৰ বাবে আহ্বান জনায়। উল্লেখ্য যে ইতিমধ্যে ভাৰতৰ একক সৰ্ববৃহৎ সাংস্কৃতিক অনুষ্ঠান হিচাপে বিবেচিত জামুগুৰিহাটৰ ঐতিহ্যমণ্ডিত বাৰেচহৰীয়া ভাওনা অহা বছৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছতেই উৎফুল্লিত হৈছে জামুগুৰিহাটবাসী ৰাইজ।

# জামুগুৰিহাটৰ তৰাজানত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৯ মে' ঃ** জামুগুৰিহাটৰ তৰাজানত জীয়াভৰলী নদীত আজি দুপৰীয়া উদ্ধাৰ হয় এটা মৃতদেহ। তৰাজান ঘাটত নদীৰ পানীত স্থানীয় কেইগৰাকীমান যুৱতীয়ে মৃতদেহটো ওপঙি থকা অৱস্থাত প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজক খবৰ দিয়ে। পাছত ৰাইজে মৃতদেহটো উদ্ধাৰ কৰে যদিও এই পৰ্যন্ত মৃতদেহটো চিনাক্ত হোৱা নাই। প্ৰায় ৬৫ বছৰ বয়সীয়া বৃদ্ধজন কেনেকৈ ক'ৰ পৰা আহি মৃত্যু ঘটিল সেই সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে জামুগুৰি আৰক্ষীয়ে। ইতিমধ্যে জামুগুৰি আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে।

## বহু পৰিয়ালৰ বাসগৃহ ভাঙি লণ্ডভণ্ড, ভঁৰালৰ ধান, কলৰ বাগান তহিলং

# ভূটান সীমান্তৰ খৈৰাণীত বনৰীয়া হাতীৰ উপদ্ৰৱ

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৯ মে'ঃ** তামুলপুৰ জিলাৰ ভূটান সীমান্তত অব্যাহত আছে বনৰীয়া হাতীৰ উপদ্ৰৱ। খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি বৃহৎ হাতীৰ জাক এটাই যোৱা নিশা ভূটান সীমান্তৰ খৈৰাণী, কাৰখেলাত কে'বাটাও পৰিয়ালৰ বাসগৃহ, বিছনা পত্ৰ, আচবাব ভাঙি লণ্ড-ভণ্ড কৰাৰ লগতে ভঁৰালৰ ধান, কলৰ বাগান খাই তহিলং কৰে। হাতীৰ বৃহৎ জাকটোৱে বহু পৰিয়ালৰ তামোলবাৰীৰ লাগনীয়া তামোল গছ ভাঙি বিস্তৰ ক্ষতিসাধন কৰে। হাতীৰ আক্ৰমণৰ পৰা কথমপি প্ৰাণৰক্ষা পৰে কে'বাজনো লোকৰ। নিশা অঞ্চলটোত বনৰীয়া হাতীৰ জাকটোৱে প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাত আতংকিত হৈ পৰা স্থানীয় ৰাইজে কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ত খবৰ দিয়াত বনকৰ্মীৰ দল



উপস্থিত হৈ বোমা ফুটাই হাতীৰ জাকটো খেদি পঠিয়াবলৈ চেষ্টা কৰে যদিও ব্যৰ্থ হয়। পুৱতি নিশাহে হাতীৰ জাকটো জনাঞ্চলৰ পৰা আঁতৰি যায় যদিও হাতীৰ জাকটোৰ পৰা ফালৰি কাটি যোৱা পাঁচটাকৈ হাতী খৈৰাণীৰ এখন গমাৰী বাগানত অৱস্থান কৰি থাকে। আজি আবেলিৰ ভাগত হাতী কেইটা গমাৰী বাগানৰ পৰা ওলায় আহি মানুহৰ বাৰীত প্ৰৱেশ কৰাত আতংকিত হৈ পৰিছে ৰাইজে। অৱশ্যে বন বিভাগৰ লোক উপস্থিত হৈ হাতী কেইটা পাহাৰৰ পৰা খেদি পঠিয়াবলৈ চেষ্টা অব্যাহত ৰাখিছে। আনহাতে, বনৰীয়া হাতীৰ জাক এটা ভূটান সীমান্তৰ দৰংগাজুলী সংৰক্ষিত বনাঞ্চলত অৱস্থান কৰি থকাত নিশাৰ ভাগত হাতীৰ জাকটোৱে জনাঞ্চলত প্ৰৱেশ কৰি উপদ্ৰৱ চলোৱাৰ আশংকাত আতংকিত হৈ পৰিছে সীমান্তঞ্চলৰ ৰাইজ। উল্লেখ্য যে বিগত কে'বাদিন ধৰি খাদ্যৰ সন্ধানত ভূটান পাহাৰৰ পৰা নামি এটা বৃহৎ হাতীৰ জাকে সীমান্তৱৰ্তী আঙাৰকাটা, নতুন বস্তি, পাটকিজুলী আদি অঞ্চলসমূহত উপদ্ৰৱ চলাই থকাত বিনিদ্ৰ ৰজনী কটাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে ৰাইজৰ।

## বিজেপি প্ৰাৰ্থীৰ বিৰুদ্ধে নতুন পথ নিৰ্মাণৰ অভিযোগ কংগ্ৰেছৰ

# কাৰ্বি পৰিষদৰ নিৰ্বাচনত আচৰণ-বিধি ভংগৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৯ মে' ঃ** অহা আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদীয় নিৰ্বাচনৰ বাবে জিলাখনৰ ২৬ টা পৰিষদীয় সমষ্টিতেই প্ৰাকনিৰ্বাচনী কেন্দ্ৰিক হিংসাক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছে। সমষ্টিয়ে সমষ্টিয়ে দল বাগৰা, মাৰ-পিটেৰে জৰ্জৰিত হিংসাত্মক ঘটনাৰ মাজতেই কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সাত নম্বৰ কপিলী পৰিষদীয় সমষ্টিত এনে এক ঘটনাৰ সৃষ্টি হৈছে। ইপিনে, ১২ মে'ৰ পৰাই জিলাখনত বলৱৎ হৈছিল নিৰ্বাচনৰ আচৰণবিধি। তেনে প্ৰেক্ষাপটত নিৰ্বাচনৰ আয়োগৰ আচৰণ-বিধি ভংগ কৰি শাসনাধিষ্ঠ বিজেপিৰ পৰিষদীয় চৰকাৰখনে নিৰ্বাচন



আয়োগক এক প্ৰকাৰৰ অংগুষ্ঠ প্ৰদৰ্শন কৰিছে। ২০১৮ৰ নিবিদাৰ কাম সময় মতে শেষ কৰিব নোৱাৰি কোনো 'ৱৰ্ক অৰ্ডাৰ' নথকাকৈ বৈঠালাংছ'ৰ গড়কাপ্তানী বিভাগৰ জৰিয়তে গাঁও উন্নয়নৰ কাম হাতত লৈছে বিজেপি প্ৰাৰ্থী পৱন কুমাৰ ৰায়ে। ইপিনে, নিৰ্বাচনী আচৰণবিধি ভংগ কৰি বিজেপিৰ সাত নম্বৰ কপিলী সমষ্টিৰ প্ৰাৰ্থী পৱন কুমাৰৰ নিৰ্দেশত সমষ্টিটোৰ অধীনস্থ চেৰা পথাৰত নতুনকৈ পথ মেৰামতি কৰাত জাঙুৰ খাই উঠিছে বিৰোধী দল কংগ্ৰেছে। ইয়াৰ বাবে কংগ্ৰেছে এই ক্ষেত্ৰত বিজেপি প্ৰাৰ্থী, অস্থায়ী ঠিকাদাৰ আৰু বিভাগীয় অভিয়ন্তাৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ নিৰ্বাচন আয়োগক দাবী জনাইছে।

# মটক যুৱ-ছাত্ৰ সন্মিলনৰ নৱনিৰ্বাচিত তিনিচুকীয়া জিলা সমিতিৰ শপত গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৯ মে'ঃ** সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ গুইজানৰ নতুন ৰঙাগড়াত ১৭ আৰু ১৮ মে'ত অনুষ্ঠিত অধিবেশনৰ প্ৰতিনিধি সভাই জিন্তু বৰগোঁহাইক সভাপতি আৰু সঞ্জয় গগৈক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰিছিল। তাৰ পাছতে আজি বৰগুৰিস্থিত সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যালয়ত জিলা সমিতিৰ প্ৰাক্তন সভাপতি কমলদ্বীপ বৰুৱা আৰু প্ৰাক্তন সাধাৰণ সম্পাদক দূৰ্জয় বৰুৱাই নৱনিৰ্বাচিত সমিতিখনক দায়িত্বভাৰ অৰ্পণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে সংগঠনটোৰ কেন্দ্ৰীয় উপদেষ্টা ধৰণী গোহাঁয়ে নৱনিৰ্বাচিত সমিতিখনক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে অনাগত দিনত জনজাতিকৰণৰ লগতে যিসমূহ দাবী আছে সেয়া ৰূপায়ণৰ উপৰি জনগোষ্ঠীটোৰ উন্নয়নৰ হকে কাম কৰিব বুলি মত প্ৰকাশ কৰে। সমান্তৰালভাৱে অনুষ্ঠানত সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ৰঞ্জিত গোহাঁই, সাধাৰণ সম্পাদক স্বৰূপ গোহাঁই, লেখক ফটিক চন্দ্ৰ নেওগ, মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰোজ গোহাঁই, মটক সন্মিলনৰ সম্পাদক কিৰণ ৰাজখোৱা, আছুৰ জিলা সম্পাদক সমৰজ্যোতি গোহাঁই, সহকাৰী সম্পাদক সত্য বৰগোহাঁই, আটছাৰ জিলা সম্পাদক অনুজ তাঁতী, আটাছুৰ জিলা সম্পাদক নয়ন বৰগোহাঁইৰ লগতে কে'বাগৰাকীও সচেতন লোক, মটক জনগোষ্ঠীৰ ভ্ৰাতৃ-ভগ্নী সংগঠন আৰু কে'বাটাও দল-সংগঠনৰ বিষয়ববীয়া তথা নেতৃবৃন্দ উপস্থিত থাকে।

# ৰঙাপৰাত কিশোৰৰ মৃতদেহ উদ্ধাৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৯ মে' ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা থানাৰ অন্তৰ্গত এক নম্বৰ নামনিগাঁৱত দ' খাৱৈত এজন কিশোৰৰ মৃতদেহ উদ্ধাৰ হয়। আজি বিয়লি এজন কিশোৰৰ মৃতদেহ পানীত ওপঙি থকা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি ৰঙাপৰা আৰক্ষীক খবৰ দিয়ে। ৰঙাপৰা আৰক্ষীয়ে দুৰ্যোগ প্ৰশমন বিভাগৰ সহযোগত মৃতদেহ উদ্ধাৰ কৰে।

# বাবুল বৰাৰ্লৈ সমন্বয় সংহতি বঁটা

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক, সংগঠক, সমাজসেৱক বাবুল বৰালৈ আগবঢ়োৱা হৈছে ৰূপান্তৰ সমন্বয় সংহতি বঁটা। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক হিচাপে বিগত বহুকেইটা বছৰ বিভিন্ন জাতি-জনগোষ্ঠীক একতাৰ বান্ধোনেৰে বান্ধিবলৈ সক্ষম হোৱা বাবুল বৰাৰ কৰ্ম আৰু সমাজৰ বাবে আগবঢ়োৱা বৰঙণিৰ বাবে এই বঁটা প্ৰদান কৰা হৈছে বুলি আজি এই কথা প্ৰকাশ কৰে ৰূপান্তৰৰ প্ৰধান সম্পাদক গৌৰাংগ বৰাই। উল্লেখ্য যে সমাজ সংগঠকৰ লগতে কৃতী শিক্ষক। তদুপৰি বৰাৰ দ্বাৰা ৰচিত কে'বাখনো একাংক নাট, গীতি নৃত্য নাটিকাৰ লগতে বৰাৰ কথাশিল্প, শব্দ শিল্পকে ধৰি কে'বাখনো গ্ৰন্থ ইতিমধ্যে প্ৰকাশ হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ ছেপ্টেম্বৰত অনুষ্ঠিতব্য এক বিশেষ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব।

# নগাঁৱত গাঞ্জাসহ এজন গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মে' ঃ** নগাঁৱৰ হয়বৰগাঁও আৰক্ষী চকীৰ আৰক্ষীয়ে যোৱা নিশা চহৰখনৰ ছামাদ্দাৰপট্টিত অভিযান চলাই এজন গাঞ্জা ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত গাঞ্জা ব্যৱসায়ীজনৰ নাম ছিদ্দিক আলী (২৩)। আৰক্ষীয়ে তেওঁৰ জিম্মাৰ পৰা ২২৩ গ্ৰাম গাঞ্জা জব্দ কৰিবলৈ সক্ষম হয়।

# তেজপুৰত গোৰ্খা উন্নয়ন পৰিষদৰ সাংস্কৃতিক প্ৰকল্পত গ্ৰন্থ উন্মোচনী সভা

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৯ মে' ঃ** গোৰ্খা উন্নয়ন পৰিষদ অসমৰ প্ৰতিষ্ঠাপক সমিতিৰ দ্বাৰা প্ৰকাশিত 'ফৰ্কেৰ হেৰদা বটুলেকা' শীৰ্ষক গ্ৰন্থখন আজি তেজপুৰ নেপালীপট্টী অৱস্থিত গোৰ্খা সাংস্কৃতিক প্ৰকল্পত উন্মোচন কৰা হয়। দিনৰ এক বজাত গোৰ্খা উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতি লোকনাথ উপাধ্যায়ৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সাহিত্যিক কে বি নেপালীয়ে গ্ৰন্থখন উন্মোচন কৰে। উন্মোচক নেপালীয়ে ভাষণ প্ৰসংগত কয়, 'গ্ৰন্থ হৈছে পাঠক সমাজৰ বন্ধু। সাহিত্য চৰ্চা কৰি ভাল পোৱা ব্যক্তিসকলে গ্ৰন্থ ৰচনাত মনোনিৱেশ কৰিব লাগে।' অনুবাদ সাহিত্যত আমি জোৰ দিয়া উচিত বুলি উন্মোচকজনে উল্লেখ কৰে। গোৰ্খা উন্নয়ন পৰিষদৰ প্ৰাক্তন সদস্য গংগা পৌড়েলে আঁতধৰা সভাখনত তেজপুৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰাম প্ৰসাদ শৰ্মা, অসম গোৰ্খা সন্মিলনৰ নৱ-নিৰ্বাচিত সভাপতি কৃষ্ণ ভূজেল, মুখ্য সম্পাদক লক্ষ্মী চেড়াই, সাহিত্যিক ড° ক্ষেমৰাজ নেপাল, মিত্ৰদেৱ শৰ্মা, অৱসৰপ্ৰাপ্ত অধ্যাপক কমলচন্দ্ৰ উপাধ্যায়, জয় নাৰায়ণ লুইটেল, গোৰ্খা সন্মিলনৰ মহিলা কোষৰ সভানেত্ৰী কল্পনা শৰ্মা আদি উপস্থিত থাকে।

# বিশেষভাৱে সক্ষম হৈও চানা বিক্ৰী কৰি পিতৃ-মাতৃক সহায়ৰ হাত হেমন্তৰ

**সৰুপথাৰ, ২৯ মে' ঃ** এজন বিশেষভাৱে সক্ষম যুৱকৰ জীৱন সংগ্ৰাম। যুৱকজনে গাঁৱৰ খলাবমা পথত প্ৰখৰ ৰ'দকো নেওচি দৈনিক চাইকেল বাই বাই কেঁচা চানা বিক্ৰী কৰি ফুৰে। যুৱকজনৰ নাম হেমন্ত বৰা। তেওঁ সৰুপথাৰ গড়গাঁও অঞ্চলৰ নিবাসী যাদৱ বৰাৰ বৰপুত্ৰ। দুজন ভ্ৰাতৃৰ ককায়েক হেমন্তৰ জন্মৰ পৰাই হাত এখন আৰু ভৰি এখন বিকলাংগ। তথাপিতো পিতৃ-মাতৃক অকণমান আৰ্থিক সকাহ দিবৰ বাবেই হেমন্তই প্ৰথমে শাক-পাচলিৰ বেপাৰ কৰিছিল। কিন্তু শাক-পাচলি বিচাৰিবলৈ অসুবিধা হোৱাত



দুমাহমানৰ পৰা কেঁচা চানা বিকিবলৈ আৰম্ভ কৰিছে। হেমন্তই জনোৱা মতে তেওঁ চানা লৈ ঘৰৰ পৰা পুৱা আঠমান বজাত ওলাই দিনটোত গাঁৱে গাঁৱে প্ৰায় ৪০ৰ পৰা ৫০ কিলোমিটাৰ পৰ্যন্ত চাইকেল বাই পুনৰ সন্ধিয়া ছয়মান বজাত ঘৰ সোমায়। ইফালে, হেমন্তৰ পিতৃ যাদৱ বৰাই এদিন দিনহাজিৰা নকৰিলে ঘৰ নচলে। সৰু ভ্ৰাতৃয়ে উচ্চতৰ মাধ্যমিক শাখাত পঢ়ি আছে। সেয়েহে দিনহাজিৰা কৰা পিতৃৰ আৰ্থিক বোজা কমাবলৈকে বিশেষভাৱে সক্ষম হেমন্তই এনেদৰে জীৱন সংগ্ৰাম কৰিছে। কোনো সদাশয় লোকে হেমন্তৰ পৰিয়ালটোক আৰ্থিক সহায় কৰিব বিচাৰিলে ৭০৮৬১১৭৩২৮ ম'বাইল নম্বৰত যোগাযোগ কৰিব পাৰিব।

# মন্দিয়াত গৰাল সদৃশ বিদ্যালয়ে উদঙাইছে শিক্ষা বিভাগৰ স্বৰূপ



**কলগাছিয়া, ২৯ মে' ঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ১৩১৫ নম্বৰ চূণপুৰা বাজাৰ প্ৰাথমিক বিদ্যালয়ৰ জৰাজীৰ্ণ অৱস্থাই অসম চৰকাৰৰ শিক্ষা বিভাগৰ পয়ালগা ছবি উদঙাইছে। কুকুৰাৰ গৰাল সদৃশ এচলীয়া চালিৰ তলত কৰিবলগীয়া হৈছে পাঁচটাকৈ শ্ৰেণীৰ পাঠদান। বিদ্যালয়খনৰ পৰিচালনা সমিতি নথকাৰ কাৰণে ইকো ক্লাবৰ ধন খৰচ কৰিব পৰা নাই বুলি জানিবলৈ দিছে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক দিপু ওজাই। ২০২০-২১ত বিদ্যালয়খনৰ অতিৰিক্ত শ্ৰেণীকোঠা নিৰ্মাণৰ বাবদ পাঁচ লাখ টকা আবন্টন পায় যদিও তাৰে এটা কিস্তিৰ এক লাখ ৭৫ হেজাৰ টকা আজিকোপতি নোপোৱাৰ কাৰণে নিৰ্মাণৰ কাম আধৰুৱা হৈ থকা বুলি জানিবলৈ দিয়ে প্ৰধান শিক্ষকজনে। ফলত ৰ'দ-বৰষুণ, বতাহ-ধুমুহাৰ মাজতেই শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে অবুজ ছাত্ৰ-ছাত্ৰীয়ে। কিন্তু বিগত সময়ছোৱাত বিভাগীয় কৰ্তৃপক্ষই কি কাৰণত বিদ্যালয়খনৰ পৰিচালনা সমিতি গঠন কৰা নাই সেয়া কিন্তু আজিও আছে আন্ধাৰত। বিদ্যালয়খন জৰাজীৰ্ণ তথা এচলীয়া টিনপাতৰ হোৱাৰ কাৰণে চৰকাৰে বিদ্যুৎ সংযোগৰ বাবে আবন্টন দিয়া ধনখিনিও বেংকত জমা থকা বুলি জানিবলৈ দিয়ে প্ৰধান শিক্ষকজনে। অতি শীঘ্ৰেই বিদ্যালয়খনৰ পৰিচালনা সমিতি গঠন কৰি কৰিবলগীয়া যাৱতীয় কাম কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক আহ্বান জনাইছে অভিভাৱক ৰাইজে।

# সৰুপেটাৰ বৰলীয়াপাৰাত হৰিদেৱৰ তিথি পালন

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৯ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ একান্ত অনুগামী মহাপুৰুষ হৰিদেৱৰ তিথি উদ্‌যাপনৰ কাৰ্যসূচী সৰুপেটাৰ গাতে লাগি থকা বৰলীয়াপাৰা বৰ নামঘৰ প্ৰাংগণত আজিৰে পৰা আৰম্ভ হৈছে। বৰলীয়াপাৰা গঞা ৰাইজৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত তিথি উদ্‌যাপনৰ আজিৰ প্ৰথমটো দিনৰ কাৰ্যসূচী বৃক্ষৰোপণৰ জৰিয়তে আৰম্ভ কৰা হয়। বৰলীয়াপাৰা গাঁও পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে বীৰেন দাস আৰু ৰঞ্জিত কলিতাই বৃক্ষৰোপণ কাৰ্যসূচীৰ আৰম্ভ কৰে। ইয়াৰ পাছতেই স্থানীয়



বি এইছ বি মহাবিদ্যালয়ৰ প্ৰবক্তা ড° নমিতা দাস গুৰুঙৰ পৰিচালনাত গাঁওখনৰ অকণ-অকণিসকলৰ মাজত পানী-মাটিকে ধৰি স্মৃতি পৰীক্ষা আৰু মহিলাসকলৰ মাজত মিউজিক চেয়াৰ, ৰচী টনা, ওজন দলিওৱা আদি বিভিন্ন থলুৱা খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়ালৈ গাঁওখনৰ প্ৰতিঘৰ গঞাৰ পদূলিমুখতে এগছিকৈ বন্তি প্ৰজ্বলন কৰা হয়। নিশালৈ নাম-প্ৰসংগ অনুষ্ঠিত হয়। উল্লেখ্য যে ১৯১৩ত গাঁওখনত বৰ নামঘৰটো স্থাপন হোৱাৰ সময়ৰে পৰাই মহাপুৰুষ হৰিদেৱৰ তিথি এনেদৰে উদ্‌যাপন কৰা হৈ আহিছে। কাইলৈ তিথি উদ্‌যাপনৰ সামৰণি পৰিব।

## মৰাণত পদ্মনাথ গোহাঞি বৰুৱা ডেৰশ বছৰীয়া জন্মজয়ন্তী স্মাৰক বক্তৃতানুষ্ঠান

# শিশু সাহিত্যিক হিচাপে স্বীকৃতি নাপালে পদ্মনাথ গোহাঞি বৰুৱাই

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৯ মে' ঃ** 'অসমীয়া সাহিত্যৰ ইতিহাসত পদ্মনাথ গোহাঞি বৰুৱাৰ নাম সদায়ে জিলিকি থাকিব। অসমীয়া উপন্যাসেই হওক বা নাটকেই হওক গোহাঞি বৰুৱাক নেওচি কোনো ঐতিহাসিক অধ্যয়নেই কৰিব পৰা নাযায়। কিন্তু পদ্মনাথ গোহাঞি বৰুৱাই অসমীয়া জাতি বা অসমীয়া সাহিত্যৰ ক্ষেত্ৰত যিমানখিনি অৱদান আগবঢ়াই থৈ গ'ল তাৰে বেছিখিনি উপেক্ষিত হৈ ৰৈছে।' আজি মৰাণত টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত প্ৰতিষ্ঠানটোৰ ৰূপালী জয়ন্তী উপলক্ষে পদ্মনাথ গোহাঞি বৰুৱা ডেৰশ বছৰীয়া জন্ম জয়ন্তী স্মাৰক বক্তৃতানুষ্ঠানত 'অসমীয়া ভাষা সাহিত্যলৈ পদ্মনাথ গোহাঞি বৰুৱাৰ অৱদানৰ উপেক্ষিত ইতিহাস' শীৰ্ষক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে ভাগ লৈ বিশিষ্ট সাহিত্যিক, গৱেষক ড° অৰবিন্দ ৰাজখোৱাই এনেদৰে কয়। তেওঁ লগতে কয় যে



যিগৰাকী ব্যক্তিয়ে অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অহোপুৰুষাৰ্থ কষ্ট কৰিছিল, যিজন ব্যক্তিয়ে কটন কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লৈছিল, যিজন ব্যক্তিয়ে অসমীয়া সাহিত্যত শৰীৰ চৰ্চা বিষয় নথকাৰ কাৰণে শৰীৰ চৰ্চাৰ কিতাপ লিখিবলৈ নাগপুৰলৈ যোৱাৰ উপৰি বহু কাম কৰিছিল। যিজন অসম সাহিত্য সভাৰো প্ৰথমগৰাকী সভাপতি আছিল। তেনেজন ব্যক্তিৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী অসমত যেনে দৰে পাতিব লাগিছিল বাস্তৱত পতা পৰিলক্ষিত নহ'ল। নীতি শিক্ষা (আগছোৱা)ত প্ৰকাশিত গোহাঞি বৰুৱাৰ কে'বাটাও কবিতা অসমীয়া শিশু সাহিত্যৰ যুগমীয়া সম্পদ। এই কবিতাসমূহ ইমান অৰ্থবহ, ৰসাল আৰু শিশু উপযোগী হোৱাৰ পাছতো সাহিত্যিকজনে শিশু সাহিত্যিক হিচাপে স্বীকৃতি নাপালে। তদুপৰি তেওঁ বহু সৃষ্টিশীল সাহিত্য আজিও উপেক্ষিত হৈ আছে বুলি তেওঁ কয়। তেওঁৰ লগতে কয় যে একাধাৰে নাট্যকাৰ, উপন্যাসিক, কবি হোৱাৰ উপৰি যে গোহাঞি বৰুৱাই আন বহু কেইটা দিশত অতি সচেতনতাৰে জাতীয় জীৱনক সমৃদ্ধ কৰিছিল সেয়া নতুন প্ৰজন্মটোৱে অনুধাৱন কৰাটো অতি প্ৰয়োজন। টাই অধ্যয়ন আৰু গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° গিৰিণ ফুকনে সভাপতিত্ব কৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্য কৰে সম্পাদক ডাঃ বিৰিঞ্চি কুমাৰ গগৈয়ে।

# সোণাপুৰৰ মৰগডোলাত অবাধে পাহাৰ খনন

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ২৯ মে' ঃ** সম্প্ৰতি কামৰূপ মহানগৰ জিলা প্ৰশাসনে বাৰিষাৰ বাবে পাহাৰ খনন কাৰ্যত নিষেধাজ্ঞা অব্যাহত ৰাখিছে। এনে সময়তে যোৰাবাটৰ বাৰমাইলত এচাম বণিক গোষ্ঠীয়ে বনবিভাগ তথা চৰকাৰী নীতিক বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি অতি সংগোপনে অবাধহাৰত পাহাৰ খনন কৰি তাত উদ্যোগ স্থাপন কৰাৰ তথ্য শেহতীয়াকৈ পোহৰলৈ আহিছে। এই অভিযোগ উত্থাপন হৈছে জে কে অৱতাৰ নামৰ টিনপাত প্ৰস্তুত কৰা কাৰখানাটোৰ কৰ্তৃপক্ষৰ বিৰুদ্ধে। সোণাপুৰ বনাঞ্চলিক বিষয়াৰ অন্তৰ্গত তথা মৰগডলা বীট অফিচৰ নিচেই কাষতে লাগি থকা টিনপাতৰ উদ্যোগটোৱে দীৰ্ঘদিন ধৰি দিনে-নিশাই অবৈধভাৱে পাহাৰৰ ৰঙামাটি খনন কৰি উদ্যোগ সম্প্ৰসাৰণ কৰি আহিছিল। কাৰখানাটোৱে মৰগডোলা পাহাৰৰ কাষতে লাগি থকাৰ লগতে



ভিতৰুৱা অঞ্চলৰ গইনা লৈ দীৰ্ঘদিন ধৰি নিৰ্বিবাদে এই দুষ্কাৰ্য চলাই গৈছিল। এনে অভিযোগ পাই যোৱা ২৭ মে'ত যোৰাবাট আৰক্ষীয়ে কাৰখানাটোত অভিযান চলাই পাহাৰ খনন কৰি থকা অৱস্থাত এএছ-০১ এনচি-১৫১৯ নম্বৰৰ এখন এক্সকেভেটৰ জব্দ কৰিছিল। আনহাতে, কাৰখানাটোৰ এনে অপকৰ্মৰ অভিযোগ লাভ কৰি কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তই সোণাপুৰ ৰাজহ চক্ৰ বিষয়াক ঘটনাৰ এক তদন্তৰ নিৰ্দেশ দিছিল। এনে পৰিপ্ৰেক্ষিতত স্থানীয় চক্ৰ বিষয়াই কালি বিয়লি কাৰখানাটোত উপস্থিত হৈ অবৈধ খনন কাৰ্য বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি এনে অবৈধ খনন সন্দৰ্ভত চক্ৰ বিষয়াই উদ্যোগটোৰ কৰ্তৃপক্ষক সমগ্ৰ নথি-পত্ৰ সোমবাৰৰ ভিতৰত চক্ৰ বিষয়াৰ কাৰ্যালয়ত জমা দিয়াৰ নিৰ্দেশ প্ৰদান কৰে। কাৰখানাটোৰ এনে বেপৰুৱা কাৰ্যকলাপে অঞ্চলটোতে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এনে বেপৰুৱা প্ৰতিষ্ঠানক অতি শীঘ্ৰে নাকী লগাবলৈ প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে।






### পেৰিছৰ অশান্ত নিশাৰ ফাইনেলত নায়ক ব্ৰাজিলিয়ান যুৱ তাৰকা ভিনিচিয়াচ

# ৰিয়ালৰ দখলত চেম্পিয়নছ লীগৰ ট্ৰফী



**পেৰিছ, ২৯ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত ইনিংছ ক্লাব লিভাৰপুলক একমাত্ৰ গ'লত পৰাজিত কৰি চেম্পিয়ন ট্ৰফী অৰ্জন কৰিছে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে। উল্লেখ্য যে এইবাৰকে ধৰি ৰিয়াল মাদ্ৰিদে ১৪ বাৰৰ বাবে চেম্পিয়নছ লীগৰ খিতাপ দখল কৰিবলৈ সক্ষম হ'ল। যোৱানিশা পেৰিছত অনুষ্ঠিত চেম্পিয়নছ লীগৰ ফাইনেল মেচখন অশান্ত পৰিস্থিতিৰ বাবে আধা ঘণ্টাৰো অধিক পলমকৈ আৰম্ভ হয়। প্ৰথমাৰ্ধৰ খেল গ'লশূন্যৰূপে সমাপ্ত হোৱাৰ পাছত মেচৰ ৫৯ মিনিটত ৰিয়ালৰ হৈ বিজয়সূচক একমাত্ৰ গ'লটো দিয়ে ব্ৰাজিলিয়ান যুৱ তাৰকা ভিনিচিয়াচ জুনিয়ৰে। দ্বিতীয়াৰ্ধত দিয়া তেওঁৰ এই গ'লটোৰ বাবেই খালীহাতে উভতিবলগীয়া হয় লিভাৰপুল। অৱশ্যে গ'লৰক্ষকৰ দুৰ্ভেদ্য প্ৰাচীৰৰ বাবে নিশ্চিত পৰাজয়ৰ পৰা ৰক্ষা পৰে ৰিয়াল মাদ্ৰিদ। লিভাৰপুলৰ প্ৰতিটো আক্ৰমণ তেওঁ প্ৰায় অকলশৰে প্ৰতিহত কৰে। ফলত ২০১৮ ৰ পিছত পুনৰ বিজয় ধ্বজা উৰুৱাই ৰিয়ল মাদ্ৰিদে। উল্লেখ্য যে এইবাৰৰ চেম্পিয়নছ লীগত ৰিয়ালৰ যাত্ৰা ৰূপ কথাৰ দৰেই আছিল। অপ্ৰত্যাসিত চমকপ্ৰদ প্ৰদৰ্শনৰে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে ৩-১ গ'লৰ ব্যৱধানত জয়লাভ কৰি ৰিয়াল মাদ্ৰিদে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছিল। উল্লেখ্য যে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰিয়াল মাদ্ৰিদক। সেয়ে দ্বিতীয় লেগৰ মেচ ৰিয়ালৰ বাবে হৈ পৰিছিল মৰণপন। গ'লৰ ব্যৱধান বৃদ্ধিৰে জয়লাভ কৰাৰ বাহিৰে অন্য বিকল্প নাছিল ৰিয়ালৰ সন্মুখত।



কিন্তু মৰণপণ মেচতো প্ৰথমে গ'ল কৰিছিল মানচেষ্টাৰ চিটীয়ে। সেয়ে চিটীৰ সমাগ্ৰিক অগ্ৰগতি হয় ৫-৩ঙ্গ ইতিমধ্যে ইনিংছ ক্লাবটোৰ সমৰ্থকে ফাইনেলত প্ৰৱেশৰ আনন্দ আৰম্ভ কৰি দিছিল। কিন্তু মেচ সমাপ্ত হোৱা নাছিল। মেচৰ অন্তিম ক্ষণত নাটকীয়ভাবে প্ৰত্যাৱৰ্তন কৰে ৰিয়ালে। খেলৰ ৯০ আৰু ৯১ মিনিটত ৰিয়ালৰ হৈ দুটা গ'ল কৰে ৰড্ৰীগোই। ফলত মেচখনৰ গ'লৰ ব্যৱধান সামগ্ৰিকভাবে হয় ৫-৫ঙ্গ ৯৫ মিনিটত ৰিয়ালে লাভ কৰে পেনাল্টি। তাৰকা কৰিম বেনজেমাই গ'ল কৰি ৰিয়ালৰ ৩-১ গ'লৰ জয় নিশ্চিত কৰাৰ লগতে সামগ্ৰিকভাবে ৬-৫ গ'লৰ ব্যৱধানৰে স্পেনিছ ক্লাবটোক ফাইনেলত প্ৰৱেশ কৰোৱায়। উল্লেখ্য যে ইয়াৰপূৰ্বে পি এছ জি আৰু চেলছিৰ বিৰুদ্ধেও একেই কাহিনীৰে সফল হৈছিল স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদ। উল্লেখ্য যে যোৱা ক্ৰমাগত দুখন মেচত সাতটা গ'ল হজম কৰিছিল ৰিয়ালে। ছেমিৰ প্ৰথম লেগৰ মেচত চিটীয়ে চাৰিটা গ'ল দিছিল ৰিয়ালক। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়ালক তিনিটা গ'ল দিছিল চেলছিয়ে। অৱশ্যে সেই মেচত পৰাস্ত হোৱাৰ পাছতো চেম্পিয়নছ লীগত জয়যাত্ৰা অব্যাহত ৰাখিছিল ৰিয়াল মাদ্ৰিদে। কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইনিংছ ক্লাব চেলছিয়ে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰিয়াল মাদ্ৰিদক। কিন্তু সামগ্ৰিকভাবে ৰিয়াল মাদ্ৰিদে ৫-৪ গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। কাৰণ প্ৰথম লেগৰ মেচত ৰিয়াল মাদ্ৰিদে ৩-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ইনিংছ ক্লাব চেলছিক। একেদৰে পি এছ জিৰ বিৰুদ্ধেও বেনজেমাৰ অসাধাৰণ হেট্ৰিকে পথ মুকলি কৰিছিল ৰিয়ালৰ।

## ই পি এলৰ পাছত চেম্পিয়নছ লীগতো আশাহত লিভাৰপুল

**পেৰিছ, ২৯ মে' ঃ** চলিত ছিজনত লীগ কাপ আৰু এফ এ কাপৰ খিতাপ দখলৰ পাছত লিভাৰপুলৰ লক্ষ্য আছিল ই পি এল আৰু চেম্পিয়নছট্ৰফী দখল কৰা। কিন্তু এসপ্তাহৰ ভিতৰতে উভয় লক্ষ্যত হাতাশা পালে ইংলিছ ক্লাবটোৱে। চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত যোৱানিশা লিভাৰপুলক একমাত্ৰ গ'লত পৰাজিত কৰি চেম্পিয়নট্ৰফী অৰ্জন কৰিছে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে। ইয়াৰপূৰ্বে প্ৰিমিয়াৰ লীগৰ খিতাপৰ অংকৰ যুঁজতো মানচেষ্টাৰ চিটিৰ বিৰুদ্ধে আশাহত



হৈছিল লিভাৰপুল। ইয়াৰে এটাত সফল হ'লেও লিভাৰপুলে এ চি মিলানৰ স'তে সাতটা ইউৰোপীয় কাপত সমতা স্থাপন কৰাৰ গৌৰৱ লাভ কৰিলেহেতেন। বিফল মনোৰথেৰে অভিযান সামৰে মহম্মদ চালাহে। উল্লেখ্য যে লিভাৰপুলে প্ৰথমটো দলৰূপে চলিত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছিল। দলে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেইনৰ দল ভিল্লা ৰিয়ালক। অৱশ্যে লিভাৰপুলৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল ৫-২ গ'ল। উল্লেখ্য যে ইয়াৰপূৰ্বে অনুষ্ঠিত হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভিল্লা ৰিয়ালক। ইফালে, কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত লিভাৰপুলে বেনফিকাৰ লগত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল যদিও ইংলিছ ক্লাবটোৰ ছেমিফাইনেল লৈ উত্তৰণ নিশ্চিত হৈছিল। কাৰণ কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে বেনফিকাক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে সামগ্ৰিকভাবে লিভাৰপুলে ৬-৪ গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল।



### এছিয়া কাপ পুৰুষ হকী প্ৰতিযোগিতা

## মালয়েছিয়াৰ লগত ড্ৰ খেলি ফাইনেলৰ দৌৰত ভাৰতীয় দল

**জাকাৰ্টা, ২৯ মে' ঃ** ভাৰতে চলিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰাৰ দিশে আগবাঢ়িছে। উল্লেখ্য যে আজি অনুষ্ঠিত ছুপাৰ ৪ ৰ দ্বিতীয়খন খেলত ভাৰতে ৩-৩ গ'লত ড্ৰ' খেলে মালয়েছিয়াৰ বিৰুদ্ধে। মেচখনত ৰাজি ৰহিমে মালয়েছিয়াৰ হৈ স্তুু১২, ২১, ৫৬ৰটগ্ন তিনিটা পেনাল্টি কৰ্ণাৰ ৰূপান্তৰিত কৰি হেট্ৰিক কৰাৰ বিপৰীতে ভাৰতৰ হৈ বিষ্ণুকান্ত সিং ছস্তু৩২ৰ, এছ ভি সুনীল ছস্তু৫৩ৰগ্ন আৰু নীলাম সঞ্জীপে (৫৫ৰ জৰিয়তে গ'ল দিয়ে। ইয়াৰপূৰ্বে ছুপাৰ ৪ ৰ প্ৰথমখন খেলত ভাৰতে জাপানক ২-১ গ'লত পৰাস্ত কৰিছিল। ভাৰতৰ এই বিজয়ত তাৰকা হিচাপে পৰিগণিত হয় মনজিত সিং আৰু পৱন ৰাজভৰ। প্ৰথম কোৱাৰ্টাৰৰ সাত মিনিটত ভাৰতৰ হৈ মনজিতে এটা গ'ল দিয়ে যদিও দ্বিতীয় কোৱাৰ্টাৰত জাপানৰ তাকুমা নিৱাই সমতা স্থাপন কৰে আৰু হাফ টাইমত স্ক'ৰ ১-১ হয়। তৃতীয় কোৱাৰ্টাৰত পৱন ৰাজভাৰৰ গ'লৰ জৰিয়তে ভাৰতে প্ৰত্যাৱৰ্তন ঘটায়, আৰু আত্মবিশ্বাস বৃদ্ধি পায়। উল্লেখ্য যে এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ প্ৰথমখন মেচত পাকিস্তানেৰে ড্ৰ খেলাৰ পিছত দ্বিতীয়খন মেচত ২-৫ গ'লৰ ব্যৱধানত জাপানৰ বিৰুদ্ধে পৰাস্ত হৈছিল ভাৰতীয় পুৰুষ দলটো। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ গ্ৰুপৰ অন্তিমখন মেচত ভাৰতীয় পুৰুষ হকী দলে ইণ্ডোনেছিয়াৰ বিৰুদ্ধে ১৬-০ গ'লত জয়ী হৈ চমক সৃষ্টিৰে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ছেমিফাইনেল লৈ যোগ্যতা অৰ্জন কৰিবলৈ ভাৰতে সেই মেচত ১৫-০ ৰ ব্যৱধানত জয়ী হোৱাৰ প্ৰয়োজন আছিল আৰু দলটোৰ যুৱ খেলুৱৈসকলে চমকপ্ৰদ প্ৰদৰ্শন কৰি লক্ষ্যত উপনীত হয়।

## আজিৰে পৰা নুৰুদ্দিন ট্ৰফীৰ ফাইনেল মেচ

**গুৱাহাটী, ২৯ মে' ঃ** চলিত ছিজনৰ নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন কাইলৈৰ পৰা আৰম্ভ হ'ব। উল্লেখ্য যে এইবাৰ ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপৰ যুঁজত শিলচৰ মুখামুখি হ'ব বিশ্বনাথৰ। চাৰিদিনীয়া মেচখন এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা তেজপুৰ আৰু শিলচৰৰ মাজৰ ছেমিফাইনেল মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰাৰ বাবেই শিলচৰ ফাইনেলত প্ৰৱেশ কৰে। ইফালে, নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হোৱা আনখন ছেমিফাইনেলত ডিব্ৰুগড়ৰ বিৰুদ্ধে ১৫ ৰাণত জয়লাভ কৰি বিশ্বনাথ চাৰিআলিয়ে ফাইনেললৈ উত্তৰণ কৰে।

## আই চি চিৰ পৰৱৰ্তী অধ্যক্ষ সৌৰভ গাংগুলী

**নতুন দিল্লী, ২৯ মে' ঃ** ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ সভাপতি হিচাপে সৌৰভ গাংগুলীৰ কাৰ্যকাল চলিত বৰ্ষৰ ছেপ্টেম্বৰত অন্ত পৰিব। বি চি চি আইৰ সভাপতি পদৰ পৰা দায়িত্ব এৰাৰ পিছত এইবাৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ অধ্যক্ষ হ'ব সৌৰভ গাংগুলী। উল্লেখ্য যে বৰ্তমানৰ অধ্যক্ষগৰাকীয়ে ইয়াৰ এক সেউজ সংকেত দিছে। সৌৰভে যদি ইচ্ছা কৰে তেতিয়া তেওঁ সমৰ্থন লাভ কৰিব বুলিও কয় বৰ্তমানৰ বৰ্তমানৰ অধ্যক্ষ গ্ৰেগ বাৰ্কলেই। কিন্তু এই সন্দৰ্ভত সৌৰভ গাংগুলীয়ে এতিয়াও কোনো মন্তব্য কৰা নাই। বিপৰীতে আইচিচিৰ বৰ্তমানৰ অধ্যক্ষ গ্ৰেগ বাৰ্কলেই সৌৰভৰ নাম আইচিচিৰ অধ্যক্ষ হিচাপে প্ৰস্তাৱ কৰিলে তেওঁ সমৰ্থন জনাব বুলি কয়। উল্লেখ্য যে আইচিচিৰ অধ্যক্ষ হিচাপে আৰু



ছমাহৰ কাৰ্যকাল আছে বাৰ্কলেৰ। ইয়াৰ পিছত নতুন অধ্যক্ষ মনোনীত কৰা হ'ব। বাৰ্কলেক সোধা হৈছিল যে, যদি সৌৰভ গাংগুলীৰ নাম প্ৰস্তাৱ কৰা হয় তেন্তে তেওঁ কি কৰিব। ইয়াৰ উত্তৰত তেওঁ কয় যে, 'আমাৰ সম্পৰ্ক বহুত ভাল। যদি আইচিচিৰ ব'ৰ্ডে সৌৰভক অধ্যক্ষ হোৱাৰ উপযুক্ত ব্যক্তি বুলি ভাবে, তেন্তে মই তেওঁক সমৰ্থন কৰিম।'

## তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ নতুন কাৰ্যনিৰ্বাহক সমিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২৯ মে' ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ বাৰ্ষিক সাধাৰণ সভাখন আজি ইয়াৰে পলফিল্ডৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হৈ যায়। প্ৰবীন ক্ৰীড়া সংগঠক চৈয়দ ইস্কে আলমৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত অসম অলিম্পিক সন্থাৰ পৰা ৰাজ কাকতি আৰু হিৰেণ গগৈ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে। আজি পুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা এই সভাত আগন্তুক কাৰ্যকালৰ বাবে তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ নতুন কাৰ্য নিৰ্বাহক সমিতিখনো গঠন কৰা হয়। সেই অনুসৰি,চৈয়দ ইস্কে আলমক মুখ্য উপদেষ্টা,মহেন্দ্ৰ কেওঁট,যামিনী মহন্ত আৰু প্ৰদীপ চৌধুৰীক উপদেষ্টা হিচাপে লৈ জিতেন বৰঠাকুৰক সভাপতি আৰু মৃদুল শৰ্মাক কাৰ্যকৰী সভাপতি হিচাপে তথা জিতেন বৰাক সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। আনহাতে, প্ৰেমানন্দ শৰ্মা,প্ৰদীপ বৰঠাকুৰ,বিৰাজ নাথ,প্ৰয়াগ শৰ্মা,সুৰজিত বৰা,ৰূপকমল কাকতি আৰু যতীন বৰাক উপসভাপতি,বিপুল মহন্ত আৰু নৰেন শইকীয়াক যুটীয়া সম্পাদক আৰু কৌতিল্য শৰ্মাক কোষাধ্যক্ষ হিচাপে নিৰ্বাচিত কৰা হয়। তদুপৰি চন্দন বৰা, বিপুল দাস আৰু ইশ্বান বৰাক সহকাৰী সম্পাদক,অশ্বিনী বৰাক ফুটবলৰ সম্পাদক, মামদুদুল হাচানক ভলীবল, উৎপল ডেকাক এথলেটিকচ, অভিজিত বৰুৱাক বেডমিণ্টন, প্ৰাণজ্যোতি শইকীয়াক টেবুল টেনিচ, মাইনুদ্দিন আহমেদক কাবাডী. জনচমিক নাৰ্জাৰীক বক্সিং আৰু ৰণেন শৰ্মাক হকী বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়।



### ৰাষ্ট্ৰীয় কেনিৰিঅ' কাৰাটে প্ৰতিযোগিতা

## ১৪ টা পদকৰে শ্ৰেষ্ঠ অসম

**গুৱাহাটী, ২৯ মে' ঃ** কেৰালাৰ কালপেটাত অনুস্থিত ২৯ সংখ্যক ৰাষ্ট্ৰীয় কেনিৰিঅ' কাৰাটে প্ৰতিযোগিতাত গুৱাহাটী জ্যোতিকুছিত অৱস্থিত স্কুল অব কাৰাটে-ডো অসমৰ সাত গৰাকী খেলুৱৈয়ে ১১ টা সোণ, দুটা ৰূপ আৰু এটা ব্ৰঞ্জসহ সৰ্বমুঠ ১৪ টা পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে । উল্লেখ্য যে পদক প্ৰাপ্ত খেলুৱৈ সকল ল'ৰাৰ শাখাত ক্ৰমে ঃ জুনিয়ৰ শাখাত প্ৰিয়াংশু চৌধুৰী (সোণ কাটা আৰু কুমিটে), ছাব জুনিয়ৰ শাখাত নাক্স পাল (সোণ কাটা আৰু কুমিটে), অভিযেক শৰ্মা ছিনিয়ৰ পুৰুষৰ শাখাত (সোণ কাটা আৰু ৰূপ কুমিটে), কৃষ্ণ কমল পাঠক জুনিয়ৰ শাখাত (সোণ কাটা আৰু ব্ৰঞ্জ কুমিটে)। ইফালে, ছোৱালী শাখাত পদকজয়ী ক্ৰমে ঃ তৃষ্ণা ডেকা জুনিয়ৰ শাখাত (সোণ কাটা আৰু কুমিটে), সুস্মিতা বড়ো ছিনিয়ৰ শাখাত (সোণ কাটা আৰু কুমিটে) আৰু অংশুমিতা নাথ কেডেট শাখাত (সোণ কাটা আৰু ৰূপ কুমিটে)। উল্লেখ্য যে অসম দলটোৰ দায়িত্বত আছিল পঞ্চম ডান ব্লেক বেল্ট মুখ্য প্ৰশিক্ষক ধন ৰয় ।

## শক্তি উত্তোলনলৈ গোলাঘাট

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুনগাঁও, ৯ মে' ঃ** অহা ৯-১২ জুনলৈ নগাঁও জিলা পুথিভঁৰালত অনুস্থিত হ'বলগীয়া সদৌ অসম শক্তি উত্তোলন প্ৰতিযোগিতাৰ বাবে গোলাঘাট জিলাক প্ৰতিনিধিত্ব কৰিব পুৰুষ মহিলা উভয়ৰে ২৮ গৰাকী প্ৰতিযোগীয়ে। গোলাঘাট জিলা বডি বিল্ডিং আৰু শক্তি উত্তোলন সংস্থা ৰ সভাপতি ৰাণা প্ৰকাশ বৰুৱাই জনোৱা মতে ,এইবাৰৰ প্ৰতিযোগিতাত পুৰুষ আৰু মহিলা শাখাৰ হৈ ত্ৰিৰংগা বৰা,সুমিত্ৰা শইকীয়া, পূৰ্ণিমা বৰা, নমিতা শইকীয়া,মৰমী দাস,দেবী দৈমাৰী,আৰোহণ বৰগোঁহাই, ৰাইহাণ নাছাৰ,বিনন্দ বৰা,কৌস্তভজ্যোতি বৰা,পাৰভেজ মাৰুফ,কমল উদ্দিন,বিতোপন শইকীয়া, পৰাগজ্যোতি শইকীয়া,ৰিবু শইকীয়া,বাসব বৰা,আকাশ জ্যোতি বৰা,প্ৰকাশ শইকীয়া, বিমান দাস,বিশ্বজিৎ ফুকন, কুমুদ বৰা,ৰাজীৱ বৰা,চন্দন ঠাকুৰ,কিশোৰ শইকীয়া, দেবজিত লাহন,দুৰেন্দ বৰুৱা, আকাশ কাশ্যপ আৰু পূৰ্বজ্যোতি শইকীয়াই জিলাৰ হৈ এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। দলটোক নেতৃত্বত পৰিচালক হিচাপে উপস্থিত থাকিব নকুল কাকতি আৰু প্ৰশিক্ষক ভাস্কৰ বৰা।



## প্ৰীতি ফুটবল মেচত জৰ্দানৰ বিপক্ষে পৰাস্ত ভাৰতীয় দল

**নতুন দিল্লী, ২৯ মে' ঃ** এছিয়ান কাপৰ যোগ্যতা নিৰ্ণায়ক পৰ্বৰ প্ৰস্তুতিৰূপে জৰ্দানৰ বিপক্ষে খেলা প্ৰীতি মেচখনৰ ফলাফল ভাৰতৰ বাবে সুখকৰ নহ'ল। মেচখনৰ শেষ মুহূৰ্তত দিয়া গ'লৰ সহায়ত জৰ্দান দলটো ২-০ গলত বিজয়ী হয়। ৭৪ মিনিটলৈ মেচখনত কোনো এটা দলেই গল দিব পৰা নাছিল। ভাৰতৰ ৰক্ষণ বিভাগৰ দুৰ্বলতা মেচখনত চকুত লগা হৈ পৰে। মেচখনত জৰ্দানে ১৪টা শ্বট লোৱাৰ বিপৰীতে ভাৰতে মাত্ৰ দুটা শ্বট লবলৈ সক্ষম হয়। প্ৰায় ছমাহৰ পাছত দললৈ প্ৰত্যাৱৰ্তন ঘটোৱা সুনীল চেত্ৰীয়েও ভাৰতক বিশেষ সহায় কৰিব নোৱাৰিলে।

### গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন

## কোৱাৰ্টাৰ ফাইনেলত লেইলা-মাৰ্টিনা





**পেৰিছ, ২৯ মে' ঃ** ইউ এছ অ'পেনৰ ফাইনেলিষ্ট লেইলা ফাৰ্নাণ্ডেজে আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ বিৰুদ্ধে ৬-৩, ৪-৬, ৬-৩ ৰ ব্যৱধানত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰিছে। উল্লেখ্য যে কানাডাৰ বাওঁহাতৰ খেলুৱৈগৰাকীয়ে গ্ৰেণ্ড শ্লেম ইউ এছ অ'পেনৰ ফাইনেলত ২০২১ ত সতীৰ্থ কিশোৰী এমা ৰাডুকানুৰ হাতত পৰাস্ত হৈছিল। ইফালে, ইটালীৰ বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ মাৰ্টিনা ট্ৰেভিছানেও চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ বিৰুদ্ধে ৭-৬, ৭-৫ ত জয়ী হৈ ফ্ৰেন্স অ'পেনৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰি নিজৰ আনন্দ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আৰু নিজৰ এটা ট্ৰেডমাৰ্ক হাঁহি বিকিৰণ কৰি অনুৰাগীক সম্ভাষন জনাই মাৰ্টিনাই। উল্লেখ্য যে ২০১৯ ৰ পেৰিছত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা ট্ৰেভিছানে আজি বেলাৰুছিয়ান তৰকা গৰাকীক পৰাস্ত কৰি নিজৰ বিজয়ী দৌৰ নখন মেচলৈ বৃদ্ধি কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ইফালে, তৃতীয় ৰাউণ্ডৰ মেচত জয়ী হৈ ইগা ক্ৰমাগত ৩১ সংখ্যক জয় লাভৰ গৌৰৱো অৰ্জন কৰিছে। পেৰিছৰ ২০২০ ৰ চেম্পিয়ন শ্বিয়াটেকে ৯৫ নম্বৰ ৰেংকিঙৰ প্ৰতিদ্বন্দ্বীক ৬-৩, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত স্থান লাভৰ বাবে ছিয়াটেকে চীনৰ কিশোৰী ঝেং কিনৱেন বা ফ্ৰান্সৰ এলিজ কৰ্নেটৰ সৈতে মুখামুখি হ'ব। উল্লেখ্য যে ২০১৩ ত ছেৰেনা উইলিয়ামছে ৩৪ খন মেচত জয়লাভ কৰাৰ পিছত পেৰিছত ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে শ্ৰেষ্ঠ ধাৰাত আছে। ইয়াৰপূৰ্বে বিশ্বৰ এক নম্বৰ স্থানৰ ইগা ছুয়াটেকে আমেৰিকাৰ এলিছন ৰিস্কেক ৬-০, ৬-২ ত পৰাস্ত কৰি ফ্ৰেন্স অ'পেনৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল।

## ৰাষ্ট্ৰীয় পাঞ্জাত সোণ-ৰূপ জয় পুষ্পা গগৈৰ

**অগ্ৰদূত বাৰ্তা, টিংখাং, ২৯ মে' ঃ** গোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পাঞ্জাত দুটা শাখাত খেলি সোণৰ পদক আৰু ৰূপৰ পদক লাভ কৰি টিংখাঙলৈ গৌৰৱ কঢ়িয়াই আনিছে পুষ্পা গগৈ। ইফালে, সফলতা লাভ কৰা পুষ্পা গগৈলৈ টিংখাং আঞ্চলিক ছাত্ৰ সন্থা, টিংখাং স্পৰ্টচ এচোচিয়েশ্যন, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে অভিনন্দন জনায়। অভিনন্দন অনুষ্ঠানত টিংখং স্পৰ্টচ এচোছিয়েশ্যন, কাৰ্যকৰী সভানেত্ৰী অনিমা চুতীয়া, টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সৌৰভজ্যোতি বৰফুকন আৰু যুৱ ছাত্ৰ পৰিষদৰ কৰ্মকতাসকল উপস্থিত থাকে।

### ভগা হাত,অস্ত্ৰোপচাৰ সত্বেও শোণিতপুৰৰ খেলুৱৈয়ে অৰ্জন কৰিলে পদক

## চতুৰ্থ মাষ্টাৰ্ছ গেমছত অসমৰ তৃতীয় স্থান



**ষ্টাফ ৰিপ'ৰ্টাৰ, তেজপুৰ, ২৯ মে' ঃ** কেৰেলাৰ ত্ৰিবান্দ্ৰমত অনুষ্ঠিত হোৱা চতুৰ্থ ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছত ৮৭ টা সোণৰ, ৭৯ টা ৰূপৰ আৰু ৬৫ টা ব্ৰঞ্জৰ পদকসহ মুঠ ২৩১ টা পদকেৰে অসমে তৃতীয় স্থান অৰ্জন কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এইবাৰ ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ গেমছত বেডমিণ্টন, ফুটবল, ভলীবল, আৰ্চাৰী, পাৱাৰ লিফটিং, চুইমিং আৰু এথলেটিকছত অংশগ্ৰহণ কৰি অসমৰ ৩০২ গৰাকী খেলুৱৈৰ ভিতৰত ২৩১ গৰাকীয়ে পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। দলটোত ৩০২ গৰাকী খেলুৱৈ আৰু প্ৰশিক্ষকসহ ৩০৯ জনীয়া দলটোৰ অংশ আছিল শোণিতপুৰৰ ২৫ গৰাকী প্ৰবীন খেলুৱৈ। ৰাজ্যক প্ৰতিনিধিত্ব কৰা শোণিতপুৰৰ এই ২৫ গৰাকী খেলুৱৈৰ ভিতৰত ১২ গৰাকী খেলুৱৈয়ে বিভিন্ন শিতানত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ মুঠ ২২ টা পদক বুটলিবলৈ সক্ষম হৈছে। কেৰেলাৰ পৰা শোণিতপুৰৰ খেলুৱৈসকলৰ একাংশ আহি যোৱানিশা তেজপুৰত উপস্থিত হোৱাৰ পাছতে জিলাখনৰ এইসকল খেলুৱৈৰ সাফল্যই ৰাইজক উৎফুল্লিত কৰিছে।পদক লাভ কৰা খেলুৱৈ সকলৰ ভিতৰত এখন ভগা হাতেৰেই বেডমিন্টনত ব্ৰঞ্জ আৰু সোণ অৰ্জন কৰে অৰুন্ধতি গগৈয়ে। একেদৰে পেটৰ অস্ত্ৰাপচাৰ কৰাৰ এমাহ নৌহওঁতেই খেলি বেডমিণ্টনত ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হয় আন এগৰাকী খেলুৱৈ সাধনা বেজবৰুৱাই। ইপিনে, সাতোঁৰৰ কোনো অনুশীলন নকৰাকৈয়ে দুটা সোণ আৰু তিনিটা ৰূপৰ পদক অৰ্জন কৰে ভদ্ৰাৱতী দাস আৰু পৰী ভূএগ্ৰা কেওঁটে। এই সকল খেলুৱৈৰ এনে সাফল্যই তেজপুৰৰ ক্ৰীড়া অনুৰাগীসকলে গভীৰ সন্তুষ্টি প্ৰকাশ কৰিছে।

## বিল্যানন্দন চৰা



# বিশ্বঝাড়ুৰ জয়জয়কাৰ

**ফৰেইন** ঘূৰি অহাৰ পাছত দিল্লীৰ বাদশ্বাহৰ লেভেলটো অলপ বাঢ়ি যায়। স্বদেছত গালি খাই থাকিলে কি হ’ল, ফৰেইনত যে তেওঁৰ ইমান জয়জয়কাৰ হয় নহয়! সেইবোৰ এৰি আহিবলৈ বাদশ্বাহৰ মনেই নাযায়। আচলতে ফৰেইনত বহুত সুবিধা আছে। তাত চকুচৰহাৰ সংখ্যা কম। পদূলি শুঙাতো নাই বুলিয়েই ক’ব পাৰি। এইবোৰ নথকা কাৰণে ফৰেইনত সব বস্তুৱে ধুনীয়াকৈ ফিটিং কৰিব পৰা যায়। ভিৰ-ভাৰবোৰ আৰামত গোটাব পৰা যায়। কোনে কি ক’ব, তাৰ ৰিহাৰ্চেলো কৰিব পৰা যায়। কিন্তু ইণ্ডিয়াত সেইবোৰ কৰিব নোৱাৰি। চকুচৰহা আৰু পদূলি শুঙাবোৰে এনেকৈ চকু-কাণ-নাক আৰু কেমেৰা ফিটিং কৰি ৰাখে যে পলকতে সব কথা ফাদিল হৈ যায়। ফৰেইনত ‘অহ্ মাই গড’ বুলি কৈও সাৰি আহিব পাৰি। কিন্তু ইণ্ডিয়াত ৰাম চৰিত গায়ো পলাব নোৱাৰি। পাছে পাছে খেদিবই। কোনোবাই জয়জয়কাৰ কৰিলেও আমাৰ দেছৰ চকু চৰহাবোৰে চাই ফুৰে সেইবোৰ ফিটিং নে চিটিং! আচলী-নকলীৰ হিচাপ আমাৰ দেছত যিমান কৰা হয়, ফৰেইনত সেইবোৰ কথাক ইমান বেছি পাত্তা দিয়া নাযায়। কাৰণ ফৰেইনততো নকলী নাথাকেই, সৱেইতো আচলী। মাজে মাজে আমাৰ বাদশ্বাহৰ দৰে দুই-একে গৈ দুই-এটা দুই নম্বৰী কৰি আহিলেও সেইবোৰক কোনেও বৰ বেছি পাত্তা নিদিয়ে। গতিকে তাত জয়জয়কাৰ কৰিবলৈ ভাল। ফৰেইনত জয়জয়কাৰ হোৱা মানে আমাৰ দেছীবোৰে ভাবি দিয়ে যে এইবোৰ ফৰেইনাৰেই কৰিছে। কিন্তু ফৰেইনত থকা দেছীবোৰক যে ফিটিং কৰি এই চিটিং কৰা হৈছে, সিমানখিনি কথা আমাৰ জেনেৰেল পাব্লিকে বুজি নাপায়।

ফৰেইন ঘূৰি আহি দিল্লীৰ বাদশ্বাহে ৰাজচভাত বহাৰ লগে লগে সভাসদসকলে ফৰেইনত কৰা হৈ-চৈবোৰৰ ষ্টাইলতে চিঞৰিলে—‘জয় জয় মুডী!’ সভাসদসকলে বাদশ্বাহক কেতিয়াবা কেতিয়াবা মুডী বুলি কয়। মানে বেছিভাগ সময় যে তেওঁ মুডত থাকে, সেইকাৰণে। বাদশ্বাহেও তেওঁক কোনোবাই মুডী বুলিলে বেয়া নাপায়। গতিকে চান্স পালে সভাসদসকলেও তেওঁক মুডী বুলি কৈ জয়ধ্বনি দিয়ে। সভাসদে বাদশ্বাহক ক’লে—‘ফৰেইন ট্যুৰ কেনেকুৱা হ’ল জাহাপনা?’




ঃ ভালেই হ’ল।

ঃ সব ঠিকে-ঠাকে গ’লনে?

ঃ গ’ল।

ঃ আদৰ-সাদৰ পাইছেনে?

ঃ যথেষ্ট পাইছো।

ঃ ফৰেইনৰ লিডাৰবোৰে ভালকৈ মাতবোল কৰিছেনে?

ঃ কৰিছে।

ঃ চাহ-পানী দিছে নে?

ঃ পানীতো নাখাওঁ বুলি জানেই। গতিকে চাহকে দিছে।

ঃ টিভিত আমি দেখিছো জাহাপনা।

ঃ কি দেখিছা?

ঃ আপুনি ফৰেইনৰ য’লৈকে গৈছে, তাতেই ৰাইজে ‘জয় জয় মুডী’ বুলি কৈছে।

এইষাৰ কথা কোৱাৰ পাছত বাদশ্বাহৰ মুডটো অলপ চেঁচা পৰি গ’ল। সভাসদসকলে ক’লে যে ফৰেইনত তেওঁৰ জয়জয়কাৰ শুনি কিবা কিবা লাগিছে!

বাদশ্বাহে সুধিলে—‘কেনে লাগিছে?’

ঃ ফৰেইনত আপোনাৰ জয়জয়কাৰ শুনি এনে লাগিছে যেন ভাৰত বিশ্বগুৰু বনি গৈছে।

ঃ ফৰেইনৰ নেতাবোৰে বিশ্বগুৰু বনা বুলি কোৱা নাই।

ঃ তেন্তে কি কৈছে?

ঃ বিশ্বঝাড়ু বনিম বুলিহে কৈছে।

ঃ বিশ্বঝাড়ু মানে?

ঃ এই ষ্টাইলত আমাৰ দেছ যদি চলি থাকে, তেতিয়া বোলে বেলেগ দেছবোৰে আমাৰ দেছখনক ঝাড়ু মাৰিয়ে ডাষ্টবিনত পেলাই থ’ব পাৰিব, গুলি-বাৰুদ খৰ্চা কৰিব নালাগে।

‘ইমান বেয়াকৈ কৈছেনে’ বুলি সভাসদসকলে মুখকেইখন গোমোঠাই চিন্তা-ভাৱনা কৰাত লাগিল। বাদশ্বাহে পুনৰ ক’লে— ‘এইবাৰ জয় জয় মুডীৰ ৰিহাৰ্চেলো ভাল নহ’ল!’

ঃ কি হৈছে জাহাপনা?

ঃ বেছি বিশ্বাসযোগ্য কৰিবলৈ জয় জয় মুডী বুলি ক’বলৈ বহু ফৰেইনাৰকো ৰিহাৰ্চেলত ভৰাই লৈছিল।

ঃ তাৰ পাছত?

ঃ তাৰ পাছত আৰু কি হ’ব?

বাদশ্বাহে মুখ গোমোঠাই ক’লে—‘সিহঁতক ক’বলৈ শিকোৱা হ’ল— জয় জয় মুডী! সিহঁতে চিঞৰিলে—যা যা মুডী! ২০২৪ আহি যোৱা যেন পালো জানা!’

নাছাৰ এই যানখনে ৰঙাগ্ৰহৰ মেৰুপ্ৰদেশ, নিৰক্ষীয় অঞ্চলৰ বতৰ কেনে, সেইবোৰ পৰীক্ষা কৰি চাই আছে। কিউৰিঅ’ছিটিৰ দৃষ্টিত ধৰা পৰিছে যে মঙলত একালত নদীৰ অস্তিত্ব আছিল। যদিও বহু কালৰ পূৰ্বেই সেই নদীৰ পানী শুকাই গৈছে। এতিয়া মাত্ৰ শুকাই কৰাল বন্ধা নদীৰ চিহ্নহে আছে। ইয়াতেই আন এক প্ৰশ্নৰ উদয় হৈছে।

# কোটি কোটি বছৰৰ পূৰ্বেই গ্ৰীণহাউছ গেছৰ কবলত পৰিছিল মঙল!



## মাত্ৰাধিক উষ্ণতাৰ বাবেই হেনো শুকাই গৈছিল ৰঙাগ্ৰহৰ নদী-জলাশয়

■ নিউজ ব্যুৰ’

**নতুন দিল্লী, ২৯ মে’ ঃ** একাংশ বিজ্ঞানীয়ে বহু দিনৰ পৰাই কৈ আহিছে যে মানুহতকৈ উন্নততৰ প্ৰাণীৰ যদি অস্তিত্ব আছিল, তেন্তে তেওঁলোকৰ বাবে পছন্দৰ বাসস্থান হ’ব মঙলগ্ৰহ। পৃথিৱীৰ প্ৰতিবেশী গ্ৰহত পানীৰ সন্ধান পালেই বাসস্থানৰ ব্যৱস্থা হ’ব পাৰে। এই সংক্ৰান্ততে গৱেষণা অব্যাহত ৰাখি সম্প্ৰতি আন এক সূত্ৰ লাভ কৰিছে বিজ্ঞানীসকলে। সেই সূত্ৰও আকৌ বিস্ময় উদ্ৰেককাৰী। কোৱা হৈছে যে একালৰ পানীৰে পৰিপূৰ্ণ ৰঙাগ্ৰহটো আকস্মিকভাৱে শুকাই কৰাল মৰাৰ অন্তৰালত বিজ্ঞানীসকলে আন এক কাৰণ বিচাৰি পাইছে। মঙল জানো সঁচাকৈয়ে মানুহৰ বাসোপযোগী? এই প্ৰশ্নৰে উত্তৰ বিচাৰি সম্প্ৰতি মঙলৰ মাটিত ঘূৰি ফুৰিছে নাছাৰ মঙলযান ‘কিউৰিঅ’ছিটি’য়ে। ইয়াৰ ৰোভাৰ ‘পাৰছিভিয়াৰেন্স’ৰ উচ্চপ্ৰযুক্তিৰ লেন্স আৰু লগত থকা সৰু লেবৰেটৰীত মঙলৰ মাটিৰ পৰীক্ষা চলি আছে। নাছাৰ এই যানখনে ৰঙাগ্ৰহৰ মেৰুপ্ৰদেশ, নিৰক্ষীয় অঞ্চলৰ বতৰ কেনে, সেইবোৰ পৰীক্ষা কৰি চাই আছে। কিউৰিঅ’ছিটিৰ দৃষ্টিত ধৰা পৰিছে যে মঙলত একালত নদীৰ অস্তিত্ব আছিল। যদিও বহু কালৰ পূৰ্বেই সেই নদীৰ পানীত শুকাই গৈছে। এতিয়া মাত্ৰ শুকাই কৰাল বন্ধা নদীৰ চিহ্নহে আছে। ইয়াতেই আন এক প্ৰশ্নৰ উদয় হৈছে। মঙলৰ নদীবোৰ কিয় শুকাই গ’ল? এই প্ৰশ্নৰ উত্তৰ বিচাৰিও দ্ৰুতগতিৰে কাম কৰি গৈছে নাছাৰ মঙলযানখনে। প্ৰাথমিক গৱেষণাত বিজ্ঞানীসকলে ধাৰণা কৰিছিল যে মহাবিস্ফোৰণৰ প্ৰকোপত সৃষ্টি হোৱা প্ৰৱল তাপৰ বাবেই নদীবোৰ শুকাই গৈছে। এইবাৰ নদী শুকান হোৱাৰ অন্তৰালত আন এক তত্ত্ব বিচাৰি পাইছে বিজ্ঞানীসকলে। এটা সময়ত মঙলৰ আকাশত অতি পাতল বৰফৰ মেঘ সৃষ্টি হৈছিল। সেই মেঘতে প্ৰচুৰ পৰিমাণে গ্ৰীণহাউছ গেছ জমা হৈছিল। কাৰ্বন-ডাই-অক্সাইডৰ প্ৰভাৱতে ৰঙাগ্ৰহৰ পৰা পানী শুকাই যায়। চিকাগো বিশ্ববিদ্যালয়ৰ বিজ্ঞানী এডুইন কাইটে কয়, ‘মঙলক কেন্দ্ৰ কৰি বিভিন্ন মানুহৰ মনত নানা ধৰণৰ ধাৰণা আছে। যদিও আমি কোনেও নাজানো যে কিদৰে এই গ্ৰহৰ বতৰ ইমান সলনি হৈ পৰিল। অৱশ্যে এটা বিষয় আমি জানো, ইয়াত বাসযোগ্য পৰিৱেশৰ পৰা আমূল পৰিৱৰ্তন ঘটিছে।’ এই ব্যাখ্যাও উঠি আহিছে যে মঙলৰ বায়ুমণ্ডলত হাইড্ৰ’জেন গেছ সৃষ্টি হৈছিল। সেই গেছৰে কাৰ্বন-ডাই-অক্সাইডৰ স’তে ৰাসায়নিক বিক্ৰিয়া ঘটি অতি বেছি পৰিমাণে বাষ্প সৃষ্টি হৈছিল। সেয়াই নদীসমূহ শুষ্ক কৰি তোলাৰ বাবে যথেষ্ট আছিল।



# ১৩ বছৰে এদিনো ছুটী নোলোৱাকৈ শিক্ষকতা

## শিক্ষাৰ্থীৰ বাবে দৃষ্টান্ত স্থাপন কৰিলে তামিলনাডুৰ এগৰাকী শিক্ষয়িত্ৰীয়ে

■ নিউজ ব্যুৰ’

**চেন্নাই, ২৯ মে’ ঃ** শিক্ষকসকল হৈছে সমাজৰ আইনাস্বৰূপ। তেওঁলোকৰ চিন্তাধাৰাক আদৰ্শ কৰিয়ে জীৱনৰ দিশৰ সন্ধান পায় নতুন প্ৰজন্মই। অথচ সকলোৱেতো আৰু আদৰ্শ শিক্ষক হৈ উঠিব নোৱাৰে। যদিও তামিলনাডুৰ এগৰাকী শিক্ষয়িত্ৰীয়ে নিজক সেই স্তৰলৈ তুলি নিয়াত সফল হৈছে। লগতে শিক্ষাৰ্থীৰ সমানে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰীৰ বাবেও দৃষ্টান্ত দাঙি ধৰিবলৈ তেওঁ সফল হৈছে। ৪৭ বছৰীয়া শিক্ষয়িত্ৰী এছ ছৰছুৰে নিজৰ কেৰিয়াৰৰ অন্তিম ১৩টা বছৰত এটা দিনতো কামৰ পৰা ছুটি লোৱা নাই।

তামিলনাডুৰ ভিল্লুপুৰমৰ সমীপৰ সুন্দৰীপলায়ম নামৰ এখন গাঁৱৰ বাসিন্দা ছৰছু। তেওঁ ভানিয়ামপাল্লমৰ এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। বিগত ১৮ বছৰৰ পৰাই তেওঁ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাই আছে। অথচ অন্তিম ১৩ বছৰত তেওঁ কোনো দিনেই ছুটি লোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। ৰ’দ-বৰষুণ-ধুমুহা-অসুস্থতা আদি একোৱেই তেওঁৰ কামত বাধাৰ সৃষ্টি কৰিব পৰা নাছিল। এই ১৩টা বছৰত কেজুৱেল, মেডিকেল বা আৰ্ণ লিভ; একোতেই তেওঁৰ হাত পৰা নাছিল। ২০০৪ত তেওঁ স্কুলখনত যোগ দিছিল। প্ৰথম পাঁচটা বছৰত অৱশ্যে ছৰছুৱে কেজুৱেল লিভ লৈছিল। যদিও পৰৱৰ্তী ১৩ বছৰত কোনো দিনেই তেওঁ ছুটিৰ হিচাপ কৰিবলগীয়া হোৱা নাছিল। স্কুলৰ উপস্থিতিৰ বহীতো পৰা নাছিল ৰঙা দাগ। এই সন্দৰ্ভত ছৰছুৱে কয়, ‘১৮ বছৰৰ শিক্ষকতাৰ জীৱনত মোৰ কোনোদিনেই স্বাস্থ্যজনিত কাৰণত ছুটি লোৱাৰ প্ৰয়োজন হ’ল। ইয়াৰ উপৰি বিগত ১৩ বছৰ ধৰি কোনো ধৰণৰ ছুটিয়েই লোৱা নাই। আচলতে মই ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দৃষ্টান্ত স্থাপন কৰিব বিচাৰিছিলো।’ ইয়াতে প্ৰশ্ন উত্থাপন হয় যে বছৰৰ পাছত বছৰ ধৰি কোনো ছুটি নোলোৱাকৈ ছৰছুৱে কেনেকৈ থাকিব পাৰিছে? এই প্ৰশ্নৰ উত্তৰত ছৰছুৱে কয়, ‘মই মোৰ ব্যক্তিগত তথা গুৰুত্বপূৰ্ণ সকলো কাম স্কুললৈ যোৱাৰ আগতে বা স্কুল ছুটিৰ পাছত কৰো। মোক দেখি শিক্ষাৰ্থীসকলো অনুপ্ৰাণিত হৈছে। আগতে দেখিছিলো যে বহু ছাত্ৰ-ছাত্ৰীয়েই স্কুললৈ নাহিছিল। অৱশ্যে এতিয়া মোৰ শ্ৰেণী কোনেও ক্ষতি নকৰে।’ শিক্ষয়িত্ৰীগৰাকীয়ে সদৰী কৰে যে প্ৰথম অৱস্থাত পৰিয়াল, আত্মীয়সকলে তেওঁৰ ওপৰত খং কৰিছিল। যদিও পাছত ইয়াৰ নেপথ্যৰ কাৰণ জানিব পাৰি সকলোৱেই তেওঁৰ কাষত থিয় দিয়ে।

ইফালে, বিদ্যালয় কৰ্তৃপক্ষও ছৰছুৰ প্ৰশংসাত পঞ্চমুখ। কৰ্তৃপক্ষৰ তৰফৰ পৰা জনাইছে যে ছৰছুৱে প্ৰতিদিনে নিৰ্দিষ্ট সময়তে স্কুলত উপস্থিত হয়। আকৌ সকলো স্কুলৰ পৰা যোৱাৰ পাছতহে তেওঁ ঘৰলৈ উভতে। অৰ্থাৎ ছুটি নলয় বুলি যে কামত ফাকি দিব, সেয়াও নহয়। এনে আত্মত্যাগৰ বাবেই ছৰছুৱে ইতিমধ্যে ৫০বাৰ পুৰস্কৃত হৈছে।

# শ্ৰীমন্ত শংকৰদেৱক জগত গুৰুৰূপে পৰিচয় কৰাই দিছিল মাধৱদেৱে

## মানুহৰ কল্যাণৰ বাবে সৰ্বস্ব ত্যাগ কৰিছিল ঃ হাতীগড়ত আবিৰ্ভাৱ মহোৎসৱ




অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৯ মে’ ঃ** ‘মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক জগত গুৰুৰূপে মাধৱদেৱে পৰিচয় কৰাই দিছিল। মানুহৰ কল্যাণ সাধন কৰিবৰ বাবে মহাপুৰুষ মাধৱদেৱে সৰ্বস্ব ত্যাগ কৰিছিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা উচ্চ শিখৰত আৰোহণ কৰা মানুহে আজি নিজৰ পিতৃ-মাতৃক চিনি নাপায়। কিন্তু মহাপুৰুষ মাধৱদেৱে নিজৰ কথা নাভাবি একমাত্ৰ মানৱৰ উন্নতি আৰু প্ৰগতিৰ পৰিৱেশ সৃষ্টি কৰাত মনোনিৱেশ কৰিলে। তেনে এজন মহাপুৰুষৰ ত্যাগৰ কথা আমি উপলব্ধি কৰিব নোৱাৰাতো দুৰ্ভাগ্যজনক।’ আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ উদ্যোগত আৰু হাতীগড় আঞ্চলিক শাখাৰ আতিথ্যত শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰত অনুষ্ঠিত মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্বোধন কৰি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই এনেদৰে কয়। মুকুল গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বিশ্ববিদ্যালয়ৰ আচাৰ্য কমলাকান্ত গগৈয়ে কয় যে কলি যুগত ভাৰতবৰ্ষত জন্মলাভ কৰা মানুহৰ জীৱন নিৰ্বাহ প্ৰণালী কেনে হোৱা উচিত সেইটো মহাপুৰুষ মাধৱদেৱে ‘নামঘোষা’ যোগেদি মানৱ জাতিলৈ দি গৈছে। এজন সফল মানুহলৈ ৰূপান্তৰ হোৱাৰ পথ নামঘোষাত উল্লেখ আছে। ধন, অট্টালিকা আদি থাকিলে মানুহ সুখী হ’ব নোৱাৰে আৰু সফল মানুহ বুলি ক’ব নোৱাৰি। জীৱন ধাৰণ যদি একমাত্ৰ নিজৰ বাবে বুলি ধৰি লোৱা হয় তেতিয়া সমাজৰ কোনো উন্নতি নহয়। মানুহৰ আকৃতিতকৈ মানুহৰ পৰিচয়টোহে আচল। মুকলি সভাত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ শৰণ সদস্য ডম্বৰুধৰ বৰুৱা আৰু ভুৱন শইকীয়া। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত আবিৰ্ভাৱ মহোৎসৱৰ উপলক্ষে পুৱা পতাকা উত্তোলন কৰে জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে আৰু ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰা উলিয়াই হৰিনামৰ ধ্বনি মুখৰিত হয় বৃহত্তৰ হাতীগড় অঞ্চল। মুকলি সভা আৰম্ভ কৰে হাতীগড় আঞ্চলিক শাখাৰ আই-মাতৃসকলৰ বৰগীতে।

# স্বাস্থ্য বিভাগৰ অদূৰদৰ্শিতাৰ বাবেই পৰীক্ষাৰ পৰা বঞ্চিত হ’ল প্ৰাৰ্থী

## চিৰাং-বজালীৰ পৰা জামুগুৰিহাটত পৰীক্ষা দিবলৈ আহি পৰীক্ষাত বহিব নোৱাৰিলে প্ৰাৰ্থীয়ে

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ,২৯ মে’ ঃ** স্বাস্থ্য বিভাগৰ তৃতীয় বৰ্গৰ পদত লিখিত পৰীক্ষা দিবলৈ আহি পৰীক্ষা দিয়াৰ পৰা বঞ্চিত হ’ল একাংশ প্ৰাৰ্থী। বিভাগীয় কৰ্তৃপক্ষৰ অদূৰদৰ্শিতাৰ বাবেই সুদূৰ চিৰাং আৰু বজালী জিলাৰ পৰা জামুগুৰিহাটত উপস্থিত হৈ পৰীক্ষাত বহিব নোৱাৰিলে চিৰাং জিলাৰ প্ৰবাল প্ৰতিম, প্ৰলয় তৰৰ লগতে বজালী জিলাৰ প্ৰণৱ দাস নামৰ পৰীক্ষাৰ্থী কেইজনে। পৰীক্ষাৰ প্ৰৱেশ পত্ৰত সম্পূৰ্ণ ঠিকনা নথকা বাবেই বঞ্চিত হয় এই সকল যুৱক। প্ৰৱেশ পত্ৰত জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় বুলি উল্লেখ কৰাৰ বাবেই এই সকল যুৱক যোৱা নিশাই উপস্থিত হয় জামুগুৰিহাটত। পিছে আজি প্ৰৱেশ পত্ৰত থকা ৰোল নম্বৰ পৰীক্ষা কেন্দ্ৰত বিচাৰি নাপায় হাহকাৰ লাগে এইসকল পৰীক্ষাৰ্থীৰ। অসমৰ গোলাঘাট, নগাঁও আৰু লখিমপুৰ জিলাত জামুগুৰি বুলি স্থান থকাৰ উল্লেখ আছে যদিও সম্পূৰ্ণ ঠিকনাৰ অভাৱতে পৰীক্ষাৰ্থী কেইজন বঞ্চিত হোৱা বুলি গুৰুতৰ অভিযোগ উঠিছে। যিটো সময়ত ৰাজ্য চৰকাৰে বিভিন্ন বিভাগত খালী হৈ থকা পদসমূহ পূৰণৰ বাবে স্বচ্ছ, নিকা আৰু দায়বদ্ধতাৰে পৰীক্ষা অনুষ্ঠিত কৰাৰ চেষ্টা চলাই আহিছে সেই সময়তে সংশ্লিষ্ট বিভাগৰ এনে ধৰণৰ অদূৰদৰ্শী কাণ্ডই সচেতন ৰাইজক চিন্তিত কৰি তুলিছে।



# নগাঁৱৰ কৰৈয়নীত বোৱাৰীৰ আত্মহত্যা

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ মে’ঃ** নগাঁও চহৰৰ সমীপৰ কৰৈয়নী চলাপাৰত আজি পুৱা এগৰাকী বোৱাৰীয়ে ৰহস্যজনকভাৱে আত্মহত্যা কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। দুটা সন্তানৰ মাতৃ প্ৰণিতা বৰা নামৰ মহিলাগৰাকীয়ে স্নানাগাৰত চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হয়। আজি পুৱা প্ৰণিতাৰ স্বামী গোপাল বৰাই পথাৰত গৰু এৰাল দি অহাৰ পাছত পত্নীক চিপ লৈ থকা প্ৰত্যক্ষ কৰে। লগে লগে ঘৰখনত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। কি পৰিস্থিতিত মহিলাগৰাকীয়ে আত্মহত্যা কৰিলে জানিব পৰা হোৱা নাই যদিও বন্ধন গোটৰ ঋণক লৈ প্ৰণিতা আৰু গোপালৰ মাজত সংঘাত চলি আছিল বুলি পৰিয়ালৰ সূত্ৰত প্ৰকাশ। আৰক্ষীৰ সঠিক তদন্ততহে মহিলাগৰাকীৰ আত্মহত্যাৰ কাৰণ পোহৰলৈ আহিব।

# কলগাছিয়াত মাছমৰীয়াৰ জালত মটৰ চাইকেল উদ্ধাৰ

**কলগাছিয়া, ২৯ মে’ঃ** কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত ছনপুৰা বেঁকী নদীত আজি মাছমৰীয়াৰ জালত এখন মটৰ চাইকেল উদ্ধাৰ হয়। জালত এএছ-২৫ এইছ-৯৭৪৬ নম্বৰৰ এখন গ্লেমাৰ মটৰ চাইকেল উদ্ধাৰ হয়। উল্লেখ্য যে ছনপুৰা গাঁৱৰ ছানোৱাৰ হুছেইনে খেৱালি জালেৰে মাছ মাৰিবলৈ বেঁকী নদীত গৈছিল। জাল বাই থকা অৱস্থাতে হঠাৎ মাছমৰীয়া ছানোৱাৰৰ জাল পানীৰ তলত লাগি ধৰে। গভীৰ পানীত জালখন লাগি ধৰাত নদীত ডুবাবলৈ ধৰে মাছমৰীয়া ছানোৱাৰে। ডুব মাৰি জালখন এখন মটৰ চাইকেলত লাগি ধৰা প্ৰত্যক্ষ কৰে। লগে লগে ছানোৱাৰে ওচৰৰ মানুহ মাতি আনি মটৰ চাইকেলখন পাৰলৈ চপাই আনে। ঘটনা সন্দৰ্ভত ছানোৱাৰে বালিকুৰি আৰক্ষীক অৱগত কৰে। বালিকুৰিৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মটৰ চাইকেলখন উদ্ধাৰ কৰি থানালৈ লৈ যায়। ঘটনা সন্দৰ্ভত বালিকুৰি আৰক্ষী চকীৰ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও বাতৰি লিখা পৰলৈকে মটৰ চাইকেল কোনে কি কাৰণত নদীত পেলালে সেয়া জানিব পৰা হোৱা নাই। অৱশ্যে আৰক্ষীৰ তদন্তৰ পাছত ঘটনাৰ ৰহস্য পোহৰলৈ আহিব বুলি ধাৰণা কৰা হৈছে।



# গাঁঠিৰ ধন ভাঙি ৰাইজে সাজিলে বাঁহৰ দলং

অগ্ৰদূত বাৰ্তা

**টংলা, ২৯ মে’ ঃ** ওদালগুৰি জিলাৰ পানেৰী সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ সন্মানৰ প্ৰশ্ন জড়িত হৈ থকা টংলা থানাৰ বনগাঁও ভিচিডিচিৰ অন্তৰ্গত বনগাঁও পলাহগড় সংযোগী পথৰ দুৰৱস্থাই ৰাইজক বছৰ বছৰ ধৰি জ্বলাকলা খুৱাই আহিছে। উল্লেখ্য যে উক্ত ৰাজহ গাঁওখনৰ পৰা গাঁওবাসীৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, চাকৰিয়াল, কৰ্মচাৰী আদি সকলোৰে অহা-যোৱা কৰাৰ একমাত্ৰ ভৰসা পথটি। দুৰ্ভাগ্য এয়ে যে বহু বছৰ আগতে কুলশী নদীৰ বাঢ়নী পানীয়ে সৃষ্টি কৰা প্ৰৱল খহানীয়াই উক্ত পথত থকা বাঁহৰ দলংখনৰ লগতে পথটি সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি পেলায়। বৰ্তমান উক্ত অঞ্চলটোত নদী আছে দলং নাই, গাঁও আছে পথ নাই। ফলত গাঁওখনত বেমাৰী আনিবলৈ এম্বুলেন্স এখনো যাব নোৱাৰে। ক্ৰমান্বয়ে ৰাজনৈতিকভাৱে এলাগী হৈ পৰি আছে অঞ্চলটো। উন্নয়নৰ ঢাকঢোল বজোৱা অসম চৰকাৰ বা বিটিচি প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষৰো কোনো খা-খবৰ নাই। উল্লেখ্য যে আজিৰ পৰা এবছৰ আগতে উক্ত অঞ্চলত পানেৰী সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী আৰু বিভাগীয় আৰু জনসংযোগ মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত হৈ পৰিদৰ্শন কৰে আৰু পথ আৰু দলঙৰ কাম অতি শীঘ্ৰে কৰিম বুলি প্ৰতিশ্ৰুতি দি গুচি যায়। কিন্তু এবছৰ পাছতো এই কাম হৈ নুঠাত ৰাইজ শংকিত হোৱাই নহয় যমৰ যাতনাত ভুগিছে। দুদিনমান আগতে ভঙা দলঙৰ পৰা স্কুলীয়া ছাত্ৰ কে’বাগৰাকী পানীত পৰিছে যদিও কোনো দুৰ্ভাগ্যজনক ঘটনা সংঘটিত নহ’ল বুলি জানিব দিয়ে স্থানীয় ৰাইজে। আজি ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি উক্ত পথত বাঁহৰ দলং এখন সাজি যাতায়াতৰ বাবে সুচল কৰি তোলে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী পীযুষ হাজৰিকা আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োলৈ পথ দলং নিৰ্মাণ কৰি ৰাইজৰ দুখ-যন্ত্ৰণা আঁতৰাবলৈ কাতৰ অনুৰোধ জনাইছে।




## সশ্ৰদ্ধ সোঁৱৰণ

(বলেন্দ্ৰনাথ শৰ্মাদেৱৰ ২৫তম মৃত্যু-বাৰ্ষিকী উপলক্ষে)



আমাৰ পৰম আৰাধ্য বলেন্দ্ৰনাথ শৰ্মাই ১৯৯৭ খ্ৰীষ্টাব্দৰ ৩০ মে’ৰ দিনা আমাৰ সকলোকে শোক-সাগৰত এৰি থৈ কায়িকভাৱে আমাৰ পৰা চিৰ বিদায় লয়। ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত কৃতী শিক্ষক, অক্লান্ত সমাজ সংগঠক আমাৰ সকলোৰে শ্ৰদ্ধাৰ **বলেন্দ্ৰনাথ শৰ্মাই** ‘ৰূমী-ৰূপক এণ্টাৰপ্ৰাইজ’ নামৰ মধ্য অসমৰ বৌদ্ধিক পৰিমণ্ডলৰ বাৰ্তাবাহী এটি প্ৰতিষ্ঠান জন্ম দি অসমীয়া ভাষা-সাহিত্যৰ সেৱাত ব্ৰতী হৈছিল আৰু নৱপ্ৰজন্মক অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়নৰ প্ৰতি অনুপ্ৰাণিত কৰিছিল।

আজি আপোনাৰ ২৫ তম মৃত্যু-বাৰ্ষিকীৰ পৱিত্ৰক্ষণত অশ্ৰুসিক্ত নয়নেৰে পৰিয়ালৰ আটায়ে আপোনাক প্ৰণিপাত জনাইছোঁ।

আপোনাৰ আশীৰ্বাদ আকাংক্ষী পৰিয়ালবৰ্গৰ হৈ—

**নিৰু দেৱী (পত্নী)**


অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com